## Centre for Studies in Social Sciences, Calcutta

**Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006**

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Parikhit Hajoreika. | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saahitya Sabhaa Patrikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat |
| Year: 1980 | Edition: |
| Size: 23 cms. 3+6+92+8+83+5+56+8+101 pages | Genre: Magazine |
| Volumes: 37 - 4 issues. | Condition of the original: good |
| Remarks: 3 উঃ. 1st vol. published in the year 1927 and has been contiuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|
| | | |

# অসম সাহিত্য সভা পত্ৰিকা

ংশ বছৰ | ঊনষষ্ঠ আনী | তৃতীয় সংখ্যা

২৪৮৯-৯২/০২

সম্পাদক ঃ

ডঃ পৰীক্ষিত হাজৰিকা

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ : তৃতীয় সংখ্যা

সম্পাদক

ড° পৰীক্ষিত হাজৰিকা

অসম সাহিত্য সভা পত্রিকা
সপ্তত্ৰিংশ বছৰ
তৃতীয় সংখ্যা
ছেপ্তেম্বৰ, অক্টোবৰ, নৱেম্বৰ, ১৯৮০

সম্পাদক :
ড° পৰীক্ষিত হাজৰিকা,
ৰেড ক্ৰছ ৰোড,
ডিব্ৰুগড়।

প্ৰকাশক :
শ্ৰীনগেন শইকীয়া,
প্ৰধান সম্পাদক, অসম সাহিত্য সভা,
চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট-১

মূল্য :
তিনি টকা।

ছপাশাল :
পেপাৰ প্ৰিন্টিং প্ৰেছ,
ডিব্ৰুগড়।

# অসম সাহিত্য সভা পত্ৰিকা

সপ্তত্ৰিংশ বছৰ : তৃতীয় সংখ্যা

এই সংখ্যাত আছে :

সম্পাদকীয় ॥ ক ॥

আচাৰ্য শঙ্কৰৰ অদ্বৈত বেদান্ত আৰু ভক্তি-মাৰ্গ ॥ শ্ৰীৰমণীকান্ত শৰ্মা ॥ ১ ॥ সংস্কৃত সাহিত্যত অসম-প্ৰসঙ্গ ॥ শ্ৰীহৰেকৃষ্ণ মিশ্ৰ ॥ ৬ ॥ 'মৃত্যুঞ্জয়'ত মানৱ-মুক্তিৰ সাধনা ॥ ড° পূৰ্ণানন্দ শইকীয়া ॥ ১০ ॥ কথা-ভক্তি ৰত্নাকৰ : গোপালচৰণ দ্বিজ ॥ শ্ৰীনবীনচন্দ্ৰ গোস্বামী ॥ ১৪ ॥ অসমৰ অস্তিত্ব-ৰক্ষাৰ সংগ্ৰামত চাহ-মজদুৰসকলৰ ভূমিকা ॥ শ্ৰীসুনীল কূৰ্মী ॥ ২১ ॥ নলিনীবালা দেৱীৰ কাব্যত দাৰ্শনিক তত্ত্ব ॥ শ্ৰীনৰনাথ ভট্টাচাৰ্য ॥ ২৫ ॥ অসমীয়া ভাষাৰ বাচ্য ॥ শ্ৰীপ্ৰিয়দাস তালুকদাৰ ॥ ৩৪ ॥ ব্ৰহ্মচৌধুৰীৰ 'কমল-কলি' : এটি সমীক্ষা ॥ ড° পৰীক্ষিত হাজৰিকা ॥ ৩৬ ॥ পুথি-পৰিচয় ॥ শ্ৰীপ্ৰহ্লাদকুমাৰ বৰুৱা, ড° হোমেশ্বৰ গোস্বামী, শ্ৰীসত্যদেৱ প্ৰসাদ, শ্ৰীগোপালচন্দ্ৰ শৰ্মা, স্থ. কু. ব., শ্ৰীমদনচন্দ্ৰ ডেকা, শ্ৰীনোমলচন্দ্ৰ গগৈ, শ্ৰীখগেন্দ্ৰনাথ চেতিয়া ফুকন, ড° পৰীক্ষিত হাজৰিকা ॥ ৪৪ ॥ সাম্প্ৰতিক গণ-আন্দোলনৰ ঘটনা-পঞ্জী ॥ শ্ৰীখগেন্দ্ৰনাথ চেতিয়া ফুকন ॥ ৫৫ ॥

# অসম সাহিত্য সভা পত্ৰিকা

## নিয়মাৱলী

১। 'অসম সাহিত্য সভা পত্ৰিকা' অসম সাহিত্য সভাৰ মুখপত্ৰ।

২। এই পত্ৰিকাত ভাষা-সংস্কৃতি বিষয়ক মৌলিক, চিন্তামূলক আৰু গৱেষণামূলক প্ৰবন্ধাদিয়ে থাইকৈ ঠাই পাব।

৩। পত্ৰিকা প্ৰতি তিনি মাহৰ মূৰে মূৰে প্ৰকাশিত হ'ব।

৪। পত্ৰিকালৈ পঠোৱা প্ৰবন্ধ-পাতি 'ড° পৰীক্ষিত হাজৰিকা, বেডফ্ৰড ৰোড, ডিব্ৰুগড়'-- এই ঠিকনাত পঠাব লাগিব। সমালোচনাৰ বাবে পঠোৱা একেবিধ গ্ৰন্থৰ দুখনকৈ পঠালেহে সমালোচনা কৰাৰ সুবিধা হয়।

৫। পত্ৰিকাৰ বৰঙণি, বিতৰণ সম্পৰ্কীয় চিঠি-পত্ৰাদি 'প্ৰধান সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট-১'—এই ঠিকনাত পঠাব লাগিব।

৬। প্ৰতি সংখ্যা পত্ৰিকাৰ মূল্য তিনি টকা আৰু বছৰেকীয়া বৰঙণি বাৰ টকা।

৭। বছৰেকীয়া গ্ৰাহকসকলে বছৰৰ প্ৰথম সংখ্যাৰ পৰা পত্ৰিকা পাব।

৮। অসম সাহিত্য সভাৰ শাখা সভাসমূহে এখনকৈ পত্ৰিকা আধা বেচত পাব।

৯। দহখনতকৈ বেছি পত্ৰিকা নিওঁতাই শতকৰা পঁচিশ টকা কমিছন পাব।

১০। ডাকযোগে এজেণ্ট বা গ্ৰাহকে নিব খুজিলে পত্ৰিকাৰ মূল্য মণিঅৰ্ডাৰ কৰি আগতে পঠাব লাগিব।

## পত্ৰিকা সম্পাদনা সমিতি :

১। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, সভাপতি, অসম সাহিত্য সভা

২। শ্ৰীনগেন শইকীয়া, প্ৰধান সম্পাদক, অসম সাহিত্য সভা

৩। ড° সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, সদস্য

৪। শ্ৰীপ্ৰফুল্লচন্দ্ৰ ভট্টাচাৰ্য, সদস্য

৫। শ্ৰীডিম্বেশ্বৰ চলিহা, সদস্য

৬। শ্ৰীখগেন্দ্ৰনাথ চেতিয়াফুকন, সদস্য।

৭। ড° পৰীক্ষিত হাজৰিকা, সম্পাদক।

সম্পাদকীয়

## আমাৰ সমাজ, সংকট আৰু উপলব্ধি।

বৃহৎ অসমীয়া জাতিটো সংমিশ্ৰিত জাতি। আৰ্য, কিৰাত, নিষাদ, দ্ৰাবিড় আদি জন-গোষ্ঠীৰ লোক কালক্ৰমত লগ লাগি অসমীয়া জাতি গঢ় লৈ উঠিছে। ভিন্ ভিন্ যুগত বাহিৰৰ পৰা এই মানুহবোৰ আহি অসমত নিগাজীকৈ বসতি কৰিবলৈ লয়। অতীতত 'কিৰাত' শব্দটিৰ দ্বাৰা ব্যাপক-ভাৱে মংগোলীয় লোকক বুজোৱা হৈছিল। বৰ্তমান এওঁলোকৰ বেছি ভাগেই 'জনজাতি' লোক ৰূপে পৰিচিত হৈছে। এই জনজাতি লোকসকলৰ ভিতৰত বড়ো-কছাৰী, ডিমাছা, সোণোৱাল, মেছ, ৰাভা, গাৰো, দেউৰী-চুতীয়া, মৰাণ-মটক, মিচিং, লালুং, কাৰ্বি, মিজো, নগা, অকা, ডফলা, আদি, নক্টে, ৱাংচো, টাংছা, খামটি চিংফৌ, মিচিমি, আপাটানি, মনপা, ভুটীয়া প্ৰভৃতি লোকসকল উল্লেখযোগ্য। মুঠতে অসমৰ এটা বৃহৎ জনগোষ্ঠীয়েই হ'ল জনজাতীয় লোকসকল। মংগোলীয় গোষ্ঠীৰ বংশধৰ সকলৰ মাজত বিভিন্ন ভাগ থকাৰ দৰে আৰ্য গোষ্ঠীৰ বংশোদ্ভূত জনসমষ্টিৰ মাজতো বেলেগ বেলেগ সম্প্ৰদায় আছে। ত্ৰয়োদশ শতাব্দীত অসমলৈ অহা টাই-আহোমসকলৰ মাজতো বিভিন্ন ফৈদ বিদ্যমান। দ্ৰাবিড় গোষ্ঠীৰ লোকো অসমত অলেখ আছে। সিবিলাকৰো স্বকীয়া খেল-ব্যৱস্থা নোহোৱা নহয়। এইদৰে দেখা যায় যে মূল গা-গছৰ পৰা অলেখ ঠাল-ঠেঙুলি ওলাই বৃহৎ আকাৰ ধাৰণ কৰাৰ দৰে মূল জনগোষ্ঠী সমূহৰ পৰাও অসংখ্য জাতি-উপজাতিৰ সৃষ্টি হৈ বৰ্তমানৰ অসমীয়া সমাজখন ৰূপ লৈ উঠিছে। অসমৰ সামাজিক ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, চলন-ফুৰণ, সাজ-পাৰ, মাত-কথা, শিল্প-কলা, স্থাপত্য-ভাস্কৰ্য আদিত প্ৰায় প্ৰতিটো মানৱ গোষ্ঠীৰ উপজাতি সমূহৰ পাৰস্পৰিক প্ৰভাৱ দেখা যায়। গতিকে কব পাৰি যে অসমীয়া জাতিটো যিদৰে সংমিশ্ৰণত গঢ়ি উঠিছে তেনেকৈ অসমীয়া সংস্কৃতিতো বাৰে বৰণীয়া উপাদানৰ সমন্বয় ঘটিছে। কাজেই অসমৰ কোনো এটা জাতি বা প্ৰজাতিতকৈ আন এটা জাতি বা প্ৰজাতি শ্ৰেষ্ঠ নহয়। সকলো সমাজেই স্বয়ং-সম্পূৰ্ণ শ্ৰেষ্ঠতা বহন কৰি আহিছে। আচলতে, কাৰ্য, চিন্তাধাৰা আৰু সামগ্ৰিক আদৰ্শইহে মানুহক সৰু-ডাঙৰ কৰে। জাতিগত ভাৱে ডাঙৰ বাপোৰাটো সামাজিক চতুৰালি মাথোন।

ভিন্নতা সত্বেও একতা বা অনৈক্যৰ মাজতো ঐক্য—এইয়ে হ'ল অসমীয়া সমাজৰ বৈশিষ্ট্য। জাতিগত চৰিত্ৰ, ভৌগোলিক পৰিসীমা, জলবায়ুৰ প্ৰভাৱ, সমাজ-বন্ধনৰ প্ৰতি আনুগত্য আৰু পুৰুষানুক্ৰমিক ভিত্তিমান বিশ্বাস আদিৰ গুণত অসমৰ জনসমষ্টিৰ মাজত ভিন্নতা পৰিদৃষ্ট হৈ আহিছে। কিন্তু যুগৰ প্ৰভাৱে সেই ভিন্নতাৰ বান্ধোন ক্ৰমশঃ শিথিল কৰি আনিছে। সেইয়া যি কি নহওক, অৰ্থনৈতিক প্ৰয়োজনীয়তাৰ বাবে, সামাজিক বা ব্যক্তিগত নিৰাপত্তাৰ হেতুকে আৰু সামগ্ৰিক উন্নতিৰ কাৰণে আমাৰ সামাজিক বিভিন্নতা সত্বেও একতাই গা কৰি উঠে। কিন্তু সৰ্বোপৰি একতাই শক্তিশালী ৰূপ ধৰি উঠে তেতিয়া—যেতিয়া আমাৰ বহল সমাজখনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ গোটসমূহৰ উমৈহতীয়া স্বাৰ্থ যিকোনো উপায়ে দ্বিধাহীন ভাৱে ৰক্ষা কৰিব লগীয়া হয়। বিশেষকৈ বৃহৎ জাতিটোৰ সংকট-কাল উপস্থিত হলে অৰ্থাৎ অস্তিত্ব বিপদাপন্ন হলে সংশ্লিষ্ট সকলো মানুহে যেতিয়া সংকট-মোচনৰ কাৰণে মাৰ বান্ধি থিয় দিয়ে তেতিয়াহে একতাৰ প্ৰকৃত বল কিমান তাক বুজা যায়! লগতে এই কথাও বুজা যায় যে সেই জন সমষ্টিৰ জাতীয় চৈতন্য আছে, একতা-বোধ আছে আৰু সৎ সাহসো আছে।

সম্প্ৰতি অসমীয়া জাতিৰ সংকট-কাল উপস্থিত হৈছে। এই সংকট আহি পৰিছে লাখ লাখ বিদেশী নাগৰিক অবৈধভাৱে অসমত থাকি থলুৱা অসমীয়াৰ ভাষা-সাহিত্য-সংস্কৃতিক বিপদাপন্ন কৰি আৰ্থ-সামাজিক জীৱনত আৰু ৰাজনৈতিক ক্ষেত্ৰত বিশেষ আধিপত্য বিস্তাৰ কৰা কাৰণে। কেবাজনো ৰাজনীতিবিদ আৰু অৰ্থনীতিবিদৰ মতে ১৯৯১ চনৰ লোক-পিয়লত থলুৱা অসমীয়া লোক নিজ জন্মভূমি অসম ৰাজ্যতে সংখ্যালঘু হৈ পৰিব। তেতিয়া অসমীয়াসকল সকলো প্ৰকাৰৰ নায্য প্ৰাপ্তিৰ পৰা বঞ্চিত হ'ব লাগিব। চমু কথাত প্ৰাচীন ঐতিহ্যপূৰ্ণ অসমীয়া জাতিটোৰ গৌৰৱ পূৰ্ণ পৰিচয় বিলুপ্ত হ'ব। গতিকে আজি সচেতন স্বদেশ-প্ৰেমিক অসমীয়া সকলে অবৈধ অনুপ্ৰৱেশকাৰী বিদেশী নাগৰিকবিলাকক অসম তথা ভাৰতৰ পৰা বহিষ্কাৰ কৰাৰ উদ্দেশ্যে সাংবিধানিক-গণ-তান্ত্ৰিক-অহিংস আন্দোলন কৰিছে। এই আন্দোলনত জাতি-বৰ্ণ, ভাষা-ধৰ্ম নিৰ্বিশেষে, লৰাৰ পৰা বুঢ়ালৈকে, বেচৰকাৰীৰ পৰা চৰকাৰী চাকৰিয়াললৈকে অসমৰ জনগণে যোগ দিছে। এই আন্দোলন কোনো ভাৰতীয় নাগৰিকৰ বিৰুদ্ধে কৰা হোৱা নাই। ভাৰতীয় সংবিধানত স্বদেশী আৰু বিদেশীৰ সংজ্ঞা দিয়া আছে; ১৯৫১ চনত প্ৰস্তুত কৰা আমাৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আছে; ১৯৫২ চনত তৈয়াৰ কৰা ভোটাৰ তালিকা আছে। তাৰে ভিত্তিত বিদেশী নাগৰিক চিনাক্ত কৰি আলাপ-আলোচনাৰ ফলশ্ৰুতি অনুযায়ী সিবিলাকৰ যথাযুক্ত ব্যৱস্থা শীঘ্ৰে কৰিব লাগে বুলি আন্দোলনৰ নেতৃবৃন্দই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী তুলিছে। আনহাতে কেন্দ্ৰীয় চৰকাৰে অসমত বিদেশী আছে বুলি মানি লৈছে, অসমৰ আগন্তুক বিপদৰ গুৰুত্ব বুজা বুলিও স্বীকাৰ কৰিছে; কিন্তু আন্দোলনকাৰীসকলক সন্তোষ দিব পৰাকৈ 'গুৰুত্বপূৰ্ণ' সমস্যাটো সমাধান কৰিবলৈ চৰকাৰে এতিয়ালৈকে কাৰ্যতঃ তেনে কোনো নিদৰ্শন দেখুওৱা নাই। গতিকে আন্দোলন দীঘলীয়া হৈ গৈ আছে। ফলত দেশৰ আৰ্থিক ক্ষতি ভালেখিনি হৈছে; মানসিক দিশতো ৰাইজৰ কম ক্ষতি হোৱা নাই।

সকলো ৰাজ্যৰে নিজা নিজা সমস্যা থাকে। অসমৰো এনে এবুলি সমস্যা আছে। কিন্তু সংখ্যাগুৰু থলুৱা লোকৰ অস্তিত্ব বিলোপ হ'ব লগীয়া সমস্যা অসম আৰু ত্ৰিপুৰাৰ বাদে ভাৰতৰ আন ৰাজ্যত নাই। আগতে অসমীয়া জাতিয়ে নানান সমস্যাৰ মাজেৰে আগ বাঢ়ি আহিছিল যদিও বৰ্ত্তমানে দেখা দিয়া গভীৰ জাতীয় সংকটৰ সন্মুখীন হোৱা নাছিল; কাৰণ তেতিয়া অসমে সহিব পৰা, গ্ৰহণ কৰিব পৰা সামৰ্থ আছিল; কিন্তু এতিয়া নাই। অসমৰ বুৰঞ্জী, লোক-পিয়ল, নথি-পত্ৰ, ভোটাৰ তালিকা, ৰাজনৈতিক অস্থিৰতা আদিয়েই তাৰ প্ৰমাণ।

সকলোৱে স্বীকাৰ কৰি লোৱা অসমৰ সাম্প্ৰতিক গুৰুতৰ সমস্যাটো সমাধান কৰিবলৈ দীৰ্ঘ দিন লোৱাৰ ৰহস্য কি? — আমি ভাবো যে এই দীৰ্ঘসূত্ৰিতাত ইন্ধন যোগাইছে আমাৰ সমাজৰ কিছুমান স্বাৰ্থান্বেষী সুবিধা বাদী লোকে। তেওঁলোকৰ পৃষ্ঠপোষকতা বা চিন্তা-চৰ্চাতেই আন্দোলনৰ প্ৰতিবন্ধক স্বৰূপে থিয় দিছে নবজাত নানান সন্থা, দল-উপদল। কিন্তু তেওঁলোকে মনত ৰখা উচিত যে আমাৰ সমাজৰ যিবিলাক লোকে অসমীয়াৰ অন্তৰ্বেদনা, আইন-কানুন বা সংবিধানক অৱজ্ঞা কৰি গাদী-লাভ বা সুবিধা-আদায়ৰ উদ্দেশ্যে অসমত জুই জ্বলাইছে, নিৰপৰাধী মানুহক হত্যা কৰাইছে বা সমগ্ৰ অসমকে গভীৰ সংকটলৈ ঠেলি দিছে সিবিলাকক ইতিহাসে ক্ষমা নকৰিব। ব্যক্তিগত স্বাৰ্থ, দলীয় স্বাৰ্থ আৰু মিছা মানৱতাবাদৰ পিছে পিছে ঘুৰি ফুৰা তথাকথিত নেতাসকল ৰাইজৰ শত্ৰু, দেশৰ শত্ৰু আৰু আনকি মানৱতাৰো দুৰ্ধৰ অনিষ্টকাৰী। ৰাইজৰ ভোটেৰে নিৰ্বাচিত হোৱা প্ৰতিনিধিয়ে যেতিয়া ৰাইজৰ অন্তৰ্বেদনা নুবুজা হয় তেতিয়া তেওঁক প্ৰতাৰক বুলি নোৱাৰি। দৰাচলতে প্ৰতাৰক দলৰ বলতেই অসমে মাজে-সময়ে যাতনা ভুগি আহিছে।

ৰাজনীতিৰ সততাক সুবিধাবাদে গ্ৰাস কৰিলে ৰাইজৰ দুৰ্গতি অৱশ্যম্ভাৱী। কিন্তু বি সাময়িক। গণতান্ত্ৰিক দেশত ৰাইজেহে ৰজা।

## আচাৰ্য্য শঙ্কৰৰ অদ্বৈত বেদান্ত আৰু ভক্তি-মাৰ্গ

শ্ৰীৰমনীকান্ত শৰ্মা

আচাৰ্য শঙ্কৰৰ অদ্বৈতবাদ "ব্ৰহ্মসত্যং জগন্মিথ্যা জীৱ ব্ৰহ্মৈৱ নাপৰঃ" এই কথাষাৰতে চমুকৈ প্ৰকাশ কৰিব পাৰি। ব্ৰহ্ম সত্য, জগত মিছা, জীৱ আৰু ব্ৰহ্ম অভিন্ন।

আমাৰ চকুৰ আগত দেখা জগতখন কেনেকৈ মিছা হ'ব পাৰে? অকল চকুৱেই নহয়, পঞ্চ জ্ঞানেন্দ্ৰিয়ৰ দ্বাৰাই আমি জগতৰ অস্তিত্ব অনুভৱ কৰিব পাৰোঁ। তথাপি ই সত্য নহয়; কিয়নো ই সততে পৰিৱৰ্তনশীল। অথবা অবিৰাম সংঘটিত হোৱা আৰু লয় পোৱা ঘটনা সমূহক বা ঘটনা-প্ৰৱাহক আমি জগত আখ্যা দিওঁ। যি বস্তুটো দৃশ্যমান জাগতিক পৰিৱৰ্তন সমূহৰ কাৰণ স্বৰূপ আৰু যাক মানৱ বুদ্ধিয়ে চুকি নাপায় সিয়েহে স্বপকতঃ সত্য! প্ৰকৃতাৰ্থত জগতৰ কোনো বস্তুৰেই ধ্বংস নাই, পৰিৱৰ্তনহে আছে আৰু বাহ্যিক ৰূপৰ পৰিৱৰ্তনৰ অন্তৰালত নিজ বস্তুটো অক্ষয় হৈ থাকে। এই কথা আধুনিক বিজ্ঞানেও প্ৰমাণ কৰিছে। আজি পদাৰ্থ বিজ্ঞানে কয় যে জগতত জড় বস্তু বোলা আচলতে একোৱেই নাই, আছে মাথোন শক্তিৰ লীলা; আৰু এই শক্তিৰ কম বেচি কেতিয়াও নহয়। বিজ্ঞানত ইয়াক শক্তিৰ নিত্যতা (Conservation of energy) বোলা হয়। আমি চকুৰ আগত দেখা কাঠৰ মেজখন আচলতে কাঠৰ নহয়; ইয়াৰ প্ৰকৃত স্বৰূপ হৈছে বিশেষ কোনো অৱস্থাত থকা শক্তি কণিকাৰ সমষ্টি মাথোন। পদাৰ্থ বিজ্ঞানৰ শেহতীয়া সিদ্ধান্ত হৈছে যে দৃশ্যমান জগতত মাথোন ঘটনা প্ৰৱাহহে আছে। গতিকে বিজ্ঞানৰ দৃষ্টিকোণৰ পৰা চালে আমাৰ জ্ঞানেন্দ্ৰিয়ৰ সহায়ত বস্তুৰ যি ৰূপ দেখা পাওঁ সেইটো বস্তুৰ তাত্ত্বিক স্বৰূপ নহয়। আনহাতে জাৰ্মান দাৰ্শনিক ক্যান্টৰ মতেও দ্ৰব্য স্বৰূপতঃ কি বা তাৰ তাত্ত্বিক স্বৰূপ (Thing in itself) কি তাক আমি নাজানোঁ। আমি তাৰ অৱভাস (Appearance) মাথোন অনুভৱ কৰোঁ। তথাপি ক্যান্টে কয় যে বস্তুৰ তাত্ত্বিক স্বৰূপ থকা বুলি আমি ভাবিব পাৰোঁ, যদিও সেই স্বৰূপ কেনে তাক আমি নাজানোঁ। এই কথা উল্লেখযোগ্য যে ক্যান্টৰ যৌক্তিক বিচাৰৰ সহায়ত আমি ব্ৰহ্ম বা ঈশ্বৰৰ অস্তিত্ব উপলব্ধি কৰিব নোৱাৰোঁ। ক্যান্টে কয় "God, freedom and immortality are the three ideas of reason. But although pure reason leads us to form these ideas, it cannot itself prove their reality."

আনহাতে অদ্বৈত বেদান্তই কয় যে অকল অন্তঃপ্ৰজ্ঞাৰ সহায়তহে আমি বস্তুৰ স্বৰূপ উপলব্ধি কৰিব পাৰোঁ। বুদ্ধিৰ দ্বাৰা নোৱাৰোঁ। অন্তঃপ্ৰজ্ঞা যুক্তি বিৰোধী নহয়। ইয়াক অতি-প্ৰজ্ঞা নামও দিব পাৰি। আচাৰ্য শঙ্কৰে কৈছে—

শ্ৰুতিনাং পৰস্পৰ বিৰোধে সতি এক বশেন ইতৰা নীয়ন্তে, এৱং প্ৰমাণান্তৰ বিৰোধেহপি তদবশেনৈব শ্ৰুতিঃ নীয়েত। 'দৃষ্ট সাধন'চ অদৃষ্টম, অৰ্থং সমৰ্থয়ন্তী যুক্তি

অনুভৱস্য সন্নিকৃষ্যতে, বিপ্ৰকৃষ্যতে তু শ্ৰুতিঃ ঐতিহ্য মাত্ৰেন স্বাৰ্থাভিধানাৎ। অনুভৱাবসানং চ ব্ৰহ্ম বিজ্ঞানম্ অবিদ্যায়া নিবৰ্ত্তকা মোক্ষ সাধনং চ দৃষ্ট ফলতয়া ইষ্যতে। শ্ৰুতিৰপি 'শ্ৰোতব্যো মন্তব্যঃ' (বৃঃ ২।৪।৫) ইতি শ্ৰৱণ ব্যতিৰেকেন মননং বিদধতী তৰ্কমপি অত্ৰ আদৰ্ত্তব্যং দৰ্শয়তি। (২।১।৪ শাৰীৰক ভাষ্য)।

অৰ্থাৎ যুক্তিৰ লগত শ্ৰুতিৰ বিৰোধ উপস্থিত হলে যুক্তিক অনুসৰণ কৰা উচিত, যিহেতু যুক্তি আমাৰ অনুভৱৰ অধিকতৰ সন্নিকট। আচাৰ্য শংকৰে যুক্তিক কিমান গুৰুত্ব দিছিল ইয়াৰ পৰা বুজিব পাৰি। অন্তঃ প্ৰজ্ঞাৰ (intution) সহায়ত আমি উপলব্ধি কৰা বস্তু বিলাকৰ স্বৰূপ এক আৰু অদ্বিতীয় ৰূপত দেখিবলৈ পাওঁ। এই সত্য অনন্ত আৰু জ্ঞানময়। ইয়াকেই বেদান্ত দৰ্শনত ব্ৰহ্ম (বৃহত্তম) বোলা হয়। উল্লিখিত বিশ্বব্যাপী পৰিবৰ্তনৰ কাৰণ ৰূপে এই ব্ৰহ্মই বিচিত্ৰ আৰু অলেখ পৰিবৰ্তনৰ অন্তৰালত শাশ্বত বা নিত্য আৰু অব্যয় হৈ আছে। যিহেতু এই শাশ্বত সত্য এক আৰু অদ্বিতীয় ব্ৰহ্মই দৃশ্যমান জগতৰ কাৰণ, সেই বাবে এই জগতখনো এটা ব্যৱহাৰিক সত্যতা আছে। কিন্তু পৰম সত্য ব্ৰহ্মৰ তুলনাত হে ইয়াক মিথ্যা বোলা হৈছে। গতিকে দেখা গৈছে যে দৃশ্যমান জগতখন অবাস্তৱ নহয় আৰু ইয়াক আমি ব্ৰহ্মৰেই এটা প্ৰকাশ বুলি কব পাৰোঁ। টোপনিৰ পৰা সাৰ পোৱাৰ আগলৈকে সপোন যেনে সঁচা বুলি মনত বোধ হয়, জগতখনো আত্মজ্ঞান লাভৰ পূৰ্বলৈকে তেনেদৰেই সঁচা। আত্মজ্ঞান হোৱাটো জীৱৰ অজ্ঞান উৎপাদিত টোপনিৰ পৰা সাৰ পোৱাৰ দৰে। এয়ে অদ্বৈত বেদান্তৰ মত।

অদ্বৈত বেদান্তই জগতৰ ব্যৱহাৰিক সত্যতাক কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰে। কিয়নো অদ্বৈত বেদান্তই কাৰ্যক কাৰণৰ পৰা বিভিন্ন বুলি নাভাবে, যি কাৰ্য কাৰণ নহয় আৰু এই দুটা অনন্য। আৰু সেই দেখি কাৰণ সত্য হলে কাৰ্য অসত্য হব নোৱাৰে। অৰ্থাৎ যিহেতু জগতৰূপ কাৰ্য পৰম ব্ৰহ্মৰূপ কাৰণৰ পৰা উৎপন্ন হৈছে, কাৰণৰ সত্তাৰ ওপৰতহে কাৰ্য সত্তা নিৰ্ভৰ কৰে। কিন্তু জগত ব্ৰহ্মৰ পৰিণাম নহয়, বিৱৰ্ত বা অধ্যাসহে। ব্ৰহ্মই অবিদ্যা বা মায়া শক্তি দ্বাৰা জগতৰ অধ্যাস বা ভ্ৰমৰ সৃষ্টি কৰে মাথোন। আচলতে ব্ৰহ্মৰ কোনো পৰিবৰ্তন হব নোৱাৰে। অবিদ্যা বা মায়াৰ আৱৰণ আৰু বিক্ষেপণ নামৰ দুটা শক্তি আছে। জৰীডালক সাপ যেন দেখুৱাত মায়াৰ বিক্ষেপণ শক্তি প্ৰকাশ পায় আৰু জৰীডালৰ অস্তিত্ব লুকাই ৰখাত অবিদ্যা বা মায়াৰ তিৰস্কৰণী বা আৱৰণী শক্তি প্ৰকাশ পায়। এই দৰেই অবিদ্যা বা মায়াই ব্ৰহ্মৰ ঠাইত জগতক দেখুৱাই বিক্ষেপন শক্তি প্ৰয়োগ কৰিছে আৰু পৰম ব্ৰহ্মক লুকাই ৰাখি অবিদ্যা তিৰস্কৰণী শক্তি প্ৰয়োগ কৰিছে।

আমি আগতে দেখিছোঁ যে আচাৰ্য শংকৰে জীৱ আৰু ব্ৰহ্ম অভিন্ন বুলি কৈছে। কিন্তু এই জীৱ মায়া বা অবিদ্যাৰ বশ জীৱ নহয়, মায়ামুক্ত অতীন্দ্ৰিয় আত্মাহে। গতিকে দ্বৈতবাদী বৈষ্ণৱ সকলৰ "জীৱোব্ৰহ্ম নাপৰ" শংকৰৰ এই কথাৰ বিৰুদ্ধে প্ৰধান আপত্তিটো আচলতে ভিত্তিহীন; কিয়নো মায়াবদ্ধ জীৱক ইয়াত সগুণ ব্ৰহ্ম তথা ঈশ্বৰ বোলা হোৱা নাই।

ব্ৰহ্ম কেনেকৈ বহু জীৱ হ'ল? প্ৰকৃতাৰ্থত এক ব্ৰহ্ম বহু হোৱা নাই। অবিদ্যা বা মায়া শক্তিৰ প্ৰভাৱত এক নিৰ্গুণ ব্ৰহ্ম সগুণ ঈশ্বৰ হৈছে আৰু দৃশ্যমান জগত বহুৰূপত প্ৰতিভাত হৈছে মাথোন। ব্ৰহ্মৰ আসল স্বৰূপ নিৰ্বিশেষ আৰু নিৰ্গুণ। গতিকে জগত হৈছে ব্ৰহ্মৰ মায়িক বিকাশ মায়া শক্তিৰ সৃষ্টি আৰু তাৰ অসত্য। ব্ৰহ্মৰ মায়া শক্তিৰ দ্বাৰা উৎপাদিত ই এটা বিভ্ৰম মাথোন। আচাৰ্য শংকৰৰ অদ্বৈতবাদত এটা অক নিৰ্গুণ ব্ৰহ্ম বা কেৱল আত্মা নহয়; তেওঁ জীৱৰ অন্তৰত থকা অন্তৰ্যামী আত্মাও। ব্যৱহাৰিক স্তৰত তেওঁ বহুৰূপত প্ৰকাশিত সগুণ ঈশ্বৰ, আৰু পাৰমাৰ্থিক স্তৰত তেওঁ অদ্বৈত ব্ৰহ্ম। আচাৰ্য শংকৰৰ বেদান্ত একত্ববাদী নহয়, অদ্বৈতবাদীহে। কিন্তু জগত ব্ৰহ্ম



দৰে সত্য নহয় যদিও আপেক্ষিক ভাবে বা ব্যৱহাৰিক স্তৰত ই সত্য। অবিদ্যা জড় জগতৰ পৰিণামী উপাদান আৰু অবিকাৰী কূটস্থ ব্ৰহ্মই জড় জগতৰ অপৰিণামী উপাদান বা বিৱৰ্ত কাৰণ। অবিদ্যা ৰচিত আৰু পৰব্ৰহ্মৰ অৱভাস (Appearance) দৃশ্যমান জগতৰ যে ব্যৱহাৰিক সত্যতা আছে তাক আচাৰ্য শংকৰে স্পষ্ট ভাৱে স্বীকাৰ কৰিছে। যেনে :—

প্ৰাকচ আত্মৈকত্বাবগতেো: অব্যাহত: সৰ্ব্ব: সত্যানৃত ব্যৱহাৰ: লৌকিকো বৈদিকশ্চ ইতি অবোচাম (শাৰীৰক ভাষ্য ২।১।১৪)

অৰ্থাৎ ব্ৰহ্ম আৰু আত্মাৰ একত্বজ্ঞানৰ পূৰ্ব পৰ্যন্ত লৌকিক আৰু বৈদিক সত্য আৰু মিথ্যা ব্যৱহাৰ সকলে অব্যাহত থাকে।

আচাৰ্য শংকৰৰ মতে ব্ৰহ্ম বিম্ব, জীৱ প্ৰতিবিম্ব। এটা সূৰ্যৰেই পানীত নাইবা দাপোণত অলেখ প্ৰতিবিম্ব হোৱাৰ দৰে জীৱবিলাক হৈছে প্ৰকৃতাৰ্থত অন্তঃকৰণ বা বুদ্ধিদৰ্পণত প্ৰতিফলিত ব্ৰহ্মৰ প্ৰতিবিম্ব মথোন বিম্বৰ সত্তাৰ ওপৰত প্ৰতিবিম্ব নিৰ্ভৰ কৰে। গতিকে বিম্ব আৰু প্ৰতিবিম্ব অভিন্ন।

মায়া-শক্তি ব্ৰহ্মৰ অনাদি শক্তি। ব্ৰহ্মৰ লগত ইয়াৰ সম্পৰ্কটোক তাদাত্ম্য বুলিব পাৰি। অথবা ব্ৰহ্ম আৰু ব্ৰহ্মশক্তি এটা বস্তু হোৱা হেতুকে সম্পৰ্কৰ প্ৰশ্নটো অবাস্তৱ। অপৰিচ্ছিন্ন বা অখণ্ড সত্ত্ব প্ৰধানা মায়াত ব্ৰহ্মৰ অখণ্ড চৈতন্য প্ৰতিবিম্বিত হলেই সৰ্বজ্ঞ সৰ্বশক্তিমান ঈশ্বৰৰ উদ্ভৱ হয়। পৰিচ্ছিন্ন আৰু মলিন সত্ত্বময়ী অৰ্থাৎ ৰজোস্তমোগুণ প্ৰধানা ত্ৰিগুণময়ী মায়াত ব্ৰহ্ম চৈতন্যৰ যি প্ৰতিবিম্ব পৰে সেয়ে হ'ল জীৱ। পৰিচ্ছিন্ন মায়াক অবিদ্যাও বোলে।

অবিদ্যা বা মায়াৰ আশ্ৰয় আৰু বিষয় দুয়োটাই পৰব্ৰহ্ম। অবিদ্যা বা মায়াক অনিৰ্বচনীয় বোলা হয়, যিহেতু বৌদ্ধিক বিচাৰৰ দ্বাৰা পৰব্ৰহ্মৰ ৰহস্য স্বৰূপ অবিদ্যাক উপলব্ধি কৰিব নোৱাৰি। অবিদ্যা শব্দই বিদ্যাৰ অভাৱক বুজুৱায়; বিদ্যা বিৰোধী জ্ঞানান্তৰ বা মিথ্যাজ্ঞানক বুজায়। যিহেতু মায়া বা অবিদ্যা জগজ্জননী প্ৰকৃতি, সেইবাবে অবিদ্যা ভাৱৰূপা। শংকৰৰ মতে মায়া আৰু অবিদ্যা বস্তুতঃ অভিন্ন। মায়া সত্ত্বৰজস্তমো গুণময়ী, গতিকে অবিদ্যা বা অজ্ঞানক শংকৰ-বেদান্ত মতে বিদ্যা বা জ্ঞানৰ অভাৱ স্বৰূপ বুলি কব নোৱাৰি; ই ভাৱস্বৰূপা (Positive) আৰু বস্তুভূত। অবিদ্যাই জগত-সংসাৰৰ মূল কাৰণ, জগতৰ বীজ শক্তি। গতিকে ইয়াক অসৎ বোলা যায় কেনেকৈ? মায়া বা অবিদ্যাই আৱৰণ শক্তিৰ দ্বাৰা ব্ৰহ্মৰ স্বৰূপ আবৃত কৰি বিক্ষেপ শক্তিৰ দ্বাৰা ব্ৰহ্মৰ ঠাইত জগতক দেখুৱায় ঠিক যাদুকৰ এজনৰ দৰে। মায়া বা অবিদ্যাই এইদৰে জগত সৃষ্টি কৰে। ৰামানুজ স্বামীয়ে শংকৰে ব্যৱহাৰ কৰা অৰ্থত অবিদ্যাক সুবুদ্ধি জ্ঞানৰ অভাৱ অৰ্থত লৈ ভুল কৰিছে। জ্ঞান স্বৰূপ ব্ৰহ্মক আশ্ৰয় কৰি জ্ঞান আৰু জ্ঞানৰ অভাৱ নাথাকিলেও ব্ৰহ্মৰ আশ্ৰয়ত মিথ্যাজ্ঞান থাকিব পাৰে। আচলতে অবিদ্যাৰ উপাদান অজ্ঞান আৰু এই বাবেই ই ভাৱৰূপা।

দ্বিতীয়তে আচাৰ্য শংকৰক প্ৰচ্ছন্ন বৌদ্ধ বুলি যি সকলে কয় তেওঁলোকে আচাৰ্য শংকৰৰ প্ৰতি ঘোৰতৰ অবিচাৰ কৰিছে। এই কথা ঠিক যে অদ্বৈত বেদান্তৰ লগত বৌদ্ধ দৰ্শন বিজ্ঞানবাদৰ বহুতো মিল আছে। কিন্তু অকল সাদৃশ্য থাকিলেই দুটা বস্তু একে হব নোৱাৰে। দুটা বস্তুৰ বৈসাদৃশ্যৰ কথাও বিবেচনা কৰিব লাগিব। আচাৰ্য শংকৰৰ প্ৰতি ন্যায় বিচাৰ কৰিব লাগিলে শূন্যবাদ আৰু বিজ্ঞানবাদ আদি বৌদ্ধ দৰ্শন শুদ্ধ ভাবে বুজিব লাগিব। বৌদ্ধ দৰ্শন আচলতে বেদান্তৰ ওপৰত প্ৰতিষ্ঠিত অথবা ইয়াৰ ভিত্তি বেদান্ত। ই নাস্তিকবাদী নহয়, অধ্যাত্মবাদী। শংকৰ দৰ্শন বৌদ্ধ দৰ্শনৰ পৰা আগবাঢ়ি গৈছে আৰু বৌদ্ধিক বিচাৰৰ অতীত অন্তঃপ্ৰজ্ঞাৰ সহায়ত আৰু শ্ৰৱণ, মনন আৰু নিদিধ্যাসনৰ দ্বাৰা ব্ৰহ্মৰ সচ্চিদানন্দ ৰূপ উপলব্ধিৰ উপায় দিছে। ব্ৰহ্মৰ লগত আত্মাৰ তাদাত্ম্যবোধ নোহোৱালৈকে ঈশ্বৰ উপাসনাৰ নিৰ্দ্দেশ দিছে। মায়া

বা অবিদ্যাৰ দ্বাৰা জীৱ আৰু জগত সৃষ্টিৰ ব্যাখ্যা দিছে।

শূন্যবাদ আৰু বিজ্ঞানবাদে আচলতে পৰব্ৰহ্মক স্বীকাৰ কৰে। শূন্য শব্দই বহিৰ্জগতৰ প্ৰতীতব্যাপাৰ সমূহ ( Phenomena ) চৰম সত্য শূন্য, চৰম সত্য বস্তুত্ব-শূন্য ইয়াকেই বুজাইছে।

গতিকে এক চৰম সত্যত এই দুই মত বিশ্বাসী। বি দেখিছোঁ সি শূন্য অৰ্থাৎ বেদান্তৰ ভাষাত মায়া। আচাৰ্য শংকৰক প্ৰচ্ছন্ন বৌদ্ধ বুলি নকৈ শূন্যবাদী আৰু বিজ্ঞানবাদী বৌদ্ধসকলক প্ৰচ্ছন্ন বেদান্তী বোলাটোহে শুদ্ধ হব।

বিজ্ঞানবাদে জগতখন মনৰ সৃষ্টি বুলি কয়। কিন্তু বেদান্তই কয় মায়াৰ সৃষ্টি বুলি।

বৌদ্ধ দৰ্শনৰ উৎস উপনিষদ বা বেদান্ত। মনীষী মোক্ষমূলাৰৰ ভাষাত — "Buddhism is on many points the consistent carrying out of the principle laid down in the Upanisads." আৰু "It was Buddha's mission to accept the idealism of the Upanisads at its best and make it available for the daily needs of mankind." ( Holmes — The Creed of Buddha ). Historical Buddhism means the spread of the Upanisad doctrines among the peoples. ( Radhakrishnan )

কোৱা বাহুল্য যে আচাৰ্য শংকৰৰ অদ্বৈত বেদান্তৰ উৎপত্তিস্থান উপনিষদ। তদুপৰি বৌদ্ধ দৰ্শনে সময়ৰ সোঁতত বহু পৰিবৰ্তনৰ মাজেদি আহিছে। বৌদ্ধ শূন্যবাদ আৰু বিজ্ঞানবাদ ঐতিহাসিক কাৰণত ক্ৰমে বেদান্ত দৰ্শনৰ ওচৰ চাপি আহিছে। এনে অৱস্থাত বৌদ্ধ দৰ্শন আৰু শংকৰৰ বেদান্তৰ মাজত সাদৃশ্য থকাটো স্বাভাৱিক কথা; আৰু যি শংকৰৰ চেষ্টাত বৌদ্ধ ধৰ্ম ভাৰতৰ পৰা ওলাই যাব লগা হ'ল সেই শংকৰক প্ৰচ্ছন্ন বৌদ্ধ বুলি অভিযোগ কৰাটোহে আচৰিত কথা।

ভগৱান বুদ্ধৰ মহাপ্ৰয়াণৰ পিছত বৌদ্ধ মনীষী সকলৰ স্বাধীন আৰু গভীৰ চিন্তাৰ ফলত কালক্ৰমে বিবিধ প্ৰকাৰৰ বৌদ্ধ দৰ্শনৰ উদ্ভৱ হৈছিল। কিন্তু অৱশেষত শূন্যবাদ আৰু বিজ্ঞানবাদেই সুপ্ৰতিষ্ঠিত বৌদ্ধ দৰ্শনৰ মত ৰূপে তিষ্ঠি আছিল। মানুহৰ হৃদয়ৰ শান্তিৰ বাবে নিৰাকাৰ অক্ষৰ ব্ৰহ্মৰ উপাসনা যথেষ্ট নোহোৱাত বিজ্ঞানবাদে শেষত গীতোক্ত ধৰ্ম দৰ্শনৰ সদৃশ ৰূপ লৈছিল, ভগৱান বুদ্ধকেই ঈশ্বৰৰূপে উপাসনা কৰিছিল আৰু বোধিসত্ত হোৱাটোৱেই এই উপাসনাৰ উদ্দেশ্য আছিল। শংকৰ বেদান্ত আৰু বৌদ্ধ শূন্যবাদ আৰু বিজ্ঞানবাদৰ মাজত তথাপি গুৰুত্বপূৰ্ণ পাৰ্থক্য আছিল। বৌদ্ধদৰ্শনৰ মতে তৰ্কৰ বাহিৰত তত্ত্ব নাই, অদ্বৈত দৰ্শনে কয় তত্ত্ব তৰ্কৰ সীমাৰ বাহিৰত।

বিজ্ঞানবাদৰ মতে জগত অসত্য, কিয়নো ই মনৰ সৃষ্টি; মনৰ বাহিৰত ইয়াৰ অস্তিত্ব নাই। অদ্বৈতবাদৰ মতে জগত অসত্য, যিহেতুকে ই মায়াৰ সৃষ্টি। ই মনৰ সৃষ্টি নহয়, নাইবা ইয়াৰ অস্তিত্ব ব্যক্তিগত মনৰ ওপৰত নিৰ্ভৰ নকৰে।

আনহাতে শূন্যবাদে বহিৰ্গতৰ দৃশ্যমান প্ৰতীত ব্যাপাৰ সমূহ যে সত্য নহয় তাৰ ওপৰত সমধিক গুৰুত্ব দিয়ে; শংকৰ আৰু তেওঁৰ অনুবৰ্তী সকলে জাগতিক সকলো ঘটনাৰ ব্যৱহাৰিক সত্যতাৰ ওপৰত সমধিক গুৰুত্ব দিয়ে। শূন্যবাদে চৰম সত্যৰ ধাৰণা বিকাশ কৰাত সিমান আগ্ৰহী নহয়। অদ্বৈত বেদান্তই পৰম সত্যৰ ধাৰণাটো প্ৰায় সম্পূৰ্ণ ৰূপত বিকাশ কৰাত অধিক আগ্ৰহী। শংকৰৰ মতে অনিৰ্বাচ্য মায়া বা অবিদ্যা ( যি অজ্ঞানৰ জড় উপাদান ) হৈছে জগত সৃষ্টিৰ কাৰণ। শূন্যবাদে অসত্য জগতখনৰ সৃষ্টিৰ কাৰণ দৰ্শাব নোৱাৰে।

আমি দেখিলো যে বৌদ্ধ দৰ্শনে অক্ষৰ পৰম ব্ৰহ্মৰ অস্তিত্ব স্বীকাৰ কৰিলেও মায়াৰ যোগেদি প্ৰকাশিত হোৱা কৰুণাময় সগুণ ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ নকৰে। ফলত মানুহে প্ৰেমঘন ভগৱানৰ আৰাধনা



কৰিব নোৱাৰে। বৌদ্ধ বিজ্ঞানবাদত ভগৱান বুদ্ধক ভগৱান স্বৰূপে পূজা কৰাটো অৱতাৰৰ পূজা মাথোন। সি ঈশ্বৰ পূজাৰ সমকক্ষ হব নোৱাৰে। আমি আৰু দেখিছোঁ যে আচাৰ্য শংকৰ প্ৰচ্ছন্ন বৌদ্ধতো নহয়েই, তেওঁ বৌদ্ধ ধৰ্মৰ ঠাইত সনাতন ধৰ্মক স্বমহিমাত সংস্থাপিত কৰি গৈছে।

আচাৰ্য শংকৰে জগতৰ ব্যৱহাৰিক সত্যতাৰ ওপৰত কেনে গুৰুত্ব দিছিল তাক আচাৰ্যৰ নিজৰ ভাষাতেই সুস্পষ্ট ৰূপত প্ৰকাশ পাইছে। তেওঁ আন এঠাইত কৈছে —

'সৰ্বব্যৱহাৰাণামেৱ প্ৰাক্ ব্ৰহ্মাত্মতাবিজ্ঞানাৎ সত্যত্বোপপত্তেঃ স্বপ্নব্যৱহাৰস্যেৱ প্ৰাক্ প্ৰবোধাৎ। তস্মাৎ প্ৰাক্ ব্ৰহ্মাত্মতা প্ৰতিবোধাৎ উপপন্নঃ সৰ্বো লৌকিকো বৈদিকশ্চ ব্যৱহাৰঃ' ( ২।১।১৪ শাৰীৰক ভাষ্য )

গতিকে যেতিয়ালৈকে জীৱ আৰু ব্ৰহ্মৰ তাদাত্ম্য বা একত্ববোধ নহয় তেতিয়ালৈকে লৌকিক আৰু বৈদিক ব্যৱহাৰ তথা ঈশ্বৰ উপাসনাৰ উপযোগিতা অনস্বীকাৰ্য। আৰু তেওঁৰ এটা শ্লোকৰ তলৰ ইংৰাজী অনুবাদলৈ মন কৰক—"Although there is not the slightest difference between thee and me, O Lord, yet it is I who belong to thee; Thou dost not belong to me, just as the wave belongs to the sea, the sea does not belong to the wave" ( Quoted from Critical Survey of Indian Philosophy by Dr. C. D. Sarma ).

জীৱ আৰু ব্ৰহ্ম এক হৈ যোৱাত জীৱৰ বিনাশ নহয়; এই ঐক্য আত্ম পৰিপূৰ্ণতাহে। জীৱ আৰু ব্ৰহ্মৰ একাত্মতা বোধত অনিৰ্বচনীয় আনন্দ আছে। আচাৰ্য শংকৰে বিবেক চূড়ামণিৰ ১৫৪—১৫৫ (পৃঃ ৩২০) শ্লোকত কৈছে—

"শেলুৱৈ গুচালে যেনেকৈ তাপ নাশক তৃষ্ণাহাৰক স্বচ্ছ পানী ওলাই মানুহক পৰম সুখ দিয়ে, তেনেকৈ পঞ্চকোষাবৰণ অপসাৰিত হলে আত্মাও নিত্যানন্দ সৰ্বজীৱগত প্ৰকৃতিসিদ্ধ পৰম জ্যোতিৰূপে প্ৰকাশিত হৈ মানুহক পৰমানন্দত আনন্দিত কৰে।"

প্ৰকৃতাৰ্থত আচাৰ্য শংকৰৰ ভগৱদভক্তি সন্দেহাতীত। সংস্কৃত সাহিত্যৰ অমূল্য ৰত্নস্বৰূপ তেওঁৰ ৰচিত অলেখ স্তোত্ৰত তেওঁৰ অন্তৰৰ ভগবদ্ প্ৰেম যেনিবা উথলি পৰিছে। যিয়ে তেওঁৰ কৃষ্ণাষ্টক, হৰিস্তুতি, শিৱভুজঙ্গ প্ৰমাতস্তোত্ৰ ভবাণ্যষ্টক, আনন্দলহৰী, প্ৰভৃতি অপূৰ্ব স্তৱ-স্তোত্ৰ সমূহ পঢ়িছে তেওঁ আচাৰ্য শংকৰৰ ভগবদ্ ভক্তিৰ কথা অকুণ্ঠিত চিত্তে স্বীকাৰ কৰিবই লাগিব। যিবিলাকে আচাৰ্য শংকৰক ভক্তিমাৰ্গৰ বিৰোধী বুলি কয় তেওঁলোকে উপকৰা মন্তব্যৰে সত্যৰ অপলাপ কৰে আৰু আচাৰ্যৰ প্ৰতি অবিচাৰ কৰে।

তেওঁ যে প্ৰাথমিক স্তৰত ভগৱানৰ বিগ্ৰহৰ উপাসনা স্বীকাৰ কৰিছিল তাক তেওঁৰ তলৰ ভাষ্যাংশৰ পৰা বুজিব পাৰি —

'নিৰ্গুণমপি সদ্ব্ৰহ্ম নামৰূপগতৈ গুণৈঃসগুণং উপাসনাৰ্থং তত্ৰ তত্ৰ উপদিশ্যতে ইত্যেতদপি উক্তমেৱ। সৰ্বগতস্যাপি ব্ৰহ্মণঃ উপলব্ধ্যৰ্থ স্থানবিশেষো ন বিৰুদ্ধতে শালগ্ৰাম ইৱ বিষ্ণোঃ ইত্যেতদপি উক্তমেৱ। (১।২।১৪)

অৰ্থাৎ ব্ৰহ্ম নিৰ্গুণ সত্য। কিন্তু শাস্ত্ৰত বিভিন্ন স্থানত উপাসনাৰ নিমিত্তে নামৰূপাদি গুণৰ আৰোপ কৰি ব্ৰহ্মক সগুণ ৰূপে উপদেশ দিয়া হৈছে। যেনেকৈ শালগ্ৰাম শিলাক বিষ্ণু উপলব্ধিৰ বিশেষ স্থান বোলাটো অবিৰুদ্ধ সেইদৰে সৰ্বব্যাপী ব্ৰহ্মৰো উপলব্ধিৰ বাবে ( তেওঁক জানিবলৈ ) স্থানবিশেষৰ উপদেশ দিয়া অবিৰুদ্ধ।

——

# সংস্কৃত সাহিত্যত অসম-প্ৰসঙ্গ

শ্ৰীহৰেকৃষ্ণ মিত্ৰ

কিছুমান পুৰণি সংস্কৃত সাহিত্যত বৰ্তমানৰ 'অসম' ৰাজ্যৰ নাম 'প্ৰাগজ্যোতিষ' বুলি পোৱা যায়; আৰু কিছুমানত 'কামৰূপ' বুলি উল্লেখ আছে। কোনো কোনো শাস্ত্ৰত দুয়োটি নামকে পোৱা যায়। তথাপি 'প্ৰাগজ্যোতিষ' নামটোকে প্ৰাচীনতম বুলি কব পাৰি। ৰামায়ণ মহাকাব্যৰ আদিকাণ্ডত আছে—

'তথামূৰ্ত্তৰজা বীৰশ্চক্ৰে প্ৰাগ্‌জ্যোতিষং পুৰং' (আদিকাণ্ড ৩৫ সৰ্গ)।

কিষ্কিন্ধা কাণ্ডত সীতাদেৱীক অনুসন্ধান কৰা ঠাইবোৰৰ বৰ্ণনাত পোৱা যায়—

'যোজনানি চতুঃষষ্টি বৰাহো নাম পৰ্বতঃ।
সুবৰ্ণশৃঙ্গঃ সুমহান অগাধে বৰুণালয়ে ॥
তত্ৰ প্ৰাগজ্যোতিষং নাম জাতৰূপময়ং পুৰং।
তস্মিন বসতি দুষ্টাত্মা নৰকো নাম দানবঃ ॥'

অৰ্থাৎ চৌষষ্টি যোজন বিস্তৃত বৰাহ নামে এখন পৰ্বত আছে। এই পৰ্বত অগাধ বৰুণালয়ত অৱস্থিত, আৰু ইয়াৰ শৃঙ্গবোৰ সোণৰ দৰে। তাতেই প্ৰাগ-জ্যোতিষ নামে পুৰ আছে। সেই নগৰত দুষ্টাত্মা নৰক নামে এক দানবে বাস কৰে।

উক্ত কাণ্ডতে মহানদ লৌহিত্যৰ কথাও আছে—

'মাগধান দণ্ডকুলাংশ বঙ্গানঙ্গাং স্তথৈবচ,
মহানদং চ লৌহিত্যং শৈল কানন শোভিতং।

অৰ্থাৎ মগধদেশ, দণ্ডকুল, বঙ্গ, অঙ্গ আদি দেশ আৰু পাৰ্বত্য বন বাজিৰে শোভিত মহানদ লৌহিত্যৰ পাৰ।

মহাভাৰতৰ বিবিধ স্থানত প্ৰাগজ্যোতিষপুৰৰ কথা পোৱা যায়। দিগ্বিজয় কৰাৰ উদ্দেশ্যে আৰু ৰাজসূয় যজ্ঞলৈ কৰ আদায় কৰাৰ কাৰণেও অৰ্জুনে প্ৰাগ্‌জ্যোতিষাধিপতি ভগদত্তৰ সৈতে কৰা যুদ্ধৰ বৰ্ণনা সভা পৰ্বত আছে। তাত কোৱা হৈছে যে—'সেই দেশত মহান ভগদত্ত ৰজা আছিল। মহাত্মা পাণ্ডৱে (অৰ্জুন) সৈতে তেওঁৰ ভাণ্ডৱ যুদ্ধ হৈছিল। প্ৰাগ্‌জ্যোতিষাধিপতি ভগদত্ত চীন আৰু কিৰাত সৈন্যবাহিনীৰে পৰিবৃত্ত আছিল; সমুদ্ৰৰ উপকূলত বাসকাৰী অনেক যোদ্ধায়ো তাত যোগ দিছিল। আঠ দিন ধৰি যুদ্ধ কৰাৰ পাচত ভগদত্ত ৰজাই সংগ্ৰামত অক্লান্ত ধনঞ্জয়ক হাঁহি হাঁহি কৈছিল: হে কৌৰৱ নন্দন, তুমি যুদ্ধত শোভনকাৰী যি পৰাক্ৰম দেখুৱাইছা, সেইটো ইন্দ্ৰৰ পুত্ৰ ৰূপে তোমাৰ অতিশয় যোগ্য হৈছে।' ইয়াকে শুনি অৰ্জুনে কলে—'ধৰ্মজ্ঞ সত্যসন্ধ আৰু, কুৰুবংশৰ ভিতৰত শ্ৰেষ্ঠ ৰজা যুধিষ্ঠিৰে বিপুল দান-দক্ষিণাৰে এটি যজ্ঞ সম্পাদন কৰিবলৈ উদ্যোগী হৈছে। তেওঁৰ সাৰ্বভৌমত্ব আমি ইচ্ছা কৰোঁ; সেইবাবে আপুনি তেওঁক কৰ দিব লাগে, যিহেতু আপুনি মোৰ পিতৃৰ (ইন্দ্ৰৰ) সখা আৰু আপোনাৰ প্ৰতিও মোৰ প্ৰীতিৰ ভাব হৈছে।'[1]

আকৌ, প্ৰাগ্‌জ্যোতিষাধিপতি নৰকাসুৰৰ পুত্ৰ ভগদত্ত ৰজাই কুৰুক্ষেত্ৰৰ যুদ্ধত কৌৰৱপক্ষক সহায় কৰা আৰু সেই যুদ্ধত ভগদত্তৰ পতন ঘটা সম্পৰ্কে দ্ৰোণ পৰ্বত উল্লেখ আছে।

কুৰুক্ষেত্ৰৰ যুদ্ধৰ পাছত যুধিষ্ঠিৰে অশ্বমেধ যজ্ঞ কৰিছিল আৰু সেই উপলক্ষে ঘোঁৰা মেলি দিছিল। সেই ঘোঁৰা,প্ৰাগ্‌জ্যোতিষ ৰাজ্য আহি পোৱাত ভগদত্তৰ পুত্ৰ বজ্ৰদত্তই যি ভয়ানক ৰণ তিনিদিন ধৰি চলাইছিল তাৰ বৰ্ণনা 'অশ্বমেধ পৰ্বত' আছে।

পুৰাণবিলাকৰ ভিতৰত 'বিষ্ণু পুৰাণ' প্ৰাচীনতম নহলেও অন্যতম প্ৰাচীন আৰু শ্ৰেষ্ঠ পুৰাণৰূপে খ্যাত। এই পুৰাণৰ দ্বিতীয়াংশৰ তৃতীয় অধ্যায়ত কামৰূপৰ উল্লেখ আছে: 'পূৰ্ব্বদেশ দিকাশ্চৈৱ কামৰূপ নিবাসিনঃ।' অৰ্থাৎ কামৰূপ-নিবাসীসকলক আদি কৰি অন্যান্য পূৰ্ব-দেশৰ অধিবাসীসকল।

ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ দেশসমূহৰ ভিতৰত কাম-ৰূপেই যে প্ৰসিদ্ধ দেশ আছিল উক্ত কথাষাৰে তাৰ প্ৰমাণ দিয়ে। কামৰূপ যে বিষ্ণুপুৰাণ ৰচয়িতাৰ সময়ত বিশেষ জনাজাত আছিল সেইটোও প্ৰমাণিত হয়। ভগৱান দৈৱকীসুতে নৰকাসুৰৰ লগত কৰা যুদ্ধ আৰু তেওঁৰ বধ প্ৰসঙ্গত এইদেশৰ নাম 'প্ৰাগ্‌জ্যোতিষ' পোৱা যায়।[2] উষা-অনিৰুদ্ধৰ কাহিনী বিষ্ণু পুৰাণৰ ৫ম অংশৰ ৩২ অধ্যায়ত সংক্ষেপে বৰ্ণনা কৰা হৈছে। এই উপা-খ্যানৰ ক্ৰমত বাণৰজা যে শোণিতপুৰৰ (বৰ্তমান তেজপুৰৰ) ৰজা আছিল তাকো জনা যায়। বিষ্ণু পুৰাণত দেখা গ'ল যে 'প্ৰাগ্‌জ্যোতিষ' আৰু 'কামৰূপ' দুয়োটা নামেই আছে।

মাৰ্কণ্ডেয় পুৰাণত আছে—

প্ৰাগজ্যোতিষাশ্চ মুণ্ড্ৰাশ্চ বিদেহাস্তাম্ৰলিপ্তকাঃ।
মল্লামগধগোমন্তাঃ প্ৰাচ্যাজনপদাঃ স্মৃতাঃ ॥ (মাৰ্কণ্ডেয় পুৰাণ, ৫৭ অধ্যায়)

অৰ্থাৎ প্ৰাগ্‌জ্যোতিষৰ অধিবাসীসকলে বাস কৰা দেশ, তেনেকৈ মুণ্ড্ৰসকলে, বিদেহসকলে, তাম্ৰলিপ্তক সকলে, মল্লসকলে, গোমন্তসকলে বাস কৰা দেশবোৰক প্ৰাচ্য দেশ বুলি জানিবা।

মাৰ্কণ্ডেয় পুৰাণৰ ৫৮ অধ্যায়তো প্ৰাগ্‌জ্যোতিষ নামৰ উল্লেখ আছে। কিন্তু এই পুৰাণত 'কামৰূপ' নামটো নাই।

শাস্ত্ৰত উল্লেখ থকা 'লৌহিত্য' হৈছে ব্ৰহ্মপুত্ৰ নদ; ইয়াৰ মোহনা অংশ পুৰণি কালত সমুদ্ৰৰ দৰেই বিশাল আছিল। পূৰ্বতে এই মোহনা অংশক লোহিত সাগৰো বোলা হৈছিল। 'বায়ু পুৰাণ'ত আছে—

লোহিতো হেমশৃঙ্গস্তু গিৰিসূৰ্য্য প্ৰভোমহান্।
তস্যপাদে মহাদিব্যং লোহিতং নামতংসৰঃ

অৰ্থাৎ 'সূৰ্যৰ দৰে প্ৰভাৱযুক্ত হেমশৃঙ্গৰ নাম লোহিত। তাৰ পাদদেশত লোহিত নামে এক মহাদিব্য সৰোবৰ আছে।' এই পুৰাণৰ ৪৭ অধ্যায়ত আছে যে 'সেই সৰোবৰৰ পৰা পুণ্য নদ মহান লৌহিত্যৰ উৎপত্তি হৈছে। এই নদীৰ পাৰত দেৱাৰণ্য আৰু বিশোক নামে মহাবন আছে।' উক্ত পুৰাণৰ ৪৫ অধ্যায়ত প্ৰাচ্য দেশ হিচাপে প্ৰাগ্‌জ্যোতিষক বুজোৱা হৈছে। বায়ু পুৰাণত কেৱল প্ৰাগ্‌জ্যোতিষ নামহে পোৱা যায়। কোনো কোনোৱে এই পুৰাণক প্ৰাচীন-তম বুলি কয়।

শ্ৰীমদ্ভাগৱত পুৰাণৰ দশমস্কন্ধৰ ৫৯ অধ্যায়ত আছে যে—'নৰকাসুৰে ইন্দ্ৰৰ মাতৃ অদিতিৰ কুণ্ডল আৰু ইন্দ্ৰৰ ছত্ৰ হৰণ কৰিছিল, আৰু ইন্দ্ৰয়ো নৰকৰ দ্বাৰা অমৰাদ্ৰিৰ পৰা বিতাড়িত হৈছিল। সেইদেখি তেওঁ শ্ৰীকৃষ্ণৰ ওচৰলৈ আহি ভৌম অৰ্থাৎ নৰকৰ অত্যাচাৰৰ কথা কৈছিল। তেতিয়া শ্ৰীকৃষ্ণই তেওঁৰ ভাৰ্যা সত্যভামাৰে সৈতে গৰুড়ত উঠি প্ৰাগ্‌জ্যোতিষ পুৰলৈ গ'ল। সেই পুৰী গিৰিদুৰ্গ আৰু অস্ত্ৰদুৰ্গৰ দ্বাৰা সুদৃঢ়ভাৱে ৰক্ষিত আছিল। তদুপৰি ইয়াৰ চাৰিও-ফালে পানী, অগ্নি আৰু বায়ুৰে বেষ্টিত আছিল। সেইবাবেই অতি দুৰ্গম আছিল। আকৌ এই ঠাই

১। সভাপৰ্বৰ অন্তৰ্গত 'ভগদত্তজয়'ৰ 'তত্ৰ ৰাজা মহানাসীৎ ভগদত্তো.........পিতৃসখ ৰৈৱ প্ৰীয়মানেময়াপিচ ॥' শ্লোকৰ অনুবাদ।

২। বিষ্ণু পুৰাণৰ পঞ্চমাংশৰ ঊনত্ৰিংশ অধ্যায়।

মুৰ নামৰ এক অসুৰৰ অযুত পাশৰ দ্বাৰা আবৃত আছিল।'

উষা-অনিৰুদ্ধৰ আখ্যান আৰু তেজপুৰ বা শোণিত-পুৰৰ বিৱৰণ ভাগৱত পুৰাণত বিস্তৃতভাৱে আছে।

অসম সম্বন্ধে বহল বিৱৰণ পোৱা যায় কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰ গ্ৰন্থত। তাৰে দুই এটি উদ্ধৃতি তলত দিয়া হ'ল। কালিকা পুৰাণত আছে —

'কৰতোয়া সত্যগঙ্গা পূৰ্ব্বভাগাবধিশ্ৰিতা।
যাবল্ললিত কান্তান্তি তাবদ্দেশং পুৰংতৱ॥
অত্ৰ দেবী মহামায়া যোগনিদ্ৰা জগৎপ্ৰসুঃ।
কামাখ্যাৰূপমাদায় সদাতিষ্ঠতি শোভনা॥
অত্ৰাস্তি নদৰাজোহয়ং লৌহিত্যো ব্ৰহ্মণঃ সুতঃ।
তত্ৰৈব দশদিক্ পালাঃ স্বে স্বে পীঠে ব্যৱস্থিতাঃ॥
অত্ৰ স্বয়ং মহাদেবো ব্ৰহ্মা চাহং হি সৰ্ব্বদা।
চন্দ্ৰঃ সূৰ্য্যশ্চ সততং বসতে ত্ৰৈব পুত্ৰক॥
সৰ্ব্বে ক্ৰীড়াৰ্থমায়াতা ৰহস্যং দেশমুত্তমম্।
অত্ৰ শ্ৰীঃ সৰ্ব্বতো ভদ্ৰা ভোগ্যমত্ৰ সদাবহ॥
অত্ৰৈব হি স্থিতো ব্ৰহ্মা প্ৰাক্ নক্ষত্ৰং সসৰ্জ্জহ।
ততঃ প্ৰাগ্জ্যোতিষাখ্যেয়ং পুৰী শক্ৰপুৰীসমা॥'
(কা. পু. ৩৭ অধ্যায়)।

ভগবান বিষ্ণুৱে উক্ত কথাখিনি নৰকক কৈছিল যে 'ভাৰতৰ পুব ভাগত থকা কৰতোয়া বা সত্যগঙ্গা নদীক আৰম্ভ কৰি ললিত কান্তা বা দিক্কৰবাসিনী নৈ পৰ্যন্ত এইখিনি ঠাই তোমাৰ ৰাজ্য। ইয়াত জগত-প্ৰসবিনী দেবী মহামায়া যোগনিদ্ৰাই কামাখ্যাৰ ৰূপ ধাৰণ কৰি আছে। ব্ৰহ্মাৰ পুত্ৰ নদৰাজ লৌহিত্য ইয়াতেই বৈ আছে। নিজৰ নিজৰ পীঠত অৱস্থিত হৈ ইয়াতেই দশদিক পাল আছে। হে পুত্ৰ (নৰক), ইয়াত মই (বিষ্ণু); স্বয়ং মহাদেৱ আৰু ব্ৰহ্মাও সৰ্বদায় বাস কৰি আছো; আৰু চন্দ্ৰ আৰু সূৰ্যও ইয়াত সততে বাস কৰি আছে। এই দেশ ৰহস্যময়। সেইবাবে সকলো দেৱতাই ইয়াত ক্ৰীড়া কৰিবলৈ আহে। ইয়াত লক্ষ্মীদেৱী সৰ্বতোভদ্ৰা স্বৰূপে আছে। এই দেশত সদায় বহুভোগ মিলে। পূৰ্বে ব্ৰহ্মাই ইয়াতে থাকিয়েই এটি নক্ষত্ৰ সৃষ্টি কৰিছিল। সেই কাৰণে ইন্দ্ৰপুৰীৰ দৰে এই পুৰীৰ নাম প্ৰাগজ্যোতিষ হৈছিল।'

যোগিনীতন্ত্ৰত কামৰূপৰ বিস্তৃতি সম্পৰ্কে কোৱা হৈছে —

কৰতোয়াং সমাশ্ৰিত্য যাবদ্দিক্কৰবাসিনীং।
উত্তৰস্যাং কঞ্জগিৰিঃ কৰতোয়াতু পশ্চিমে॥
তীৰ্থ শ্ৰেষ্ঠা দিক্ষু নদী পূৰ্ব্বস্যাং গিৰিকন্যকে।
দক্ষিণে ব্ৰহ্মপুত্ৰস্য লাক্ষায়াঃ সঙ্গমাবধি॥
কামৰূপ ইতিখ্যাতঃ সৰ্ব্বশাস্ত্ৰেষু নিশ্চিতঃ।

কৰতোয়াৰ পৰা দিক্কৰবাসিনীলৈকে এই দেশ বিস্তৃত। ইয়াৰ উত্তৰে কঞ্জগিৰি, পূৰ্বে তীৰ্থশ্ৰেষ্ঠ দিক্কুনদী, দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু লাক্ষা নদীৰ সংগম স্থান, (পশ্চিমে অৱশ্যে কৰতোয়া) — এই সীমাৰ দেশেই কামৰূপ নামে সকলো শাস্ত্ৰতে প্ৰখ্যাত।

ত্ৰিংশদ্ যোজনবিস্তীৰ্ণং দীৰ্ঘেন শতযোজনম্।
কামৰূপং বিজানীহি ত্ৰিকোণাকাৰ মুত্তমম্॥

অৰ্থাৎ দীঘলে এশ যোজন, প্ৰস্থলে ত্ৰিশ যোজন ব্যাপ্ত এই কামৰূপ দেশ ত্ৰিকোণাকাৰৰ বা ত্ৰিভুজ আকৃতিৰ।

মহাকবি কালিদাস ৰচিত "ৰঘুবংশ" নামৰ মহাকাব্যত এই দেশৰ উল্লেখ আছে ৰঘুৰজাৰ দিগ্বিজয় বৰ্ণন প্ৰসঙ্গত। তাত লৌহিত্য আৰু প্ৰাগ্জ্যোতিষ দেশৰ কথা স্পষ্টভাৱে আছে। আৰু ই যে ভাৰতবৰ্ষৰ পূৰ্ব্বভাগৰ দেশ সেইটোও নিশ্চিতকৈ ধৰিব পাৰি।

কালিদাসৰ সময়ৰ ভৌগোলিক অৱস্থানৰ হিচাপেই দেশবোৰৰ পৰিচয় তেওঁৰ আছিল। সেইমতেই তেওঁ প্ৰাগ্জ্যোতিষৰ এটি পৰিচয় দিছে প্ৰাসঙ্গিক ভাৱে ৰঘু ৰজাৰ দিগ্বিজয়ৰ বৰ্ণনাৰে।

এইদেশৰ বিষয়ে কালিদাসৰ লিখা কথাই প্ৰাগ্জ্যোতিষৰ আৰু কামৰূপ নামৰো প্ৰাচীনত্বৰ সূচনা কৰিছে! আৰু এই দেশৰ বিশেষত্বও বিকৃত বৰ্ণিত



পোৱা হিচাপে ইয়াৰ গুৰুত্ব আছে।

চকম্পে তীৰ্ণলৌহিত্যে তস্মিন্ প্ৰাগ্জ্যোতিষেশ্বৰঃ।
তদ্গজালানতাং প্ৰাপ্তৈঃ সহ কালাগুৰুদ্ৰুমৈঃ॥
(৪।৮১ ৰঘুবংশম্)

তেওঁ অৰ্থাৎ মহাৰাজ ৰঘুই যেতিয়াই লৌহিত্য অৰ্থাৎ ব্ৰহ্মপুত্ৰ পাৰ হৈছিল, তেতিয়াই তেওঁৰ দিগ্-বিজয়ৰ কাৰণে আগমনৰ কথা জানি প্ৰাগ্জ্যোতিষ ৰাজ্যৰ অধিপতিয়ে ভয়তে কঁপিছিল। এই দেশৰ ক'লা অগৰু গছ ৰঘুৰজাৰ সৈন্যৰ হাতীবিলাকৰ বান্ধি থকা বছিৰ আকৰ্ষণত যেনেকৈ কঁপিছিল, সেইদৰে প্ৰাগ্জ্যোতিষৰ ৰজায়ো কঁপিছিল।

ন প্ৰসেহে স ৰুদ্ধাৰ্কমধাৰাবৰ্ষ দুৰ্দিনম্।
ৰথবৰ্ত্মৰজোপ্যস্য কুত এব পতাকিনীম্॥
(৪।৮২ ৰঘুবংশম্)

বৰষুণ নিদিয়া অৱস্থাতো সূৰ্যক মেঘে ঢাকি ৰাখিলে তাক দুৰ্দিন বোলা হয়। ৰঘুৰজাৰ ৰথৰ বাটৰ ধূলি উৰিও সূৰ্যক মেঘে ঢকাদি ঢাকি পেলাই যেনে দুৰ্দিন আনিছিল। ৰঘুৰ সৈন্যৰ প্ৰতাপ সহ্য কৰাটো দূৰৰ কথা উক্ত ৰথৰ ধূলিবোৰ দেখিয়েই প্ৰাগ্-জ্যোতিষৰ ৰজাৰ অসহনীয় ভয় হৈছিল।

তমীশঃ কামৰূপানামত্যাখণ্ডল বিক্ৰমম্।
ভেজে ভিন্নকটৈৰ্নাগৈ ৰন্যানুপৰৰোধ যৈঃ॥

কামৰূপ দেশৰ ৰজাই, যি বিলাক মদমত্ত হাতীৰ প্ৰতাপৰ দ্বাৰাই অন্য ৰজাসকলক পৰাস্ত কৰিছিল, সেইবিলাক হাতী উপহাৰ দি ইন্দ্ৰকো জয় কৰিব পৰা ৰঘুৰ শৰণাপন্ন হৈছিল।

কামৰূপেশ্বৰস্তস্য হেমপীঠাধিদেৱতাম্।
ৰত্নপুষ্পোপহাৰেণ চ্ছায়ামানৰ্চ্চ পাদয়োঃ॥

কামৰূপৰ অধীশ্বৰে, তেওঁৰ (ৰঘুৰ) সুবৰ্ণখচিত পাদপীঠত তেওঁৰ চৰণ ছায়াৰ যি কান্তি প্ৰতিফলিত হৈছিল, তাতেই (পুষ্পৰূপে) ৰত্ন বিলাকৰ উপহাৰেৰে ৰঘুৰ পূজা কৰিছিল।

সেই যুগৰ কামৰূপৰ ৰজাৰ প্ৰতাপ, ঐশ্বৰ্য আদিৰ সম্ভেদ ইয়াত পোৱা গল। ৰঘু আছিল ইন্দ্ৰতুল্য, তেওঁৰ ওচৰত পৰাজয় স্বীকাৰ কৰিলেও, আন যিকোনো ৰজাকেই কামৰূপৰ ৰজাই পৰাস্ত কৰিছিল। তেওঁৰ হস্তী সেনাৰ শক্তিৰে তেওঁ শক্তিমান আছিল। অসম দেশ চিৰকালেই হাতীৰ কাৰণে প্ৰসিদ্ধ। এই দেশত হিমালয়ৰ ৰত্নৰ উদ্ধাৰ কৰাৰো ইঙ্গিত বা প্ৰমাণ পোৱা যায়।

ইয়াত যে ক'লা অগৰু বৃক্ষ প্ৰচুৰ আছিল তাৰো কথা উক্ত কবিগৰাকীয়ে এই কেইটি শ্লোকৰ ভিতৰত ব্যক্ত কৰিছে। অন্ততঃ মহাকবি কালিদাসৰ সময়ৰ অসম দেশৰ কেইটিমান বিশেষত্বৰ কথা আমি উপৰি উদ্ধৃত তেওঁৰ কাব্য-কবিতাৰ পৰা পাওঁ।

প্ৰাগজ্যোতিষ আৰু কামৰূপ দুয়োটি শব্দৰ দ্বাৰাই আমাৰ অসম দেশকেই বুজোৱা কথা ইয়াত একেবাৰে স্পষ্ট। আৰু লৌহিত্যৰ নামেৰে আমাৰ ব্ৰহ্মপুত্ৰকে যে বুজুৱাইছে সিও একেবাৰে নিশ্চিত। তেতিয়া অৱশ্যে এই দেশ লৌহিত্যৰ দক্ষিণ ভাগেৰে পূৰ্বদিশত ব্যাপ্ত থকা দেখা যায়।

মহাকবি কালিদাসৰ সময়ত ভাৰতৰ অন্যান্য স্থানত অসম যে জনাজাত আছিল, (অৱশ্যে উক্ত দুই নামত) তাত সন্দেহ নাই। খ্ৰীষ্টীয় ৪ৰ্থ বা ৫ম শতিকাৰ কালিদাস মহাকবিৰ এই বৰ্ণনাত ই দেশৰ প্ৰাচীন বিশেষত্বৰ দিশ আছে।

ক্ৰমশঃ

## ॥ 'মৃত্যুঞ্জয়'ত মানৱ-মুক্তিৰ সাধনা ॥

( এটি দাৰ্শনিক মূল্যায়ন )

ড° পূৰ্ণানন্দ শইকীয়া

১৯৮০ খ্ৰীষ্টাব্দৰ ২৬ এপ্ৰিল তাৰিখ শনিবাৰৰ নিশা। 'আকাশবাণী'ৰ যোগে বাতৰি প্ৰচাৰিত হ'ল : ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ (১৯২৪— ) অন্যতম শ্ৰেষ্ঠ অসমীয়া উপন্যাস 'মৃত্যুঞ্জয়'লৈ ১৯৭৯ খ্ৰীষ্টাব্দৰ 'ভাৰতীয় জ্ঞানপীঠ'ৰ লাখটকীয়া বঁটা প্ৰদান কৰা হৈছে। ঠিক এক সপ্তাহৰ আগৰ ১৯ এপ্ৰিল শনিবাৰে। সাম্প্ৰতিক বিদেশী খেদা অসম আন্দোলন চলম কৰিবলৈ চৰকাৰে জাৰি কৰা সান্ধ্য আইন গুৱাহাটীৰ পঞ্চ লক্ষাধিক জনতাই ওলাই আহি ভুকুৱাই দিলে আৰু বিশ্বৰ গণতান্ত্ৰিক ইতিহাসত এক নতুন অভিলেখ স্থাপন কৰিলে। দুয়োটা ঘটনাই অসমীয়াৰ বাবে অভূতপূৰ্ব আৰু চৰম সাফল্যমণ্ডিত। এহাতে 'মৃত্যুঞ্জয়', আনহাতে অসমৰ মানচিত্ৰ অঙ্কিত পতাকা আৰু মুখত 'জয় আই অসম' ধ্বনি। এনেকৈয়ে অসম বুৰঞ্জীৰ এটা গৌৰৱোজ্জ্বল অধ্যায়ৰ সূচনা হ'ল।

'মৃত্যুঞ্জয়'ৰ প্ৰবেশ-দ্বাৰত ঔপন্যাসিক ড° ভট্টাচাৰ্যই আঁৰি থোৱা এটি নিজা মন্তব্য উপন্যাসৰ ভিতৰ সোমাব খোজা সকলৰ বাবে পথ-নিৰ্দেশনা যেন হৈ তিৰবিৰাই আছে : "এই উপন্যাসত ফুটি উঠা ৰূপ স্বাধীনতাৰ সাধনা কালৰ। সেই সাধনাৰ মহত্ত্ব, আৰু একক অনুভূতিৰ যি সকল অধিকাৰী হৈছিল, সেই সকলৰ আত্মাৰ যৎসামান্য চিনাকি ইয়াত আছে। মানৱ-মুক্তিৰ সাধনাতকৈ মানুহৰ সমগ্ৰ সত্তা আৰু চিত্ত আলোড়িত কৰা আন কিবা কোনো সাধনা আছে বুলি ভাবগম্য কৰা টান। এই সাধনাইহে মানৱ-সমাজ আৰু মানৱ চিত্তৰ দ্ৰুত ৰূপান্তৰ সাধে।" মন্তব্যটিয়ে অসমীয়া অতীত-বৰ্তমানৰ বুৰঞ্জী যেন একাকাৰ কৰি পেলাইছে। সেয়ে, 'মৃত্যুঞ্জয়'ত চিত্ৰিত 'মানৱ-মুক্তিৰ সাধনা'ৰ ওপৰত এটি দাৰ্শনিক মূল্যায়ন আগবঢ়োৱাৰ প্ৰয়াস কৰা হৈছে।

পৃথিৱীৰ মানৱ-বিপ্লৱৰ বুৰঞ্জী প্ৰকৃতাৰ্থত মানৱ-মুক্তিৰ বুৰঞ্জী। এই মুক্তি হিংস বা অহিংস—যি কোনো এটা পথেৰে সম্ভৱ হৈ উঠিব পাৰে। ফ্ৰান্স, আমেৰিকা, ৰুচ, চীন আদি দেশত অনেক মানুহৰ ভয়ঙ্কৰ মানৱ-মুক্তিৰ বিপ্লৱ সম্পন্ন হৈ গ'ল। ভাৰতবৰ্ষতহে কেৱল মহাত্মা গান্ধীৰ নেতৃত্বত এক অহিংস বিপ্লৱৰ যোগেদি সাম্ৰাজ্যবাদী বৃটিছ শাসনৰ অৱসান ঘটোৱা হ'ল। এই অহিংস বিপ্লৱৰ প্ৰকৃত সফলতাৰ ওপৰত কোনো তৰ্কজাল নতুবাকৈও কৰ পাৰি। এই অহিংস পথ সৰ্বজন সমাদৃত নাছিল। সেয়ে, ভাৰতবাসী এক সশস্ত্ৰ বিপ্লৱৰ নেতৃত্ব দিবলৈ ওলাই আহিল সিংহপুৰুষ নেতাজী সুভাষচন্দ্ৰ বসু। তেওঁৰ উপায়েৰে বৃটিছ বধিবৰ বাবে ভাৰতৰ চুকে-কোণে গঠিত হ'ল গৰিলা বাহিনী। এই পথত অসমো পিছ পৰি থকা নাছিল। অহিংস পথত আত্মবলিদান দিয়াসকল যি দৰে শ্বহীদ হ'ল, হিংস পথৰ যাত্ৰীসকলো শ্বহীদ হ'ল। এই হিংস পথৰ যাত্ৰী, অসমৰ মুক্তি সাধকসকলৰ এখনি চিত্ৰ 'মৃত্যুঞ্জয়'ত ধৰি ৰখা হৈছে।



'মৃত্যুঞ্জয়'ৰ কাহিনীৰ ক্ষেত্ৰ হিচাপে নিৰ্বাচন কৰি লোৱা হৈছে অসমৰ ধৰ্ম-কলা-সংস্কৃতিৰ শ্ৰেষ্ঠতম গুৰু শ্ৰীশ্ৰীশঙ্কৰদেৱৰ জন্ম-কৰ্ম স্থান নগাওঁ জিলা। সত্ৰপ্ৰধান, বৈষ্ণৱক্ষেত্ৰ নগাওঁ জিলাক গোপন, হিংস, গৰিলা আন্দোলনৰ কেন্দ্ৰ কৰি লোৱা কথা বিশেষ তাৎপৰ্যপূৰ্ণ। কাব্যোপম বৰ্ণনা আৰু চহা অসমীয়া মাত-কথা, বচন-ভঙ্গীৰ মাজেৰে আগবঢ়াই নিয়া উপন্যাসৰ কাহিনীৰ শীৰ্ষ বিন্দুত আছে পানীখাইটি ৰেল ষ্টেচনৰ ওচৰত ঘটা এটা ৰেল দুৰ্ঘটনা। কাহিনীৰ পটভূমিত আছে নীৰিহ প্ৰজাৰ ওপৰত সাম্ৰাজ্যবাদী বিদেশী শাসকে চলোৱা শোষণ, অত্যাচাৰ-উৎপীড়ন আৰু পুলিচ-মিলিটেৰীয়ে অসমীয়া জীয়ৰী-বোৱাৰীৰ ওপৰত চলোৱা পাশৱিক ধৰ্ষণ। মহানন্দ গোঁসাইৰ নেতৃত্বত গঠিত গৰিলা বাহিনীয়ে হাতত লোৱা হিংসাত্মক কাৰ্যাৱলীৰ অন্যতম আছিল এই ৰেল দুৰ্ঘটনা। ৰেলখন আছিল বৃটিছ বাহিনী কঢ়িয়াই অনা এখন বিশেষ ৰেল। এটা বিশেষ নিশাত নিৰ্দিষ্ট সময়ত পৰিকল্পিত ভাবে ৰেল বাগৰোৱাৰ কাম সম্পন্ন কৰিবলৈ গোঁসাইৰ নেতৃত্বত আগ বাঢ়িল বন্দুক-বাৰুদ লৈ এটা গৰিলাৰ দল। দলটোত আছিল — ভিভিৰাম, ধনপুৰ, আহিনা, ৰূপনাৰায়ণ, মাণিক আৰু মধু। শাৰীৰিক বল আৰু মানসিক সাহস দুয়োটাতে ধনপুৰ আছিল দলটোত অদ্বিতীয়। ধনপুৰৰ একক বলত ৰেলৰ ফিচ প্লেট খোল খাইছিল আৰু বৃটিছ মিলিটেৰীৰে ঠাহ খাই অহা ৰেল এখন দুৰ্ঘটনাত পতিত হৈছিল। ফিচ প্লেট খোলা কাৰ্য সম্পাদন কৰাৰ অন্তত ধনপুৰৰ ভৰি এখন শত্ৰুপক্ষৰ গুলী লাগি বেয়াকৈ জখম হ'ল আৰু এই আঘাততে ধনপুৰৰ মৃত্যু হ'ল। দলাধিপতি মহদা গোঁসাইৰো ঘটনাৱলীতে মৃত্যু হ'ল। বৃটিছ সৈন্যৰ প্ৰতি-আক্ৰমণত দলটোৰ বাকীসকল চেদেলি-ভেদেলি হ'ল। প্ৰকৃতাৰ্থত গৰিলা বাহিনীটো নিশ্চিহ্ন হৈ পৰিল। নগাৱঁত বৃটিছ পুলিচ-মিলিটেৰীৰ অত্যাচাৰ-উৎপীড়ন, লুণ্ঠন-নাৰী-ধৰ্ষণ শতগুণে বৃদ্ধি পালে। প্ৰতিহিংসাৰ দাবানলে নগাওঁ আৱৰি ধৰিলে।

পানীখাইটিৰ ৰেল দুৰ্ঘটনাক কেন্দ্ৰ কৰি 'মৃত্যুঞ্জয়'ৰ কাহিনী সজাই পৰাই তুলিলেও এই ঘটনাৰ ফলাফল নৰ-মুক্তি সাধনাৰ প্ৰকৃত ফলাফল নহয়। এনে ঘটনাই মানৱ চিত্ত আলোড়িত নকৰে আৰু সমাজতো একো বৈপ্লৱিক পৰিবৰ্তন সাধন নকৰে। যি ঘটনাই সমাজ তথা মানৱ-চিত্তৰ দ্ৰুত পৰিবৰ্তন সাধন নকৰে, তাক কোনোমতেই বৈপ্লৱিক আখ্যা দিব নোৱাৰি। ৰক্ষণশীল সমাজ ব্যৱস্থাৰ বিৰুদ্ধে থিয় হৈ উঠা চেতনাহে মানৱ মুক্তিৰ প্ৰকৃত সাধনা। এই সত্য উপন্যাসৰ দুটি চৰিত্ৰ — ধনপুৰ আৰু মহদা গোঁসাইৰ চিন্তা আৰু কৰ্মৰ মাজেদি অঙ্কিত কৰা হৈছে। উপন্যাসিকৰ সমস্ত বৈপ্লৱিক চিন্তা মুখ্যতঃ সংগ্ৰামী চেতনা ধনপুৰক কেন্দ্ৰ কৰি ঘূৰিব লাগিছে। ধনপুৰ হ'ল ৰক্ষণশীল সমাজ ব্যৱস্থাৰ ঊৰ্ধৰ প্ৰকৃত মানৱ-সত্তাৰ প্ৰতীক। এনে সমাজ ব্যৱস্থাৰ সংস্কাৰ, ৰীতি-নীতি, অন্ধবিশ্বাস, ধৰ্ম-কৰ্মই ধনপুৰক পঙ্গু কৰিব নোৱাৰে। সেয়ে ধনপুৰৰ কথা আৰু কৰ্মত ৰক্ষণশীল সমাজৰ সমৰ্থন নাই। বৃটিছ মিলিটেৰীৰ দ্বাৰা ধৰ্ষিতা সুন্দৰী যুৱতী সুভদ্ৰাৰ শৰীৰৰ ওপৰত তেজৰ গোন্ধ ধনপুৰৰ নাকত এক চিত্ত-বিদাৰক 'অত্যাচাৰৰ গোন্ধ' হৈ ধৰা দিছে। ৰক্ষণশীল সমাজে এই গোন্ধ নিৰাময় কৰিব নোৱাৰে। এই গোন্ধ নিৰাময় কৰিবৰ বাবে কেৱল প্ৰস্তুত হ'ল ধনপুৰৰ বৈপ্লৱিক সত্তা। ধৰ্ষিতা, সমাজ-বিৱৰ্জিতা সুভদ্ৰাক ধনপুৰে প্ৰাণভৰি ভাল পাই বিয়া কৰাৰ সংকল্প গ্ৰহণ কৰিলে। কিন্তু ধনপুৰৰ সংকল্প বাস্তৱত পৰিণত নহ'ল। সমাজৰ গ্লানিৰ বিভীষিকাই সুভদ্ৰাক জীয়াইতে দগ্ধ কৰিলে। অৱশেষত সুভদ্ৰাই আত্মহত্যাৰ আশ্ৰয় ল'লে। সংগ্ৰামৰত ধনপুৰৰ অজ্ঞাতে এই ঘটনা ঘটিল। সুভদ্ৰাৰ অপমৃত্যুৰ খবৰটো ধনপুৰক দিবলৈকো যেন কমদেৱ কলে সাহস গোটাব নোৱাৰিলে। অন্ধ-বিশ্বাসত ডুবি থকা সমাজজনৰ দৃষ্টিত সুভদ্ৰা মৰি ভূতুনী-হবিনী

একজনী হৈ নীৰৱে ইনাই-বিনাই থাকিল।

সুভদ্ৰাৰ তেজৰ 'অত্যাচাৰৰ গোন্ধ' পোৱাৰ পূৰ্বে ধনপুৰে পাইছিল প্ৰেমৰ গোন্ধ। সমাজৰ জাত-কুলৰ ঊৰ্দ্ধত এই প্ৰেম। মিকিৰ গাভৰু, সুন্দৰী, সুঠামদেহী ডিমি এই চিৰন্তন প্ৰেমৰ প্ৰতীক। মানৱ সত্তাৰ প্ৰতীক ধনপুৰৰ হৃদয়-দুৱাৰখন মানৱ-প্ৰেমৰ প্ৰতীক ডিমিৰ পৰশত যেন আপোনা-আপুনি উন্মুক্ত হৈ গ'ল। আনৰ বাগ্‌দত্তা ডিমিক বিয়া কৰিব নোৱাৰিলেও ধনপুৰৰ অন্তৰত অকণো খেদ নাই। ধনপুৰ-ডিমিৰ প্ৰেমত দৈহিক মিলনৰ উমা নাই; ই সম্পূৰ্ণ কাম-গন্ধ-বিহীন আত্মাৰ প্ৰেম। এই আত্মাৰ প্ৰেম চিৰমধুৰ, চিৰশান্তিময়। ইয়েই মানৱ-সত্তাক আলোড়িত কৰি প্ৰকৃত জীৱনৰ প্ৰকৃত শান্তিৰ সন্ধান দিয়ে। এই প্ৰেমৰ সাধনাতে যেন নিহিত আছে মানৱ-মুক্তিৰ প্ৰকৃত সাধনা। সেয়ে ধনপুৰৰ দৃষ্টিত সুভদ্ৰা-ডিমি একেজনী সুন্দৰী: এটা টকাৰ যেন দুটা পিঠি। ৰেল দুৰ্ঘটনাৰ বাবে ফিচ্‌প্লেট উঠাবলৈ ওলোৱাৰ আগ মুহূৰ্তত ধনপুৰ ডিমিৰ কথোপকথনত ধনপুৰৰ জীৱন-দৰ্শন পৰিস্কাৰ হৈ ওলাই পৰিছে। সশস্ত্ৰ সংগ্ৰামত জপিয়াই পৰা ধনপুৰৰ সপোন অৰ্থাৎ জীৱন-সংকল্প ডিমিৰ ওচৰত সদৰী কৰা হৈছে। এনে এটা নিবিড় মুহূৰ্তত ডিমিয়ে জুইশলা মাৰি জ্বলোৱা ছহতৰ চালটুকুৰাৰ গোন্ধ চিৰ-অপেক্ষিত 'শান্তিৰ গোন্ধ' হৈ ধনপুৰৰ নাকত ধৰা দিছে। ধনপুৰে ডিমিক কৈছে: এইটো গোন্ধ লবলৈ মই বহুত দিনৰে পৰা বাট চাই আছিলোঁ। এইটোৱেই শান্তিৰ গোন্ধ। এইটোৱেই মানুহৰ গোন্ধ। এইটোৱেই অমিয়ামধুৰী দেহলাওৰ গোন্ধ। তই মোক বচালি, ডিমি। আৰু অলপ জ্বলাই দে।" (পৃঃ ১০৬)। ডিমিয়ে আৰু অলপ ছহতৰ চাল জ্বলাই দিলত ধনপুৰে পুনৰ কৈছে: "ইয়াৰ আগতে অত্যাচাৰৰ গোন্ধহে পাইছিলোঁ। সুভদ্ৰাৰ দেহটোৰ ওপৰত মিলিটেৰীয়ে অত্যাচাৰ কৰাৰ পাছত তাইৰ লেবেজান দেহটো কঢ়িয়াই আনোঁতে সেই গোন্ধ পাইছিলোঁ। এতিয়াও সেই গোন্ধ নাকত লাগি আছে।" (পৃঃ ১০৬)।

মানৱ-মুক্তিৰ প্ৰকৃত সাধনাত ব্ৰতী ধনপুৰে ডিমিৰ কাষৰ পৰা বিদায় লোৱাৰ পৰত মানৱ-মুক্তিৰ পথত প্ৰধান হেঙ্গাৰ স্বৰূপ ৰক্ষণশীল সমাজ ব্যৱস্থাৰ বিৰুদ্ধে বিষোদ্‌গাৰ কৰিলে; ধনপুৰৰ সংগ্ৰামী মনৰ ভিতৰখন ডিমিৰ চকুত ফটফটীয়া হৈ জিলিকি উঠিল: "এই দুদিননো কি চালো বুলি ভাবিছ? সহস্ৰ গাঁঠিৰ বান্ধ। তই মিকিৰৰ ছোৱালী। মই কছাৰী, ডিলি গাৱঁৰ। ৰূপনাৰায়ণ কৈৱৰ্ত মানুহ। ক'তা আমি দেখুন অসমীয়াকে হব পৰা নাই; মানুহ হ'ম কেতিয়া?...... সহস্ৰ গাঁঠিৰ বান্ধ খোলা, সেইবাবে কম কথা নহয় দেই। গোটেইখন ওলট্-পালট্ কৰিব লাগিব, তেহে হব" (পৃঃ ১০৪)। গতিকে, সহস্ৰ গাঁঠিৰ বান্ধ খুলি গোটেইখন ওলট্ পালট কৰি ৰক্ষণশীল সমাজ ব্যৱস্থাৰ দ্ৰুত পৰিৱৰ্তন সাধনেই হ'ল মানৱ-মুক্তিৰ প্ৰকৃত সাধনা। আৰু প্ৰকৃত প্ৰেমে এই সাধনাত ইন্ধন যোগায়।

নগাওঁত জন্মি মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে অসমত ধৰ্ম-সংস্কাৰ আন্দোলনৰ নেতৃত্ব দি জাত-পাত, উচ্চ-নীচৰ দেৱালবোৰ মষিমূৰ কৰি এখন নিকা সাম্যবাদী, একেশ্বৰবাদী বৈষ্ণৱ সমাজৰ প্ৰতিষ্ঠাৰ কাৰ্যত অহোপুৰুষাৰ্থ কৰি গ'ল। কিন্তু গাওঁৰ এনে এখন সমাজত নিৰ্দোষী নিষ্পাপী সুভদ্ৰাৰ বাবে স্থান নহ'ল। ধনপুৰে ভগৱানৰ অস্তিত্বকে অস্বীকাৰ কৰি পেলালে। গৰিলা বাহিনীৰ নেতৃত্ব দিয়া মহদানন্দ গোঁসায়ে বিপ্লৱী ধনপুৰৰ কথাৰ প্ৰতিবাদ নকৰনাই অসমৰ প্ৰচলিত ধৰ্ম-ব্যৱস্থাৰ বিৰুদ্ধেহে মাত মাতিলে। ধনপুৰ-মহদানন্দৰ বৈপ্লৱিক চেতনা প্ৰকট হৈ উঠিল। ধনপুৰে গৰিলা বাহিনীৰ সকলোকে অবাক কৰি দি গোঁসাইৰ মুখত হঠাতে মন্তব্য কৰি পেলালে: "মই মানুহহে, ভকত নহওঁ। ভগৱান ক'ত আছে দেখা নাই। অত্যাচাৰ হলেও তেওঁ দেখা নিদিয়ে। একজনী গাভৰু ছোৱালীক মিলিটেৰীয়ে অত্যাচাৰ কৰা দেখিও ভগৱান নেনাহ। ভগৱান থাকিলেও তেওঁ কণা, নহলে কলা।" (পৃঃ ২৪)। গোঁসায়ে তেওঁৰ মনৰ কথা খুলি কলে: "এইখন দেশত আচল ধৰ্ম নাইকিয়া হ'ল। কেৱল নীতি-নিয়ম হ'লেই দেখনিয়াৰ ব্ৰাহ্মণ হয়, ভকত হয়, দেখনিয়াৰ মৌলবী-মোল্লা হয়। আচল ধৰ্ম হৈছে মানৱ-ধৰ্ম। মানুহৰ দুখ নিবাৰণ কৰিবলৈ গৈয়ে বুদ্ধ অৱতাৰ হ'ল। চৈতন্য মহাপ্ৰভু আৰু শঙ্কৰ গুৰুৱেও প্ৰেমৰ ওপৰতে জোৰ দিছে। মানুহৰ মাজতেই ঈশ্বৰ আছে। বুদ্ধদেৱেও ক'লে, "বহুজনৰ হিত, বহুজনৰ সুখেই মোৰ ধৰ্ম।" ......... ধনপুৰ বোপাই মুখ খুলি মনৰ কথা কৈছে, মই ভাল পাইছোঁ। সত্যক মানি ল'লে ধৰ্ম পোৱা সহজ হয়। ভগৱান এইখন দেশৰ পৰা পলাইছে। আমাৰ জাগ্ৰত বলেৰে তেওঁক ঘূৰাই আনিব লাগিব।" (পৃঃ ২৬)। এই 'জাগ্ৰত বল' নাইবা সংগ্ৰামী চেতনাইহে মানৱ-মুক্তিৰ প্ৰকৃত সাধনা।



ধৰ্ম-ব্যভিচাৰৰ উপৰিও হাজাৰ-বিজাৰ কু-সংস্কাৰ, অন্ধবিশ্বাসে ৰক্ষণশীল সমাজ-ব্যৱস্থাক আবৰি আছে। এই কু-সংস্কাৰ, অন্ধবিশ্বাসৰ মূলতে কুঠাৰাঘাত কৰিব নোৱাৰিলে মানৱৰ বৈপ্লৱিক সাধনা ফলৱতী নহয়। ধনপুৰে তাকেই কৰিলে। ৰেল বগৰাবলৈ গোপনে সমবেত হোৱা গৰিলা-বাহিনীৰ লোকসকলৰ মূৰৰ ওপৰৰ চাল এখনত উৰি আহি পৰিল এটা নিয়ঁতী চৰাই। এই চৰাইটোক বধ কৰা দূৰৰ কথা; খেদি দিবৰ সাহসকণো হাতত বন্দুক লৈ থকা সংগ্ৰামীসকলৰ নাই। কিয়নো ই নিয়ঁতী। কিন্তু ৰক্ষণশীলতাৰ ঊৰ্দ্ধত থকা ধনপুৰৰ বাবে—ই একো নহয়—ই অন্য চৰাইৰ দৰে এটা সাধাৰণ চৰাই। ধনপুৰে বন্দুকৰ এটা গুলীৰে নিয়ঁতী চৰাইটো বগৰাই দিলে। মানৱ-মুক্তি সাধনাৰ অন্যতম অন্তৰ কু-সংস্কাৰ, অন্ধবিশ্বাসবোৰ যেন সংগ্ৰামীসকলৰ মনৰ পৰা বাগৰি পৰা নিয়ঁতী চৰাইটোৰ লগতে বাগৰি পৰিল। নিয়ঁতী চৰাইটো গুলীয়াই বগৰাই দিয়া ঘটনাটো 'মৃত্যুঞ্জয়'ৰ সৰ্বশ্ৰেষ্ঠ বৈপ্লৱিক ঘটনা বুলি কব পাৰি। নিয়ঁতী চৰাই গুলীয়াৱ পৰা সাহস আৰু তাৰ লগত সাঙোৰ খাই থকা মানসিক পৰিৱৰ্তন বিপ্লৱীসকলক যেন চৰম লক্ষ্যৰ পিনে আগুৱাই দিলে: "ধনপুৰে চৰাইটোলৈ চাই হাঁহিবলৈ ধৰিলে। সি ক'লে,—এইটোৱেই নে নিয়ঁতী! ইয়াৰ উৎপাতত ৰক্ষা পোৱা নাই। আটাইবোৰৰে ই ভয়ৰ কাৰণ। গতিকে ধনপুৰে ইয়াক বধ কৰিব এতিয়াই"— এইবুলি সোধ-পোছ নোহোৱাকৈ নিয়ঁতী চৰাইটো গুলী কৰি সি বগৰাই দিলে চালৰপৰা। তাৰ পাছত ক'লে, এতিয়া সকলোৰে ভয়ৰ কাৰণ আঁতৰিল এতিয়া আমি সকলো কমৰেদ।" (পৃঃ ৯৫)।

এনেদৰে, 'মৃত্যুঞ্জয়'ত প্ৰকৃত মানৱ-মুক্তি সাধনাৰ অঙ্কুৰ আছে। প্ৰকৃত মানৱ-সত্তা আৰু প্ৰকৃত মানৱ-প্ৰেমৰ মিলনে এই অঙ্কুৰত সাৰ-পানী যোগাইছে। এই অঙ্কুৰ পত্ৰে-পুষ্পে সুশোভিত হৈ এজোপা মহান মুক্তি-বৃক্ষত পৰিণত হোৱাৰ সপোনো আছে। এই অঙ্কুৰ হ'ল ধনপুৰ: অনন্ত সাধনাৰ প্ৰতীক শহীদ ধনপুৰ। "ধনপুৰ এটা গ'লে কি হ'ব, আৰু এশটা ধনপুৰ ইয়াত আছে।" (পৃঃ ১৭৬)। মুঠতে, মানৱ-মুক্তি সাধনাৰ দাৰ্শনিক তত্ত্বই 'মৃত্যুঞ্জয়'ক উপন্যাস সাহিত্যত মৃত্যুঞ্জয় কৰি ৰাখিব।

——

# কথা-ভক্তিৰত্নাকৰ ঃ গোপালচৰণ দ্বিজ

( আগৰ সংখ্যাৰ পিছৰ পৰা )

শ্ৰীনবীনচন্দ্ৰ গোস্বামী

(৩১) গোপালচৰণৰ ৩৬ মাহাত্ম্য, ৰামচৰণ আৰু দত্ত বৰুৱাৰ ৩৫। ৪। ২৯। ৩১ শ্লোকটো মাজুলী বাৰেঘৰ পুথিত আছে; কিন্তু এজনেও তাৰ অনুবাদ দিয়া নাই। গোপালচৰণে ৪। ২৯। ৩৬ ৰ অনুবাদো দিয়া নাই। ৰামচৰণত ৪। ২৯। ৩২ ৰ অনুবাদ আছে, গোপালচৰণত নাই। ভক্তিৰত্নাৱলীত ৪। ২৯। ৪০-৪১ দুটা শ্লোকৰ ব্যাখ্যামূলক অনুবাদ বহলকৈ আছে; ( পদ ৬১৯—২৪ ) ৰামচৰণত সিমান বহল নহয় আৰু গোপালচৰণতো সংক্ষেপ হৈছে। ৪। ২৯। ৪৫ ৰ অনুবাদ গোপালচৰণত যথাযথ নহয় আৰু ৰামচৰণতো ভাল অৰ্থ প্ৰকাশ হোৱা নাই। পুৰণাস্তৰৰ দুটা শ্লোকৰ অনুবাদ ৰামচৰণত নাই। দত্ত বৰুৱাৰ শ্লোক দুটা আছে। গোপালচৰণত কিছু কথা থাকি গৈছে। ৭। ১৯। ১৮ ৰ অনুবাদ ভক্তিৰত্নাৱলীত মাধৱদেৱে বিস্তাৰিতভাৱে কৰিছে ( ৮২৩—২৬ )। গোপালচৰণৰ অনুবাদ পাল মৰা ধৰণৰ। ৰামচৰণে ৩। ৬। ৩৭ শ্লোক পৰ্যন্ত অনুবাদ কৰি গ্ৰন্থ সমাপ্ত কৰিছে। পাছৰ ৯ টা শ্লোক প্ৰকৃততে এটা মাহা ]। গোপালচৰণে ৯টা শ্লোককেৰে ভক্তি অধিকাৰীৰ ভক্তিযোগ বুলি অধ্যায় এটা দিছে। মাজুলী আৰু বাৰেঘৰৰ পুথিত ঠিক সেইদৰে আছে। ৯টা শ্লোকৰ ভিতৰত ৭টা মূল আৰু দুটা টীকাত আধৃত। গোপালচৰণে স্বামীৰ ১০। ৮৭। ৩৮ ৰ টীকাধৃত শ্লোকৰ অৰ্দ্ধাংশ অনুবাদ কৰা নাই। এই ৯টা শ্লোক দত্ত বৰুৱাৰ মুদ্ৰিত গ্ৰন্থত নাই যদিও বাৰেঘৰ আৰু মাজুলীৰ পুথিত শ্লোকবিলাক আছে আৰু গোপালচৰণৰ অনুবাদো আছে। যদিও এই বিলাক প্ৰক্ষিপ্ত নহয় বুলি ঠাৱৰ কৰিব পাৰি।

(৩২) গোপালচৰণৰ ৩৭ মাহাত্ম্য দত্ত বৰুৱাৰ ৩৬ হৈ আছে। ১। ১। ১ ৰ স্বামী শ্লোকৰ অনুবাদত "দ্বাত্ৰিংশৎ ত্ৰিশপঞ্চ" শব্দৰ গোপালচৰণত 'পাঞ্চৰ-চল্লিশ' অনুবাদ আছে। ভুলটো কাৰ কৰ পৰা নাযায়। বাকী শ্লোকৰ গোপালচৰণে মাত্ৰ ভাৱানুবাদহে কৰিছে। টীকাৰ জটীলতা সহজভাৱে দূৰ কৰা নাযায়। সেই কাৰণে অনেক কথা গোপালচৰণত নাই। কিন্তু সেই বুলি অৰ্থৰ অস্পষ্টতা নাই। বৰং গোপালচৰণে চাৰিটা প্ৰমাদ উল্লেখ কৰি ন্যায় শাস্ত্ৰত তেওঁৰ পটুতাহে দেখাইছে। ১৭।১০ শ্লোক দত্তবৰুৱাত নাই, অন্য পাঠত আছে। ১। ১। ৩ ৰ মাধৱদেৱে সংক্ষেপতে যোৱা সুন্দৰ অনুবাদ কৰিছে ( ৬০৩ )। ১। ৭। ৫। শ্লোকটো দত্তবৰুৱা আৰু মাজুলীৰ পাঠত নাই। গোপালচৰণত এই শ্লোকৰ অনুবাদ নাই। ১। ৭। ৭ ৰ অনুবাদত এক অংশ গোপালচৰণত থাকি গৈছে "শোকমোহ ভয়াপহা" "হয়গ্ৰীৱ মহাবিদ্যা" পুৰাণান্তৰৰ এই শ্লোকটোৰ অনুবাদ গোপালচৰণত নাই। প্ৰকৃততে এইটো পদ্মপুৰাণৰ শ্লোক ( ৪৮। ৫৬ সৰ্গখণ্ড )। ১২। ১৩। ১১—১৪ শ্লোক কেইটাৰ একে লানিতে অনুবাদ কৰাত গোপালচৰণত এটা শাৰীৰ অনুবাদ পৰি গৈছে। বাৰেঘৰ পাঠত ১২। ১৩। ১৬ শ্লোকটো নাই; কিন্তু গোপালচৰণত তাৰ অনুবাদ আছে; দত্তবৰুৱা আৰু মাজুলীৰ পুথিতো এই শ্লোক আছে।



(৩৩) ৩৮ মাহাত্ম্যৰ (দঃ বঃ ৩৭) ১১। ১৯। ৩৯—৪৫ শ্লোক কেইটা গোপালচৰণে একে লেঠাৰিতে অনুবাদ কৰাটো যুক্তিযুক্ত হৈছে। ইয়াৰ টীকাৰ ব্যাখ্যা বিলাতৰ কোনো হীন-ডেঢ়ি হোৱা নাই।

বাদ পৰি যোৱা শ্লোক—ৰামচৰণে ৩, ৬, ৯, ৩০ মাহাত্ম্যত কিছুমান শ্লোক সংহৰাৰ কথা স্বীকাৰ কৰিছে। কিন্তু স্বীকাৰ নকৰা অনেক শ্লোক বাদ দিছে। ৩৫ মাহাত্ম্যৰ ৭+২ টা শ্লোক অনুবাদ নকৰি আৰু ৩৬, ৩৭, ৩৮ মাহাত্ম্য সমূলঃক্ষ এৰি সেই বিষয়ে একো কোৱা নাই। ৰামচৰণে বাদ দিয়া শ্লোকৰ তালিকা তলত দিয়া হ'ল।

২ মাহাত্ম্য — ৩।৫।২৪, ৪।২৩।২৫, ৪।২৩।২৮
৩ মাহাত্ম্য — ৫।১৩।২২, ১০।৪৮।৩০, ৪।২৪।৫৮,
১০।৫২।৫৪, ১০।৪৮।৩০, ১১।২৬।৩৩
৬ মাহাত্ম্য — ৪।২০।২৫, ৪।৭।৩২, ১০।৭।২, ১০।৩১।৯,
৪।৩০।৩২, ৪।৩০।৩৩, ৪।৩০।৩৫,
৪।৩০।৩৬, ৪।৩০।৩৭, ১০।৯।২১, ৩।৫।৪৬,
৬।৫।৪১
৮ মাহাত্ম্য — পদ্মপুৰাণৰ দুটা শ্লোক ৪৮।৫৬
৯ মাহাত্ম্য — ৮।৩।৪৯, ৮।২২।২৩
১০ মাহাত্ম্য — ৮।২৪।৮
১৪ মাহাত্ম্য — ১১।১২।৮
২০ মাহাত্ম্য — ১।৯।৩৬, ১১।৬।১৯, ১০।৪৭।৬৬,
১০।৮৭।২০, ১১।২৯।৪০
২৬ মাহাত্ম্য — ১।২।৩, ১১।৬।১৯, ১।৫।১১
২৭ মাহাত্ম্য — পুৰাণান্তৰৰ শ্লোক ২৭।১৬
২৮ মাহাত্ম্য — ৯।২।১২।৩০
৩৪ মাহাত্ম্য — ৩।১১।৩২
৩৫ মাহাত্ম্য — ২।৯।৩, ১০।৮৭।৩৮ ৰ টকাৰ শ্লোক,
৪।২০।৩১, ৫।১৮।৩, ৫।১৮।৪, ৫।১৯।১৩;
গীতা ৭।১৪

গোপালচৰণতো কিছুমান শ্লোক বাদ পৰিছে :

২ মাহাত্ম্য — নাৰদীয় পুৰাণ ৩২।৩৬, ৩২।৩২
১৫ মাহাত্ম্য — ১১।২৫।৩৫ টীকাত ধৃত
১৭ মাহাত্ম্য — ১১।৩।২৩
১৮ মাহাত্ম্য — ১১।১৪।৩৫
১৯ মাহাত্ম্য — ৬।১১ টীকাৰ শ্লোক, পদ্মপুৰাণ ১৫।১৪৮
ৰ ৩ টা, ১০।১৪।৩৫
২৩ মাহাত্ম্য — বৃহন্নাৰদীয় পুৰাণৰ শ্লোক এটা
৩৫ মাহাত্ম্য — ৩।১১।৩২, শান্তি শতকৰ ১টা
৩৬ মাহাত্ম্য — ৪।২৯।৩২
৩৭ মাহাতম্য ১।৭।৫, পদ্মপুৰাণ ৪৮।৫৬

সৌভাগ্যক্ৰমে ৰামচৰণত বাদ দি যোৱা শ্লোক বিলাক গোপালচৰণত আৰু পাছৰ জনত বাদ পৰা বিলাক আগৰজনত পাব পাৰি। এওঁবিলাকত নোপোৱা কিবা শ্লোক থাকিলে প্ৰক্ষিপ্ত বুলি ধৰিব পাৰি। কাৰণ দুয়োজন মূল পুথিৰ পৰা বহুকাল আঁতৰৰ লোক নহয়। দত্তবৰুৱাৰ মুদ্ৰিত পুথিত থকা দশটা ভক্তি নামৰ মাহাত্ম্যটো প্ৰক্ষিপ্ত আৰু মাজুলীৰ পুথিত থকা ভগবদভক্ত পদৰেণু মাহাত্ম্য আৰু শৰন মাহাত্ম্য পাছৰ কালৰ সংযোজন বুলি ঠাৱৰ কৰা যায়। ৰামচৰণ আৰু গোপালচৰণ উভয় ক্ষেত্ৰতে কিছুমান উল্লেখৰ ভুল দেখা যায়।

| ৰামচৰণ | অশুদ্ধ | শুদ্ধ | শ্লোক |
|---|---|---|---|
| ২ মাহাত্ম্য | বিংশতি | উনবিংশতি | ৫। ১৯। ২৪ |
| ৭ মাহাত্ম্য | দশমৰ | স্বামীটিকা | ১০। ৮৭। ২৫ |
| ১১ মাহাত্ম্য | প্ৰবুদ্ধ | পিপ্পলায়ন | ১১। ৩। ৪০ |
| ২২ মাহাত্ম্য | ভগৱন্তৰ উদ্ধৱৰ প্ৰতি | ভিক্ষুগীতাত ব্ৰাহ্মণৰ | ১১। ২৩। ৪৫ |
| ৬ মাহাতম্য | অষ্টম | অষ্টাদশ | ১। ১৮। ১০ |
| ১০ মাহাত্ম্য | বাইচ | বত্ৰিচ | ৩। ৩২। ২২ |
| ১৩ মাহাত্ম্য | একাদশ | দ্বাদশ | ১১। ১২। —১৫ |
| ২৭ মাহাত্ম্য | নৰসিংহ পুৰাণ | পদ্মপুৰাণ | |

গোপালচৰণ— কিছুমান মাহাত্ম্য আৰম্ভ কৰোঁতে সেই মাহাত্ম্যত সন্নিবিষ্ট শ্লোকৰ সংখ্যা দিয়া আছে। কিন্তু সেইবিলাক প্ৰায়ে ভুল। সেই ভুল গোপালচৰণৰ নে লিপিকাৰৰ তাক জনা নাযায়। বোধহয় লিপিকাৰৰ দোষত ষষ্ঠৰ ঠাইত অষ্ট, অষ্টৰ ঠাইত ষষ্ঠ পোৱা যায় আৰু বৈষ্ণৱানন্দ লহৰীৰ ঠাইত বৈষ্ণৱামৃত পোৱা যায়। তাৰ উপৰিও অনেক উল্লেখৰ ভুল আছে।

| মাহাত্ম্য | অশুদ্ধ | শুদ্ধ | শ্লোক |
|---|---|---|---|
| ৩ | চতুৰাশী | আঠচল্লিছ | ১০ । ৪৮ । ৩১ |
| ৭ | ছয় অধ্যায় | নৱম | ১০ । ৯০ । ৩৭ |
| ৮ | বিষ্ণু পুৰাণৰ অষ্টম | ষষ্ঠ | বিঃ পুঃ ২ । ৬ । ২৬ |
| ৯ | চতুৰ্থ | চতুৰ্দশ | ১১ । ১৪ । ২৮ |
| ১১ | চতুৰ্থ | চতুৰ্দশ | ১১ । ১৪ । ১২ |
| ১৪ | চতুৰ্থ | চতুৰ্দশ | ১১ । ১৪ । ২৪ |
| ১৬ | চতুৰ্থ | চতুৰ্দশ | ৫ । ১৪ । ৪৩ |
| ১৮ | পঞ্চমৰ পঞ্চম | প্ৰথমৰ পঞ্চম | ১ । ৫ । ১৭ |
| ৩০ | সূত | শুক | ৬ । ২ । ১১ |
| ৩৩ | প্ৰথম | পঞ্চম | ৫ । ১৯ । ২১ |
| ৩৫ | দশমৰ অষ্টাদশ | ঊনাশীতি | ১০ । ৮৯ । ১৫ |
| ৩৭ | পাঞ্চমন্দচল্লিছ | অষ্টমন্দ চল্লিছ | ১ । ১ । ১ টীকা |
| ২৭ | চতুৰ্থস্কন্ধৰ আশী | একত্ৰিছ | ৪ । ৩১ । ১২ |

৩০ মাহাত্ম্যৰ পৰা ৩৫ মাহাত্ম্যলৈকে গোপালচৰণ আৰু ৰামচৰণৰ অধ্যায়ৰ ক্ৰম নিমিলে। বাৰে ঘৰ আৰু আউনীআটী কমলাবাৰী আৰু বেঙেনাআটী সত্ৰত থকা সংস্কৃত ৰত্নাকৰৰ সম্পূৰ্ণ মিল আছে। মাজুলীৰ পুথিবিলাকত ভক্তপদ ৰেণু মাহাত্ম্য আৰু শৰণ মাহাত্ম্য দুটা অধ্যায় পোৱা যায়। কিন্তু বাৰেঘৰৰ পুথিত আৰু গোপালচৰণত এই উপৰত্না মাহা টা নাই। ভক্তপদৰেণু মাহাত্ম্যৰ ৪টা শ্লোক আগৰ মাহাত্ম্যবিলাকত আছে। গতিকে দ্বিৰুক্তিৰ কাৰণ নাই। এইটো মাহাত্ম্য প্ৰক্ষিপ্ত।

ৰামচৰণৰ পদৰ সৈতে শঙ্কৰদেৱৰ নিমিনৱসিদ্ধ পদৰ ব্যাপক সাদৃশ্য চকুত পৰে। ভক্তি ৰত্নাকৰৰ মুঠ হেজাৰ শ্লোকৰ ভিতৰত ১৫৫টা শ্লোক একাদশ স্কন্ধ। তাৰ ভিতৰত নিমিনৱসিদ্ধৰ ২য়ৰ পৰা ৫ম অধ্যায় ব্যাখ্যামূলক অনুবাদ আৰু স্বামীটীকাৰ প্ৰায়খন ব্যাখ্যা অসমীয়া পদত শঙ্কৰদেৱে বান্ধি থৈছে। ৰামচৰণে "পদ বিস্তৰক ভয়ে" বিস্তাৰিত আলোচনা স্থগিত ৰাখিছে। গোপালচৰণে এইবিলাক পদৰ পুথি চকুৰ আগত ৰখা নাই। ভক্তিৰত্নাকৰৰ ১৬২ টা শ্লোক ভক্তিৰত্নাৱলীত আছে। ৰত্নাৱলীৰ উদ্দেশ্য নৱধা ভক্তিৰ পৰ্যালোচনা আৰু তাৰ বক্তব্যখিনি কেৱল ভাগৱতত সীমিত। ভক্তি ৰত্নাকৰৰ উদ্দেশ্য তাতকৈ বহল আৰু ভাগৱতত নিবদ্ধ দৃষ্টিৰ নহয়। নানা দৃষ্টিভঙ্গীৰ পৰা সাম্প্ৰদায়িক ভক্তিৰ সৰ্বাঙ্গীন আলোচনা ভক্তিৰত্নাকৰত পৰিৱেশন কৰা হৈছে। শঙ্কৰদেৱে এই ভক্তি-ধৰ্মক দাৰ্শনিক ভিত্তিত প্ৰতিষ্ঠা কৰিবৰ কাৰণে জীৱ গোস্বামীৰ ষটসন্দৰ্ভ দৰে আলোচনাত ব্যাপৃত হোৱা নাই। উদাহৰণ স্বৰূপে ভাগৱতৰ ৩।৯।২-৪ শ্লোক তিনিটাৰ ব্যাখ্যাত নিৰ্বিশেষ আৰু সবিশেষ ব্ৰহ্মাৰ বা কাৰণাৰ্ণৱশায়ী, গৰ্ভোদকশায়ী আৰু ক্ষীৰোদশায়ী ব্ৰহ্মৰ আলোচনা স্বামীটীকাত বা ভক্তিৰত্নাকৰত পোৱা নাযায়। ভক্তিবিবেকত নৱধা ভক্তিৰ লগতে বৈধী সাধনৰ ওপৰত গুৰুত্ব দিছে আৰু ক্ৰিয়াকাণ্ডৰ প্ৰতি যথেষ্ট শ্ৰদ্ধা দেখুৱাইছে। ভক্তিৰ নানা প্ৰকাৰৰ বিশ্লেষণৰ আৰ্হি শঙ্কৰদেৱে হয়তো সাত্বত-তন্ত্ৰৰ পৰা গ্ৰহণ কৰিছে। ভক্তি সম্বন্ধীয় বিস্তৰ সংস্কৃত গ্ৰন্থৰ ভিতৰত ভক্তিৰত্নাকৰৰ এটা বিশিষ্ট স্থান আৰু অনন্য সাধাৰণ বৈশিষ্ট্য আছে যাৰ সমপৰ্যায়ৰ দ্বিতীয় গ্ৰন্থ পোৱা নাযায়।

দৈত্যাৰি ঠাকুৰৰ চৰিত্ৰৰ ৩৯ অধ্যায়ত আৰু ভূষণ দ্বিজৰ চৰিত্ৰৰ ৫৮২—৬২২ পদত কোৱা হৈছে যে শঙ্কৰদেৱে বৰপেটাত থাকোতে প্ৰথমে ভক্তিৰত্নাৱলী গ্ৰন্থখন দেখিবলৈ পায়। ভূষণ দ্বিজে ৬১০-১১ পদত কৈছে "কিন্তু শিৰভাগ নাহিকে গ্ৰন্থৰ কৃষ্ণৰ একশৰণ।" মাধৱদেৱে পাঠ কৰি শুনোৱাৰ পাছত "কৃষ্ণৰ শৰণ এক বিৰচন্ত ভক্তিক শ্ৰীমন্ত শঙ্কৰে শুনিলন্ত।" তাৰ পাছত মাধৱদেৱক পদ কৰিবলৈ আজ্ঞা কৰে। কিন্তু ভক্তিৰত্নাকৰৰ ষষ্ঠ মাহাত্ম্যৰ ১০।১।৪ শ্লোকৰ টীকাত স্বামীভাষ্যৰ লগত যোগ দি কোৱা হৈছে "ভক্তিৰত্নাকৰে অস্মিন্ যোজনা সপ্তবিধা অস্তি।" তদুপৰি লক্ষ্য কৰা যায় যে শ্লোকত স্বামী টীকা নাই অথচ কান্তিমালা টীকা আছে; সেই শ্লোকৰ ব্যাখ্যাত কান্তিমালাৰ কথাই ৰত্নাকৰত ঠাই পাইছে। ৰামচৰণ-গোপালচৰণেও কান্তিমালাৰ কথাৰ সৈতে পদ-কথা কৰিছে। যদিও ভক্তিৰত্নাকৰৰ শ্লোক বিলাকৰ প্ৰায় সমস্তখিনি টীকা স্বামীৰ পৰাই গ্ৰহণ কৰা হৈছে তথাপি হুবহু সমস্ত কথা ৰত্নাকৰ পুথিত নাই; অনেক স্থলত সংক্ষেপ আৰু বিস্তাৰ কৰা হৈছে। এই দুৰূহ কাম শ্লোক সংগ্ৰহকৰ্তাই নকৰিলে আনৰ পক্ষে সুসাধ্য নহয়। যিবিলাক শ্লোক অন্য পুৰাণৰ পৰা অনা হৈছে, সেইবিলাকৰ টীকা যদি শঙ্কৰদেৱে নকৰিলে আনৰ পক্ষে দুঃসাধ্য আছিল। উদাহৰণ স্বৰূপে ১৪ মাহাত্ম্যৰ ১০।১৪।২৪ ত স্বামী টীকা নাই কিন্তু কান্তিমালা আছে। প্ৰত্যেক শ্লোকৰ প্ৰসঙ্গ উল্লেখ কৰা আছে, এই কাৰ্য শঙ্কৰদেৱৰ নহলে আনৰ সাগৰত কাঠিজাল মৰা সম্ভৱ নহয়। চৰিত পুথিত থকা আখ্যান এটাত আছে যে শঙ্কৰদেৱে শৰণ নামৰ বিৰচন এটা নোপোৱাত অসন্তুষ্ট হৈছিল। পাছত গ্ৰন্থৰ শেষত তাকে দেখি আনন্দ পাইছিল আৰু কৈছিল যে সেই গ্ৰন্থ পূৰ্বে পোৱা হ'লে ভক্তিৰত্নাকৰ গ্ৰন্থ ৰচনা নকৰিলেহেঁতেন। কিন্তু এই আখ্যান অলীক, কাৰণ ভক্তিৰত্নাকৰত শৰণ নামৰ এটা মাহাত্ম্য ৰচনা কৰা নাই। অৱশ্যে প্ৰত্যেক মাহাত্ম্যৰ অন্তত একশৰণ কথা ঘোষণা কৰা আছে। অসমত শৰণ-দান আৰু গ্ৰহণ প্ৰথাটো শঙ্কৰদেৱৰ অতুলনীয় সৃষ্টি। দশ সংস্কাৰ থকা বা নথকা ব্ৰাহ্মণ, ব্ৰাহ্মণেতৰ সকলো জাতিকে এই উপায়েৰে বৃহৎ হিন্দু পৰিয়ালত ভুক্ত কৰিব পাৰি। দীক্ষাত গুৰুৱে শিষ্যত শক্তি সন্নিপাত কৰে কিন্তু শৰণত আত্মসমৰ্পণহে ঘটে, শক্তিপাত নহয়। শৰণৰ ক্ৰমত আগ-পাছ বিভিন্ন সম্প্ৰদায়ত হব পাৰে আৰু শৰণৰ পাছত অনুষ্ঠানৰ তাৰতম্য থাকিব পাৰে, কিন্তু মূল তিনি বা চাৰি শৰণ শঙ্কৰদেৱৰ বাহিৰে কাৰো সৃষ্টি নহয়। অসমৰ বৈষ্ণৱ সম্প্ৰদায়ত শৰণহে প্ৰধান, দীক্ষা নহয়। শঙ্কৰদেৱৰ বহুকালৰ পাছত শৰণ লৈ দ্বন্দ্ব-বিগ্ৰহ হৈছিল আৰু ৰুদ্ৰসিংহৰ দিনত ৰাজসভাত তাৰ বিচাৰো হৈছিল। কিন্তু ৰাজ আজ্ঞা ঘোষণাতেই স্থগিত হ'ল। নিৰ্বিবাদে শৰণ চলি থাকিল আৰু অব্ৰাহ্মণ গুৰুৱে শৰণ দিয়া প্ৰথা সমাজত অব্যাহত ৰূপে প্ৰৱৰ্তি ৰ'ল। শঙ্কৰদেৱতকৈ অলপ পৃথক শৰণৰ ৰীতি হয়তো উদ্ভাৱন হৈছিল কিন্তু সেইটো দীক্ষা নহয়, শৰণহে; বিলক্ষণ সুলক্ষণ যিয়েই নহওক লাগে। ভক্তিৰত্নাৱলী এখন প্ৰসিদ্ধ গ্ৰন্থ, প্ৰবাদমতে বিষ্ণুপুৰী সন্ন্যাসীয়ে ১২৫৫ শকতে কান্তিমালা টীকাৰে সৈতে তাক সংগ্ৰহ কৰিছিল। সুদীৰ্ঘ কাল বাৰাণসীত থকা শঙ্কৰদেৱে বাৰাণসীত ৰচিত এই প্ৰসিদ্ধ গ্ৰন্থৰ সম্ভেদ নোপোৱাটোহে বিস্ময়ৰ কথা। গোপালচৰণৰ কথা-ভক্তিৰত্নাকৰৰ পৰা সম্যক উপলব্ধি হয় যে শঙ্কৰদেৱৰ আৰু দামোদৰদেৱৰ ধৰ্মমত আৰু ভক্তি-সাধনত চৰিত বিলাকত যেনেদৰে জালপাত জোৰা দি আৰু কিছুমান সাতুত-নাতুত ঘটনা উদ্ভাৱন কৰি বিভেদ আৰু অপ্ৰীতিৰ গড় মাৰি থোৱা হৈছে সেইটো পৰৱৰ্তী কালৰ ৰচনা। দামোদৰদেৱৰ স্থাপিত বৈকুণ্ঠপুৰ সত্ৰত ভক্তিৰত্নাকৰ গ্ৰন্থৰ গভীৰ সমাদৰ নোহোৱা হলে বলদেৱ আৰু বংশীগোপাল গুৰু আৰু অন্যান্য বিশিষ্ট সন্তসকলৰ অনুপ্ৰেৰণা নাথাকিলে তাৰ কথা ভাঙনি কৰাটো কদাপিও নহলহেঁতেন। গীতা, ভাগৱত যেনে সন্মানিত শাস্ত্ৰ, তাৰ পাছতে ৰত্নাকৰো তেনে সমাদৰ প্ৰাপ্ত গ্ৰন্থ নিশ্চয় আছিল। গোপালচৰণে ঘোষণা কৰিছে 'এই কলিযুগত ঘাত হন্তে অনেক সম্প্ৰদা চলিছে সংসাৰ তাপ নিবাৰণৰ অৰ্থে হেনয় শঙ্কৰৰূপী শ্ৰীকৃষ্ণক প্ৰণামি আৰে বংশীগোপাল গুৰুৰ পাদপদ্মক হৃদয়ে স্মৰি পৰম সুমঙ্গল কৃষ্ণ-কথা কহো। আহে সভাসদ লোক দেশ ওহি কামৰূপে হৰিভক্তি নাছিল, পাষণ্ডৰ মত প্ৰৱৰ্তন

হৈছিল। কৃষ্ণৰ কৃপা মিলিল, শ্ৰীশংকৰ ৰূপে মহন্তসবৰ অগ্ৰগণী হৈয়া পাষণ্ডক দণ্ডিলে, এতেকে লোকত এই ভক্তি প্ৰচাৰিত হ'ল। তেন্তেসে সমস্ত লোকৰ বান্ধৱ, যাৰ পুণ্য যশে জগত ঢাকিল। যিটো মহাপুৰুষ শ্ৰীশংকৰৰ ভক্তি মহিমা কি কহিবো।' গ্ৰন্থৰ শেষত কৈছে 'মহা অগাধ শাস্ত্ৰ মহাপুৰুষ শ্ৰীশংকৰ ঈশ্বৰে সংগ্ৰহ কৰিলা। যাতো বেহাৰ নগৰে শ্ৰীদামোদৰ ক্ষেত্ৰত পৰম ভাগৱত শোভিত দেখি সেহি স্থানত বসি গোপাল নাম ভক্তি অধমে ই কথা নিবন্ধিলো। মহাপুৰুষ শ্ৰীশংকৰ ঈশ বিৰচিত ভক্তি-ৰত্নাকৰ গ্ৰন্থ সমাপ্ত হৈ'ল।'

গোবিন্দ দাসৰ সম্প্ৰদা চৰিত ৰুদ্ৰসিংহৰ ৰাজত্ব কালত ৰচিত; তেওঁ বনমালীদেৱৰ শিষ্য; গোপালচৰণ গোবিন্দ দাসৰ একপুৰুষ পূৰ্বৰ হব পাৰে। বনমালী দেৱৰ শিষ্যই উল্লেখ কৰিছে—'দেৱ দামোদৰে বোলয়, জানা গোপাল ( বংশী গোপাল ), মই যেমনে ভক্তিপথ জানিলো তাক তেমনে কহিয়ে, তুমি সাৱধানে শুনা। ওৰেষাৰ বাসুদেৱ নামে সন্ত, তাস্ত হেন্ত কৃষ্ণদেৱ বুলি জানিলো, ভক্তিৰ ক্ৰম নাজানিলো। আৰে শ্ৰীশংকৰৰ হন্তে আজ্ঞা পায়া ভাগৱত মত শৰণ ভজন ভক্তি জানিলো। মালা-মন্ত্ৰকো মোক দিলা। এতেকে মোৰ গুৰু শংকৰে জানিবা। তোমাত দৃঢ় কৰি কহিলো। তুমিও শংকৰৰ মত শ্ৰৱণ-কীৰ্ত্তন কৰা।' এই পুথি ১৬৩৫ শকত ৰচিত। 'শৰণ-সংহিতা' নামৰ গুৰু বিৰচিত ( সুকবি ৰচিত ? ) গ্ৰন্থৰ পাতনিত লিখা হৈছে যে ৰামৰাম গুৰুৰ হাতত 'শৰণ-সংহিতা' পঠাই দি চৈতন্যদেৱে দামোদৰদেৱক শৰণ দিছিল। শৰণ বা দীক্ষাৰ প্ৰসঙ্গত গুৰু-শিষ্যৰ সম্বন্ধ ডাকযোগে বা দূতকৰ্মৰ যোগে ভাৰতবৰ্ষৰ ক'তো হোৱা নাই আৰু নহয়। 'দেৱ-দামোদৰ গুৰু' নামৰ পুথিত কোৱা হৈছে যে হাজোত স্বয়ং নাৰদমুনি আৱিৰ্ভাৱ হৈ দামোদৰদেৱক শৰণ দিয়ে। নাৰদে দীক্ষা হে দিয়া উচিত আছিল আৰু নাৰদ পঞ্চৰাত্ৰ বা নাৰদীয় পুৰাণৰ ব্যৱস্থামতে ৰাধা-কৃষ্ণ-পূজাৰ শিক্ষা দিব লাগিছিল, কাৰণ এই পুৰাণতে

বৃন্দা গোপীৰ নিৰ্দেশত নাৰদে স্নান কৰি স্ত্ৰী ... হৈ লতামণ্ডপত কৃষ্ণৰ সৈতে ৰতি সুখ লাভ ... আখ্যান আছে। নাৰদ মুনিয়ে হাজোত ... অৱতীৰ্ণ হৈ শংকৰদেৱৰ শৰণ-প্ৰথা গ্ৰহণ কৰাৰ ... বাস্তৱ অৰ্থ নাই। চৈতন্য চৰিত সমূহত ৰাম... চক্ৰৱৰ্তীৰ নাম নাই। তেনে অন্য লোকৰ ... পৰা হাজোলৈকে পঠোৱাৰো কোনো সঙ্কেত ... কিন্তু লক্ষ্য কৰিবলগীয়া কথা এই যে বৈকু... বিগ্ৰহ বাসুদেৱ আৰু সেই প্ৰতিমা ওৰেষাৰ পৰা ... এই ভিত্তিৰ ওপৰতে আখ্যান সৃষ্টি হোৱা ... নহয়। গোপালচৰণৰ ৩৭ মাহাত্ম্যৰ আৰম্ভণি ... এনেকুৱা—

'যৎ সম্প্ৰদায়েন কলৌযুগে জনা:  
তৰন্ত্যযত্নেন ভৱাৰ্ণবং মহৎ  
ভূমিশকীৰ্ত্যা তপাৰ্ত বন্ধু  
শ্ৰীশংকৰং চেতাসি চিন্তয়ে সদা।'

৩৬ মাহাত্ম্যৰ শেষত লিখিছে 'হে ... লোক, দেৱ সহস্ৰসূৰ্য্য শ্ৰীশংকৰৰ যেন কৃপা-পূৰ্ণ ... ভক্তি-সম্প্ৰদায়ত ধৰি কলিযুগত কামৰূপ ... স্থানত মহামহন্ত শ্ৰীপুৰুষোত্তম, দামোদৰদেৱ ... দেৱাদি সবে প্ৰচাৰিলা।' এই কথা বৈকু... ধামত বান্ধনীদেৱ ( অৰ্জুনদেৱ ), বনমালী, বৃন্দা... ( মনোহৰ ), ডিমৰুৱা ৰৱচৰি, বৰ আতা, কমলা... নিত্যানন্দ, সনাতন, পদ্মপাণি, নিৰঞ্জন আদি ... বৈষ্ণৱ সন্তৰ সম্ভাত কোৱা হৈছে। চৈতন্য ... বল্লভীপন্থৰ উপাস্য যুগল মূৰ্ত্তি ৰাধাকৃষ্ণ, ... ধৰ্ম কেৱল শংকৰ দেৱৰহে। ভাগৱতত, হৰি... আৰু বিষ্ণুপুৰাণত নথকা সত্ত্বেও ৰাধাতত্ত্ব প্ৰতি... কৰা ৰূপ, সনাতন, জীৱ গোস্বামী, বৃন্দাবন ... বিশ্বনাথ কবিৰাজ আদিৰ মহৎ চেষ্টাৰ কাম। ... দেৱে এই তত্ত্ব প্ৰচাৰ কৰা নাই, দামোদৰী ... এই তত্ত্ব নাই। শৈৱ-শাক্ত আৰু বৌদ্ধ ... সহজ সাধন, স্ত্ৰী-পুৰুষৰ যুগল সাধন অসমত ...



এনে নহয়, কিন্তু দামোদৰ দেৱৰ প্ৰতিষ্ঠিত ধৰ্মত তাৰ গোন্ধ-ভাপ নাই। চৈতন্যীয়া সংকীৰ্তন প্ৰথাও দামোদৰ দেৱৰ সত্ৰ সমূহত নাই। স্বৰূপ কথাত শংকৰদেৱৰ শৰণ-ভজন প্ৰথা যি উৎসৱপৰাই আহৰণ কৰা হওক লাগে, অসম-কামৰূপৰ বৃহৎ জনগোষ্ঠীক আৰ্যীকৰণ কৰাৰ তাতকৈ উৎকৃষ্ট উপায় উদ্ভাৱন কৰা অসম্ভৱ। ব্ৰাহ্মণ-কায়স্থৰ গণ্ডীৰ ভিতৰলৈ বিৰাট অনাৰ্য গোষ্ঠী লোকক শুচিতা আৰু সদাচাৰ শিক্ষা দি বৰ্ণাশ্ৰম ধৰ্ম আৰু জাতি-বিভাগ ধ্বংস নকৰি তাৰ ছল-ছোং গুচাই উন্নত স্তৰলৈ অনাৰ উপায় আছিল শৰণ-ভজন আৰু তাৰ পাছত মালা-মন্ত্ৰ। জাতিগত দুৰ্ভেদ্য প্ৰাচীৰ এই প্ৰথাত নাছিল। বৃহত্তৰ উন্নত অসমীয়া সমাজ এখন গঢ়ি সাম্য আৰু প্ৰীতিৰ সোণৰ শিকলি বান্ধি দিয়াটো শংকৰদেৱৰ উদ্ভাৱনী শক্তিৰ চৰম নিদৰ্শন। এই দৃষ্টিত শংকৰৰূপী চন্দ্ৰৰ আগত অন্য ভাৰতীয় ধৰ্মগুৰু সকল জোনাকী পৰুৱাৰ দৰে হৈ পৰে।

ভট্টদেৱক অসমীয়া বৈষ্ণৱী গদ্য সাহিত্যৰ পথ-প্ৰদৰ্শক বুলি কোৱা হয়; কিন্তু তেওঁৰ অন্তৰালত যন্ত্ৰী স্বৰূপ আছিল দামোদৰদেৱ। গোপালচৰণৰ গ্ৰন্থৰ পৰা প্ৰমাণ হৈছে যে বৈকুণ্ঠপুৰ ধামত এই যন্ত্ৰ চলি আছিল আৰু দামোদৰদেৱৰ প্ৰয়াণৰ পাছত গোপালচৰণ বৈকুণ্ঠপুৰতে সাধুসকলৰ প্ৰেৰণাত দ্বিতীয়জন গদ্য সাহিত্যৰ প্ৰৱৰ্ত্তক হৈ উঠে। দুয়োজন গদ্য লেখক সমসাময়িক। ভট্টদেৱৰ 'ভক্তিবিৱেক' ১৫৪৩ শকত ৰচিত; কিন্তু তাৰ পূৰ্বেই তেওঁৰ কথা-সাহিত্য ৰচিত হয়। এই বৈষ্ণৱী গদ্যৰ প্ৰৱাহ আৰু শৈলী সোতৰ-ওঠৰ শতিকালৈকে প্ৰচলিত আছিল। কথা-ৰত্নাকৰৰ লিপিকাৰ পূৰ্ণকামৰ গদ্য একে চাঁচতে লিখা, আৰু তাক গোপাল চৰণৰ গদ্য বুলি ভ্ৰম হব পাৰে। দামোদৰদেৱ আৰু তেওঁৰ স্থাপিত বা আজ্ঞাপৰ সত্ৰত গদ্য ৰচনাৰ এটা প্ৰবল-স্ৰোত প্ৰৱাহিত আছিল। নিজে কোনো শাস্ত্ৰ ৰচনা নকৰিলেও দামোদৰদেৱ অসমীয়া গদ্য সাহিত্যৰ পৰোক্ষ প্ৰেৰণাদাতা আছিল। তেওঁৰ পন্থৰ সত্ৰ সমূহত এই উৎসাহ জাগ্ৰত হৈ আছিল।

পূৰ্ণকাম — কামৰূপ-অসমৰ বিভিন্ন ধৰ্মসম্প্ৰদায়ৰ অধিকাৰ পদস্থ শত শত গুণী পুৰুষৰ মাজত পূৰ্ণকাম এজন অশেষ গুণ-বিখ্যাত পাৰদৰ্শী ব্যক্তি যাৰ সমকক্ষ সহজে বিচাৰি উলিয়াব পৰা নাযায়। বাৰেঘৰ সত্ৰত প্ৰচলিত ঝুনাৰ পৰা আৰু মোহমুদগৰৰ পদ পুথিৰ পৰা তেওঁৰ পৰিচয় পোৱা যায়। বাৰেঘৰ সত্ৰত মাধৱ কন্দলিৰ লঙ্কাকাণ্ড আৰু শংকৰদেৱৰ অজামিল উপাখ্যানৰ বিস্তৰ চিত্ৰেৰে সুশোভিত দুখন তুলাপাতৰ পুথি আছে। তুলাপাতবোৰত শঙ্খ বা খিলাৰে ঘঁহি নিমজ কৰি বহুৰঙৰ চিত্ৰ আঁকা আছে। প্ৰত্যেক পৃষ্ঠাৰে চাৰিও-ফালে অত্যন্ত কাৰুচিত্ৰ যুক্ত পাৰি দিয়া আছে আৰু প্ৰত্যেকৰে পাৰিৰ ফুলকাম পৃথক। হাতেৰে লৰা-চৰা কৰি থকাত কিছুমানৰ ৰং উঠি গৈছে আৰু কিছুমান নিগনিয়ে কুটি পেলাইছে। প্ৰত্যেক চিত্ৰৰে ৰচনা-কৌশল কিবা বিশেষত্বযুক্ত, ৰঙৰ নিৰ্বাচন আৰু সংমিশ্ৰণ দক্ষতা-পূৰ্ণ। কথা-ৰত্নাকৰৰ শেষত লিপিকাৰ পূৰ্ণকামৰ স্বৰচিত এটা সংস্কৃত শ্লোক আছে। মোহমুদ্‌গৰৰ পদত সংস্কৃত শব্দৰ ঝঙ্কাৰ আৰু ছন্দ অসমীয়া পদত ৰক্ষিত হোৱা নাই, কিন্তু ভাৱ-অৰ্থৰ প্ৰকাশত কোনো ব্যতিক্ৰম ঘটা নাই। তাৰ বাহিৰেও অপ্ৰকাশিত অৱস্থাতে থকা পূৰ্ণ-কামৰ চতুৰ্থ স্কন্ধৰ পদ-ভাঙনি, কেইবাখনো অঙ্ক, গীত, ভটিমা আৰু ঘোষা তেওঁ ৰচনা কৰিছিল।

ঝুনা— ইবাৰ শ্ৰীগোবিন্দ তাত, সুধৰ্মা মাতৃ, দুইত  
হন্তে জাত বাণ প্ৰাণ বস শশী শকত চলিহা  
সত্ৰত ৰহি বিখ্যাত পঞ্চমী তিথি শুক্ৰ শনিবাৰ,  
বৈশাখ দিৱসত অৱতাৰ পায়ে ভৈলা শাস্ত্ৰ  
পঢ়িবে মতি, পঢ়াইলা অমৰীয় ভাগৱতী ব্যাকৰ্ণ  
কাব্য-কোষ ভাগৱত, ভক্তিপৰ আনো শাস্ত্ৰ  
সমস্ত দুচণ্ডি গুণৰ অৰ্থ বিচাৰ কৰিয়া কৰিল  
এক পয়াৰ গীত ঘোষা ঝুনা তোটক ছন্দ  
চতুৰ্থ স্কন্ধৰ পদনিবন্ধ পাণ্ডৱী গীতা সুধাঙ্কুৰ

ৰচিলা পদ মোহমুদ্গৰ, কৰিলা কথাবন্ধ ৰচন, ৰচিলা অঙ্ক আৰু চাৰিখন, কৰিলা শিশুলীলা ৰাজসূয় মহেশ মোহন ৰাজবিজয়। পাছে চলিহাত সাতবিংশ বৰ্ষ প্ৰকাশ কৰিলা মহাধৰ্ম যশ সপ্ত শূন্য অগ্ৰ শশীশকত চৰিলা গৈয়া দিব্য বিমানত।

মোহমুদ্গৰ —

জয় নমো পূৰ্ণ মোৰ গুৰু শ্ৰীৰামক
কুশতা খণ্ডন আৰু বাঞ্ছিত দায়ক
তাহান আত্মজ গুণবন্ত ধৰ্মবন্ত
বেদজ্ঞ সুশান্ত দেৱ পুৰুষ মহন্ত
হেনদেৱ গোবিন্দ অভীষ্ট দাতা সাৰ
তাহাঙ্ক প্ৰণামো মাথা বৌক বাৰম্বাৰ—৪/৫

কথা-ৰত্নাকৰত— কাৰ্তিকস্য সিতেপক্ষে তৃতীয়ায়াং গুৰোদিনে ৰামচন্দ্ৰ বাঙ্ক বিৰৌ শাকে সত্ৰে চলিসাখ্যকে লিখিতা পূৰ্ণকামেন ৰত্নাকৰ কথা শুভা।

পূৰ্ণকামে ১৮ বছৰ বয়সতেক পা-ৰত্নাকৰ ৰচি কৰিছিল। বাল্যকালৰ পৰা তেওঁৰ প্ৰতিভা আৰু বিদ্যোৎসাহ প্ৰতীয়মান হৈছিল।

## অসমৰ অস্তিত্ব-ৰক্ষাৰ সংগ্ৰামত চাহমজদুৰসকলৰ ভূমিকা

শ্ৰীসুশীল কুৰ্মী

ছিটো সময়ত বিদেশী নাগৰিকৰ বহিস্কৰণৰ দাবীত পৰিয়াৰ পৰা ধুবুৰীলৈকে গোটেই অসমতে এক অভূতপূৰ্ব জনজাগৰণৰ সৃষ্টি হৈ অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে সকলো। অৱতীৰ্ণ হৈছে ঠিক তেনে এটি সময়ত চাহ-মজদুৰ সকলৰ মাজত বিশৃংখলাৰ সৃষ্টি কৰিবলৈ সুবিধাবাদী ৰাজনৈতিক দালালহঁতে উঠি পৰি লগা দেখা গৈছে। চাহ-মজদুৰ সকলৰ সৰলতাৰ সুযোগ লৈ তেওঁলোককো এদিন অসমৰ পৰা অসমীয়া সকলে খেদিব আৰু এই আন্দোলনত যোগ দিলে নিজৰ বিপদ নিজে মাতি অনা হব বুলি তেওঁলোকৰ মাজত প্ৰচাৰ কৰা হৈছে। তলে তলে সংখ্যালঘু ছাত্ৰ সন্থাৰ পাত ধাৰাবে আগবঢ়া এচাম সুবিধাবাদীয়ে এই আন্দোলনৰ বিফলতা কামনা কৰি চাহ-মজদুৰ সকলক বিপথে পৰিচালিত কৰিবলৈ যত্ন কৰা দেখা গৈছে।

কিন্তু তেওঁলোকে জনা উচিত যে এই আন্দোলন হৈছে বিদেশী খেদা আন্দোলন; অসমৰ চাহ-মজদুৰ সকল বিদেশী নহয়। বৰা-দত্ত-শইকীয়া প্ৰভৃতিৰ যি অধিকাৰ অসমত আছে, ঘাটো-তাঁতী-কুৰ্মীহঁতৰো সেই একে অধিকাৰ আছে।

সুখৰ বিষয় এই যে আজি চাহ-মজদুৰ সকলে নিজকে অসমীয়া বুলি বুজি উঠিছে আৰু সেয়ে আজিৰ বিদেশী সমস্যাক নিজৰ সমস্যা হিচাপে গণ্য কৰি স্বতঃস্ফূৰ্তভাৱে সংগ্ৰাম ধৰ্মীলৈ ওলাই আহিছে। আন্দোলনত চাহ-মজদুৰ সকলে সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰা দেখা গৈছে। নিদৰ্শন স্বৰূপে তাৰে কেইটামান উদাহৰণ তলত দাঙি ধৰা হল।

চাবুৱাৰ এখন চাহবাগিচাৰ মজদুৰ সকলে এজন বিভেদকামী লোকক উত্তম-মধ্যম দি পুলিচৰ হাতত গতাই দিয়ে। এনে বিভেদকামী লোকৰ পৰা সাৱধান হবলৈ জনদিয়েক চাহমজদুৰ বিধায়কে চাহ-মজদুৰ সকলক সকিয়াই দিয়ে।

মৰাণত ৪০খন চাহবাগিচাৰ মজদুৰ সকলে গোটখাই এক বিৰাট ৰাজহুৱা সভা পাতে। সভাত বৰ্তমান পৰিস্থিতি আৰু সংগ্ৰামৰ ওপৰত বিশদ ভাবে আলোচনা কৰি বিভেদকামী শক্তিৰ প্ৰৰোচনাত পৰি চাহমজদুৰ সকলৰ মাজত যি ভুল বুজা-বুজিৰ উদ্ভৱ হৈছে তাৰ বাবে অনুতাপ কৰি বিভেদকামী সকলক পৰিহণা দি উৰা বাতবিৰ ওপৰত কাণ নিদিবলৈ চাহ মজদুৰ সকলক অনুৰোধ কৰি সৰ্ব-সম্মতি ক্ৰমে বিপুল হৰ্ষধ্বনিৰ মাজত নিম্ন লিখিত প্ৰস্তাৱ সমূহ গ্ৰহণ কৰা হয়।

(১) ভাৰতীয় সংবিধান অনুসৰি ১৯৪৮ চনৰ ১৯ জুলাইৰ পিছত অসমলৈ অহা আৰু ভাৰতীয় নাগৰিকত্ব নোপোৱা সকলো মানুহেই বিদেশী আৰু এই সকল লোকৰ অসম তথা ভাৰত ভূমিত থকাৰ কোনো অধিকাৰ নাই।

(২) ভোটাৰ তালিকাত এজনো বিদেশীৰ নাম

থকালৈকে অসমত কোনো নিৰ্বাচন হ'ব নোৱাৰে।

(৩) চাহমজদুৰ সকলৰ মাজত সংঘৰ্ষ লগাবলৈ চেষ্টা কৰা বিচ্ছেদকামী লোকক ধৰা পেলাই শাস্তি বিহিব লাগে বুলি চৰকাৰক দাবী কৰে।

(৪) বিদেশী নাগৰিকক প্ৰশ্ৰয় দিয়া আৰু সিহঁতৰ হকে মাত মতা সকলৰ উপযুক্ত শাস্তি দিব লাগে বুলি দাবী কৰে।

অসম চাহমজদুৰ সংঘৰ মাৰ্ঘেৰিটা শাখা আৰু স্থানীয় বাগিচা সংঘৰ যুগ্ম সভাত সাম্প্ৰতিক পৰিস্থিতিৰ ওপৰত বিতং ভাবে আলোচনা কৰি অভাৰতীয় লোকক ভাৰতীয় সংবিধান অনুসৰি কেৱল যে ভোটাৰ তালিকাৰ পৰাই বাদ দিব লাগে এনে নহয়, সিবিলাকক চিনাক্ত কৰি অসমৰ পৰা বহিষ্কাৰ কৰিব লাগে বুলি দাবী জনায়।

মজদুৰ নেতা শ্ৰীলক্ষ্মণচন্দ্ৰ কৰ্মকাৰৰ সভাপতিত্বত বহা অসম চাহমজদুৰ সংঘৰ বোকাখাট শাখা আৰু অসম চাহকৰ্মচাৰী সংঘৰ সভাত সাম্প্ৰতিক আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই বিদেশী নাগৰিকৰ নাম ভোটাৰ তালিকাৰ পৰা বাদ কৰি অসম ভূমিৰ পৰা তেওঁলোকক সম্পূৰ্ণ ভাবে বহিষ্কাৰ নকৰা পৰ্যন্ত অসমত কোনো নিৰ্বাচন হ'ব নোৱাৰাৰ কথা ঘোষণা কৰে।

সৰ্বশ্ৰী চিলভিয়াচ কন্দপান, দীপক মুৰ্মু, নীলেশ্বৰ তাঁতী, আকলিয়াচ তিৰ্কি, সত্য তাঁতী আৰু জয়চন্দ্ৰ নাগবংশী আদি চাহমজদুৰ বিধায়ক সকলে এক বিবৃতি যোগে ব্যক্ত কৰে যে মনে-প্ৰাণে অসমীয়া আৰু অসমীয়া সমাজৰ অংগ স্বৰূপ চাহমজদুৰ সকলৰ মাজত অসমীয়া বিৰোধী মনোভাব জগাই তুলিবলৈ এচাম বিচ্ছেদকামী লোকে দিনে ৰাতিয়ে চেষ্টা কৰি আছে; কিন্তু সেই বিচ্ছেদকামীইতে জনা উচিত যে চাহমজদুৰ সকল যুগ যুগ ধৰি অসমত আছে আৰু সদায় অসমীয়াৰ লগতে বসবাস কৰিব আৰু আহোম সকল অসমীয়াৰ ঘাঁই সুঁতিৰ লগত মিলি যোৱাৰ দৰে তেওঁলোকো মিলি যোৱাৰ পথত — ইয়াক কোনেও ৰোধ কৰিব নোৱাৰে।

চাহমজদুৰৰ স্বাৰ্থ থিলঞ্জীয়া অসমীয়াৰ সৈতে ওতঃপ্ৰোতঃ ভাবে জড়িত; অসমৰ সুখ-দুখেই তেওঁলোকৰ সুখ-দুখ যেতিয়া অসমৰ বৰ্তমান তেওঁলোকে নিজ অধিকাৰ কাম-চিন্তা আৰু আদৰ্শৰ যোগেদি সাধ্য কৰিব লাগিব বুলি অসম চাহমজদুৰ সাহিত্য-সংস্কৃতি পৰিষদৰ উপ সভাপতি সুসাহিত্যিক শ্ৰীদেওৱান তাঁতী পৰিষ্কাৰ ভাবে ব্যক্ত কৰিছে।

অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত পূৰ্ণ সমৰ্থন আগবঢ়াই বিদেশীৰ পৰা অসম মুক্ত কৰিবলৈ চাহমজদুৰ সকল দৃঢ় প্ৰতিজ্ঞ বুলি অসম চাহ মজদুৰ জনজাতি-ছাত্ৰ সন্থাৰ সভাপতি বিতৰ্কিত লেখক শ্ৰীশীলে তাঁতীয়ে উচ্চস্বৰে ঘোষণা কৰিছে।

উক্ত সন্থাৰ সাধাৰণ সম্পাদক শ্ৰীবাৰ্কী প্ৰসাদ তেলেঙ্গা আৰু সহকাৰী সাধাৰণ সম্পাদক শ্ৰীনৰেশ চন্দ্ৰ তাঁতীয়ে সন্থাৰ প্ৰতিনিধি হিচাপে সদৌ অসম ছাত্ৰ সন্থাৰ কাৰ্য-নিৰ্বাহক সদস্যৰ দায়িত্ব নিষ্ঠাৰে হিচাপে পালন কৰি চাহমজদুৰ সকলক সক্ৰিয় ভাবে আন্দোলনত জড়িত কৰাই থিলঞ্জীয়া অসমীয়াৰ সৈতে সমন্বয়ৰ সেতু গঢ়ি তোলাত যথেষ্ট অৰিহণা যোগাইছে।

সাম্প্ৰতিক গণ-আন্দোলনৰ ওপৰত ভিত্তি কৰি গত ডিচেম্বৰ (৭৯) মাহৰ ৭, ৮ আৰু ৯ তাৰিখে যোৰহাটত তিনিদিনীয়াকৈ বহা অসম চাহমজদুৰ জন-জাতি ছাত্ৰ সন্থাৰ বিশেষ সন্মিলনত বৰ্তমান পৰিস্থিতিত চাহমজদুৰ সকলে কি ভূমিকা লোৱা উচিত এই বিষয়ে বিশদ ভাবে আলোচনা কৰি ভোটাৰ তালিকাৰ পৰা বিদেশী নাগৰিকৰ নাম বাতিলকৰণ, অসমৰ পৰা সিহঁতক বহিষ্কাৰ নকৰা পৰ্যন্ত নিৰ্বাচন বৰ্জন, চলি থকা আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগ বঢ়োৱা কথা ঘোষণা কৰি সৰ্বসন্মতিক্ৰমে বিপুল হৰ্ষধ্বনিৰ মাজত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

অসম চাহ-শ্ৰমিক সংঘ আৰু অসম চাহ-মজদুৰ জন-জাতি-ছাত্ৰ সন্থাৰ সৌজন্যত চাহমজদুৰ জনগোষ্ঠীৰ মাজত সংহতি অটুট ৰাখি সংঘবদ্ধভাবে কাম কৰি



চলিত সংগ্ৰামক সফল কৰি তোলাৰ উদ্দেশ্যে আঠাবাৰী চাহবাগিচাত এক চাহ-শ্ৰমিক সমাৰোহ পতা হয়।

অসম চাহ মজদুৰ সংঘৰ নগাওঁ শাখাই এক জৰুৰী গোচৰি-পত্ৰৰ যোগেদি অসমৰ এই গুৰুত্বপূৰ্ণ সন্ধিক্ষণত অসমৰ সংগ্ৰামী জনতাৰ লগত ঐক্যবদ্ধ ভাবে থিয় দিবলৈ আৰু ন্যস্ত স্বাৰ্থৰ অপ-প্ৰচাৰৰ বিৰুদ্ধে সতৰ্ক হৈ থাকিবলৈ চাহমজদুৰ সকলক আহ্বান জনোৱা হয়।

দুলীয়াজানৰ হত্যাকাণ্ড, উত্তৰ কামৰূপত সামৰিক বাহিনীৰ অত্যাচাৰ-উৎপীড়ন আৰু কাছাৰৰ অসাংবিধানিক নিৰ্বাচনৰ বিৰুদ্ধে প্ৰতিবাদ জনাই ২১ জানুৱাৰীত (৮০) সদৌ অসম ছাত্ৰ সন্থাই আহ্বান কৰা এদিনীয়া কলা দিৱস আৰু সৰ্বাত্মক অসহযোগ আন্দোলনত স্বতস্ফূৰ্ত ভাবে সহাৰি জনাই আটাবিথাত চাহবাগিচাৰ মজদুৰ সকলে এদিনৰ দৰমহা হেৰুৱায়ো আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াই থকাৰ দৰে অসমৰ ৭৫৮ খন চাহবাগিচাৰ সমূহ চাহমজদুৰ আৰু গাৰ্ডবাসী সমূহ প্ৰাক্তন চাহমজদুৰে অকুণ্ঠ সমৰ্থন আগবঢ়াই থকা দেখা গৈছে।

সংখ্যালঘু ছাত্ৰ-সন্থাৰ এটা সজাতি দলে ১০ জুন ('৮০) তাৰিখে নতুন দিল্লীত প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা গান্ধীৰ লগ ধৰি স্মাৰক পত্ৰ দাখিল কৰোঁতে অসমৰ চাহ মজদুৰ সকলো উক্ত সন্থাৰ অংশীদাৰ বুলি উল্লেখ কৰাৰ কথা প্ৰকাশ পোৱাৰ লগে লগে অসম চাহমজদুৰ সাহিত্য-সংস্কৃতি পৰিষদৰ সাধাৰণ সম্পাদকে চাহমজদুৰৰ লগত কোনো সম্পৰ্ক নথকা সত্ত্বেও মিছাকৈ সাঙুৰি লোৱা বাবে উক্ত সন্থাক সতৰ্ক কৰি দি ৰাষ্ট্ৰবিৰোধী ষড়যন্ত্ৰকাৰী লোকৰ পৰা সাৱধানে থাকি শান্তি-ঐক্য-সম্প্ৰীতি বজাই ৰাখিবলৈ সকলো চাহমজদুৰকে আহ্বান জনায়।

সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদৰ আহ্বানত ১৪ মে ('৮০) তাৰিখে মৰাণত অনুষ্ঠিত কৰ্মচাৰী নিৰ্যাতন প্ৰতিবাদ দিৱসৰ সভাত সভাপতিৰ আসনৰ পৰা অসম চাহমজদুৰ সংঘৰ সভাপতি শ্ৰীনাৰদ কুমাৰ আৰু নিৰ্দিষ্ট বক্তাৰ আসনৰ পৰা উক্ত সংঘৰ যুটীয়া সাধাৰণ সম্পাদক শ্ৰীমদন সিং ঘাটোৱাৰে প্ৰায় কুৰিখন চাহবাগিচাৰ পুৰুষ-মহিলা চাহমজদুৰে অংশ গ্ৰহণ কৰা প্ৰায় ১০ হেজাৰতো অধিক লোকৰ উপস্থিতিত ৰাইজৰ বিপুল হৰ্ষধ্বনিৰ মাজত অসম মাতৃৰ অস্তিত্ব ৰক্ষাৰ সাম্প্ৰতিক আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি আগবাঢ়ি আহিবলৈ চাহমজদুৰ সকলক উচ্চ স্বৰে আহ্বান জনায়।

অসম আন্দোলনৰ বিকৃত আৰু অসত্য বাতৰি প্ৰচাৰ কৰাত সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ প্ৰতি সহাৰি জনাই অসম সাহিত্য সভাৰ কাৰ্য নিৰ্বাহক সদস্য আৰু অসম চাহমজদুৰ সাহিত্য-সংস্কৃতি পৰিষদৰ সাধাৰণ সম্পাদক এই প্ৰবন্ধ লেখকে আকাশবাণী গুৱাহাটী কেন্দ্ৰই দিয়া কাৰ্য-সূচীৰ চুক্তি পত্ৰ অগ্ৰাহ্য কৰি উক্ত কেন্দ্ৰলৈ ঘূৰাই পঠিয়ায় আৰু আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত চাহ-বনুৱাৰ অনুষ্ঠান "আঁসৰ"ৰ লগত অসহযোগ কৰিবলৈ সমূহ চাহমজদুৰক আহ্বান জনায়।

চালনা চাহবাগিচাত ১৫ মে ('৮০) তাৰিখে অসম চাহমজদুৰ সংঘ আৰু চাহ কৰ্মচাৰী সংঘ নগাওঁ শাখাৰ যুটীয়া সভাত অসমৰ চাহমজদুৰ সকল ভাৰতীয়, আৰু হাড়ে-হিমজুৱে অসমীয়া আৰু অসমৰ স্বাৰ্থই তেওঁলোকৰ স্বাৰ্থ বাবে অসমবাসীয়ে চলোৱা সাংবিধানিক ন্যায়সঙ্গত আৰু শান্তিপূৰ্ণ আন্দোলনৰ প্ৰতি বাগিচাবাসীৰ পূৰ্ণ সমৰ্থন থকাৰ কথা ঘোষণা কৰি কিছুমান ৰাজনৈতিক চক্ৰই চাহমজদুৰ সকলৰ মাজত বিভাজন সৃষ্টি অপপ্ৰচাৰ চলোৱাত তীব্ৰ গৰিহণা দিয়ে।

শিমলীতলা চাহবাগিচাত বাগিচা সংঘৰ সাধাৰণ সম্পাদকৰ সভাপতিত্বত বহা এক বিৰাট ৰাইজৰ সভাত চাহমজদুৰসকলৰ অসমীয়া ভাষা-সংস্কৃতিলৈ মহান অৱদানৰ কথা দোহাৰি ৰাজনৈতিক দালাল

আন্দোলনত প্ৰলোভিত নহৈ শান্তি-সম্প্ৰীতি অটুট ৰাখি বিদেশী বহিষ্কৰণ আন্দোলনলৈ পূৰ্ণ সমৰ্থন আগবঢ়াবলৈ সৰ্বসন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

শ্ৰীবাহাদুৰ তাঁতীৰ সভাপতিত্বত সোণবাৰী চাহ-বাগিচাত বহা বিশ্বনাথ শাখা অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ সাধাৰণ সভাত বিদেশী নাগৰিকক ভোটাৰ তালিকাৰ পৰা বাদ দি বহিষ্কাৰ নকৰালৈকে ৰাজ্য জুৰি চলা এই গণ-সংগ্ৰামত সক্ৰিয় ভূমিকা লোৱাৰ কথা ঘোষণা কৰা হয়।

কেহেং চাহবাগিচাত ২ মাৰ্চ (৮০) তাৰিখে হোৱা শ্ৰমিক সমাবেশত সৰ্বশ্ৰী গুণাভিৰাম তাম্ৰা, দীনেশ্বৰ তাঁতী, হীৰালাল দাস, গোমস্তা বাহন, মেঘ ৰাজ-কৰ্মকাৰ, নৰেণ তাঁতী, হৰি চাহ প্ৰমুখ্যে আদি কেইজন ব্যক্তিয়ে অসমৰ সাংস্কৃতিক বাই স্মৃতিৰ অবিচ্ছেদ্য অংগ স্বৰূপ চাহশ্ৰমিক সকলক বিপথগামী শক্তিৰ প্ৰতি সাৱধান হবলৈ সকিয়াই দি চলিত আন্দোলনত সক্ৰিয় ভাবে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়।

সাম্প্ৰতিক আন্দোলনত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰি কৌপাতী বল্লভভাই পেটেল উচ্চ ইংৰাজী বিদ্যালয়ৰ নৱমমান শ্ৰেণীৰ ছাত্ৰ আৰু স্বেচ্ছা-সেৱী বাহিনীৰ নায়ক শ্ৰীৰাধনা ওৰাঙে ১১ জুলাই ('৮০) তাৰিখে আততায়ীৰ হাতত মৃত্যু বৰণ কৰিব লগা হয়।

গোৱালপাৰা জিলাৰ শ্ৰীৰামপুৰ পাৰ্ট সভাৰ সভাপতি শ্ৰীপেটেৰ মুৰ্মুৰ নেতৃত্বত আদিবাসী চাওঁতাল সম্প্ৰদায়ৰ নেতৃস্থানীয় লোকৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ স্থানীয় উপপ্ৰতি সমাহৰ্তাৰ হাতত যোৱা ২৯ আগষ্ট অৰ্পণ কৰি সমগ্ৰ অসমৰ চাওঁতাল অধ্যুষিত গাঁওসমূহ পাৰ্ট অঞ্চলৰ পৰা বিদেশী নাগৰিক বহিষ্কাৰ কৰালৈকে লোকপিয়লৰ কাম কৰিবলৈ দিয়া নহয় বুলি স্পষ্ট মত দাঙি ধৰি আন্দোলনৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়ায়।

মুঠতে 'আলাম হামনিকে হামনি আসামকে' বুলি কোৱা অসমৰ চাহমজদুৰে অসমৰ এই আন্দোলনক পূৰ্ণ সমৰ্থন আগবঢ়োৱা দেখা গৈছে।

---

# নলিনীবালা দেৱীৰ কাব্যত দাৰ্শনিক তত্ত্ব

শ্ৰীনৱনাথ ভট্টাচাৰ্য

ব্যুৎপত্তি অনুসাৰে 'দৰ্শন' শব্দৰ অৰ্থ হৈছে দেখাৰ ক্ৰিয়া বা উপায়। 'দৃশ্যতে অনেন ইতি দৰ্শনম্' এই জনপ্ৰিয় উক্তিৰ মতে সত্য অথবা বস্তুৰ তাত্বিক স্বৰূপটো দেখাক দৰ্শন বোলা হয়। আন কথাত কবলৈ হলে ব্ৰহ্ম, জীৱ, জগত, মায়া, মুক্তি ইত্যাদি তত্ত্বৰ জ্ঞানোপলব্ধি নাম দৰ্শন। উপনিষদত কোৱা 'ব্ৰহ্মবিদ্যা' দৰ্শনৰেই পৰ্যায়বাচক। এই বিদ্যা সকলো বিদ্যাতকৈ শ্ৰেষ্ঠ আৰু সকলো বিদ্যাৰ নিয়ামক।[১] গীতাৰ মতে এই বিদ্যা স্বয়ং ঈশ্বৰৰ এক ৰূপ।[২] এই জ্ঞানে চিন্তাশীল বিবেকী মানুহৰ জীৱনক নানা প্ৰকাৰে প্ৰভাবিত কৰে। তাত্বিক জ্ঞানৰ অনুৰূপে মানুহৰ ভাৱাভিব্যক্তি কাৰ্য-প্ৰণালী আদি নিৰূপিত আৰু নিয়ন্ত্ৰিত হয়। আনহাতে জীৱনৰ অনুভৱেও দাৰ্শনিক সিদ্ধান্ত নিৰূপণত সহায় কৰে।

কাব্য আৰু দৰ্শনৰ লক্ষ্য আৰু ৰচনা-প্ৰক্ৰিয়া স্বকীয় হলেও দুয়োৰে সম্বন্ধ স্বাভাৱিক ভাবেই ঘটে। প্ৰতিভাশালী সাহিত্যিক সকলৰ ৰচনাৱলী অধ্যয়ন কৰিলে দেখা যায় যে অনেক সময়ত গভীৰ দাৰ্শনিক চিন্তা সন্নিবিষ্ট নোহোৱাকৈয়ো সাহিত্যৰ সৃষ্টি হয়। এইটোও সত্য যে অনুভূতিশীল কৱি নিজে বিবেকী মানৱ হোৱা কাৰণে আৰু যুগ-চেতনা তথা সাময়িক আৰু পৰম্পৰাগত চিন্তাধাৰাৰ দ্বাৰা প্ৰেৰিত আৰু প্ৰভাৱিত হোৱা হেতুকে দৰ্শনক এৰাই চলিব নোৱাৰে। কৱিৰ অনুভূতিত অজানিত আৰু স্বাভাৱিক ভাৱে দাৰ্শনিক তত্ত্ব সংশ্লিষ্ট হৈ পৰে। জীৱন আৰু জগতৰ দ্ৰষ্টা কৱিক 'ক্ৰান্তদৰ্শী' 'মনীষী' আদি আখ্যা দিয়াৰ কাৰণো এয়ে। যুগৰ বাণী কাব্যত প্ৰকাশ হোৱাৰ লগে লগে সেই সম্বন্ধীয় দৰ্শনো তাত প্ৰতিফলিত হয়। এই অৱস্থাত দৰ্শনে শুদ্ধ দৰ্শনৰ ৰূপ নলৈ ৰসযুক্ত চিন্তাধাৰা হিচাপে আত্ম-প্ৰকাশ কৰে।[৩] অৰ্থাৎ কাব্যই জীৱন-দৃষ্টিৰ ৰূপ পৰিগ্ৰহ কৰে। ই জীৱনৰ বিশেষত্ব আৰু ব্যাপ্তিক ৰূপায়িত কৰি দৰ্শনকো সংশ্লিষ্ট কৰে। এই দৰ্শনক অধ্যাত্ম দৰ্শন, জীৱন দৰ্শন, কাব্য-দৰ্শন আদি ভাগত ভগাব পাৰি।

প্ৰথমতে মহিলা কবি নলিনীবালা দেৱীৰ অধ্যাত্ম দৰ্শনৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰা হৈছে। তেওঁৰ কাব্যিক চেতনা মুখ্যতঃ উপনিষদ আৰু গীতাৰ দ্বাৰা প্ৰভাৱিত। সংশ্লিষ্ট উক্তি সমূহত প্ৰধান

---

১, স ব্ৰহ্মবিদ্যাং সৰ্ববিদ্যা প্ৰতিষ্ঠাতামৰ্থৰ্বায় জ্যেষ্ঠ-পুত্ৰায় প্ৰাহ মুণ্ডকোপনিষদ ১/১

২, অধ্যাত্ম বিদ্যা বিদ্যানাং বাদঃ প্ৰবদতামহম্। শ্ৰীমদ্ভাগৱদ্গীতা ১০/৩২

৩। "Frequently either explicit statements or allusions show the allegiance of a poet to a spe-
cific philosophy, or establish that has had some direct acquaintance with philosophies
once well known or at least that he is aware of their general assumptions,"
— The Theory of Literature by Rene wellek and Austin Warren (1976). P. 111.

বৈদান্তিক তত্ত্বসমূহ সহজে বিচাৰি পোৱা যায়।

তেওঁৰ দৰ্শনৰ মূল উৎস হ'ল অলৌকিক পৰম দৈৱশক্তিৰ ওপৰত অবিচল আস্থা। তেওঁৰ বিশ্বাস যে সেই শক্তিয়েই চৰম সত্য। বিজ্ঞান, কলা আদি সকলোৰে উৎপত্তিৰ সূত্ৰ তেওঁ 'বিশ্ব-প্ৰকৃতিত' বিচাৰি পাইছে।[৪] এই বিশ্ব-প্ৰকৃতিয়েই তেওঁৰ মানসিক সংস্থানৰ ভিত্তি। 'শান্তি পথ'ত এই সংপ্ৰত্যয়ৰ ঘোষণা এইদৰে কৰা হৈছে — 'বিজ্ঞানতকৈও সূক্ষ্মতম দৰ্শন, মানসৰ বিজ্ঞান আজিও অনাবিষ্কৃত হৈ আছে।'[৫] এই 'মানসৰ বিজ্ঞানেই' তেওঁৰ অধ্যাত্ম দৰ্শন যি ভৌতিক বিজ্ঞানৰ শেষ সীমাৰ পৰা আৰম্ভ হয়। দৃশ্য জগততকৈ মানসিক জগত বেছি ৰহস্যময় বুলি তেওঁ ভাবে। কবিৰ মতে বৌদ্ধিক জীৱন মূলতঃ আধ্যাত্মিক। বেদান্তক মূল ভিত্তি মানি লৈ তেওঁ অন্যান্য তত্ত্ব সমূহৰ যথোচিত সমন্বয় সাধন কৰিছে; কোনো স্থলত বেদান্তৰ ভূমিত ঠিয় হৈ মনৰ খিৰিকি-বোৰ মুকলি কৰি দিছে। সাম্প্ৰদায়িক সীমা অতিক্ৰম কৰিও তেওঁ মূল ভূমিৰ পৰা আঁতৰি যোৱা নাই। ইয়াৰ দ্বাৰা বেদান্তৰ সমন্বয়কাৰী শক্তি আৰু বৈশিষ্ট্যও প্ৰতিপাদিত হৈছে। লগতে তেওঁৰ কাব্যত পৰম্পৰাগত দাৰ্শনিক শব্দাৱলীৰ অৰ্থৰ পৰিধি অল্পপ বিস্তৃত হৈ পৰাও দেখা যায়।

তেওঁৰ মতে জ্ঞান লাভৰ উপায় হৈছে অন্তঃপ্ৰেৰণা ( Intuition )। ব্যক্তিৰ নিহিত শক্তি সাধনা তথা ধ্যানৰ দ্বাৰা বিকশিত হয়। আৰু কোনো মুহূৰ্তত সত্যাই বিজুলি চমকেৰে মনোৰাজ্যত আত্মপ্ৰকাশ কৰে। কবিয়েও সাধকৰ দৰে তন্ময় ধ্যানাবস্থাত সত্যৰ সন্ধান পায়। এই অৱস্থাত কবিৰ ভাষা হৈ পৰে আধ্যাত্মিক অভিব্যক্তিৰ মাধ্যম। 'প্ৰবুদ্ধ প্ৰজ্ঞা'ই ইয়াক সম্ভৱ কৰি তোলে।[৬] এই প্ৰজ্ঞাই বিশ্বতত্ত্বৰ গ্ৰাহক আৰু কলা-সৃষ্টিৰ প্ৰেৰণা প্ৰদায়ক। এক স্বপ্নাতীত অৱস্থাত অনুভূতিৰ দ্বাৰা সত্যৰ স্বৰূপ দৃষ্ট হয়। ই 'দিব্য জীৱন পোহৰায়'।[৮] কবিয়ে গাইছে—

বিকশিত প্ৰবুদ্ধ প্ৰজ্ঞাই
বিস্মৃতিৰ কুহেলিকা ভেদি
বিচাৰিছে অনন্ত চেতনা।[৯]

× × ×

প্ৰজ্ঞাৰ মাজেৰে পায় অমৃতৰ অমিয়া পৰশ
মানুহ হৃদয়ে পায় কালজয়ী শক্তিৰ হৰষ।[১০]

× × ×

বোধিৰ পৰশে আনে
জীৱনৰ বিদ্যুৎ স্পন্দন
সুপ্ত অৱচেতনাৰ
ভাগি যায় সপোন জড়িমা।[১১]

অৰ্থাৎ অৱচেতন মানসত নিহিত সংস্কাৰ যদিও অস্পষ্ট থাকে প্ৰজ্ঞাই সহজে পৰিস্ফুত কৰিব পাৰে।

কবি গৰাকীৰ ব্ৰহ্ম বিষয়ক প্ৰত্যয় উপনিষদৰ দ্বাৰা নিৰূপিত। উপনিষদে কোৱাৰ দৰেই এই ব্ৰহ্ম চৰাচৰ জগতৰ উৎপত্তি, স্থিতি আৰু প্ৰলয়ৰ কাৰণ।[১২]





সেয়ে অনাদি, অনন্ত, সনাতন, নাম-ৰূপহীন, স্বপ্ৰকাশময়, সৰ্বজ্ঞ, সৰ্বব্যাপক আৰু আনন্দময়।[১৩] বিশ্বজগতত ব্ৰহ্ম গুণবিশিষ্ট অথবা সগুণ অৱতাৰ আৰু বিশ্বাতীত ৰূপত গুণাতীত, অনিৰ্বচনীয়, নিৰ্গুণ। তত্ত্বতঃ সগুণ আৰু নিৰ্গুণ ব্ৰহ্মৰ পাৰ্থক্য নাই; দৃষ্টিকোণৰ ভিন্নতাৰ কাৰণে ব্যৱহাৰিক জগতৰ বাবে ব্ৰহ্মৰ দুই ৰূপ আভাসিত হয়। যেনেকৈ ৰবফেই গলি পানীত পৰিণত হয় তেনেকৈ জগত ব্ৰহ্মত বিলীন হয়।

কবিয়ে দৃশ্যমান জগতৰ ভিতৰেদি অন্তঃচেতনাৰ সহায়ত বিশ্বাতীত ব্ৰহ্মৰ সত্তা উপলব্ধি কৰিছে। তেওঁৰ কাব্যত মানৱ তথা মানৱেতৰ প্ৰকৃতি পৰম ব্ৰহ্মৰ লীলা আৰু মহিমাব্যঞ্জক। ই হৈছে প্ৰকৃতিত অনন্ত আত্মাৰ আবিষ্কাৰক নৱন্যাস যুগীয় কবিৰ দ্বাৰা অনুভূত সৰ্বাত্মবাদী ব্ৰহ্মৰ মহিমা। এইদৰে ভাৰতীয় ব্ৰহ্মবাদৰ প্ৰতিফলন সৰ্বাত্মবাদত ঘটিছে।

প্ৰসঙ্গবিশেষত কবিয়ে ব্ৰহ্মৰ অস্তিত্ব তৰ্কসঙ্গত ভাৱেও প্ৰতিপাদন কৰিছে। চিত্ৰৰ অস্তিত্বই যেনেকৈ অদৃশ্য হাতৰ এক চিত্ৰকাৰৰ অস্তিত্ব প্ৰমাণ কৰে তেনেকৈ জাগতিক কৃতিয়ে বিশ্বাতীত নিৰ্গুণ ৰূপৰ অস্তিত্ব বুজায় — সেই সত্য ব্যক্ত কৰি কবিয়ে গাইছে—

তুমি চিত্ৰকাৰ!
আবাধি জীৱন স্তৰ
দূৰ - দূৰান্তৰ অজানৰ
সীমাহীন ব্যোম জগতৰ
আলোক ৰশ্মিৰে
ধৰণীক কৰিছা ৰঞ্জিত।[১৪]

সূক্ষ্ম 'পৰশ'ৰ দ্বাৰা ব্যাপক ব্ৰহ্মৰ অস্তিত্ব অনুভূত হয় —

তোমাৰ মালাৰ
পুষ্পৰ পৰাগে
সুৰভিত তনু মোৰ
তুমি নাই, আছে
তোমাৰ পৰশ
নন্দন অগৰু।[১৫]

'অতনু'ৰ অদৃশ্য স্পৰ্শ যাদুময়। এই ৰহস্য অনিৰ্বচনীয়। জিজ্ঞাসা কৰিয়েই ক্ষান্ত থাকিব লগীয়া হয়। অথচ সেই প্ৰভাৱ ব্যাপক —

কোন অতনুৰ পৰশ প্ৰভাত
দেহৰ বাকোন সৰি পৰে
অৰূপ ৰূপৰ মোহন পুৰত
অমিয়া জীৱনে ৰূপ ধৰে।[১৬]

এই যাদুকৰ বৈষ্ণৱ কবিৰ লীলা পুৰুষোত্তম নহয়; অদ্বৈতবাদী আচাৰ্যৰ তৰ্কৰ দ্বাৰা প্ৰতিপাদিত ব্ৰহ্মৰ অনুভৱগম্য ৰূপহে। ৰূপহীন হলেও ব্ৰহ্ম সকলো ৰূপৰ আধাৰ বুলি কবিৰ অনুভৱ হৈছে —

হে অৰূপ! ৰূপৰ আলয়,
অনুৰূপে অনাদিত
তোমাতেই লীন হম গৈ।[১৭]

৪. শান্তিপথ, পৃ. ৬৭
৫, শান্তিপথ, পৃ. ৮
৬, পৰশমণি, ভূমিকা, পৃঃ ১
৭, (ক) শান্তিপথ, পৃঃ ১৩৯—১৪১ (খ) অলকানন্দা, পৃঃ ১৮৩
৮, শান্তিপথ, পৃ. ১৪—১৪১
৯, পৰশমণি, পৃঃ ২৩
১০, অলকানন্দা পৃ, ১৮৩
১১, পৰশমণি, পৃঃ ২৩
১২, এতস্মাজ্জায়তে প্ৰাণোমনঃ সৰ্বেন্দ্ৰিয়াণি চ। খং বায়ু জ্যোতিৰাপঃ পৃথিৱী বিশ্বস্য ধাৰিণী॥
—মুণ্ডকোপনিষদ ২/১/৩

১৩, (ক) অনাদিমত্ত্বং বিভূত্বেন বৰ্তসে যতো জাতানি ভুবনানি বিশ্বা।
শ্বেতাশ্বতৰোপনিষদ ৪/৪
(খ) অজমনিদ্ৰমস্বপ্নমনামকমৰূপক সকৃদ্বিভাতং সৰ্বজ্ঞং নোপচাৰঃ কথং চ।
—মাণ্ডুক্যোপ : অদ্বৈত প্ৰকৰণ/৩৬
(গ) বিজ্ঞানময় আনন্দময় ব্ৰহ্ম......।
—বৃহদাৰণ্যক উপনিষদ ৩/৯/২৮
১৪, পৰশমণি, পৃঃ ৭৪
১৫, সন্ধিয়াৰ সুৰ, পৃঃ ৪৯
১৬, পৰশমণি, পৃঃ ৩১
১৭, সন্ধিয়াৰ সুৰ, পৃঃ ৩১

এই 'অৰূপ' গীতাৰ 'অক্ষৰব্ৰহ্ম'ৰ নামান্তৰ।[১৮] উপনিষদৰ প্ৰতিপাদ্যও একেই।[১৯]

সগুণ ব্ৰহ্ম নিৰ্গুণৰ মায়াৱচ্ছিন্ন প্ৰকাশ। নলিনীবালাই সগুণ ৰূপক 'প্ৰভু' 'সুন্দৰ নিৰুপম' আদি শব্দেৰে সম্বোধন কৰিছে।[২০] এই গুণময় 'প্ৰভু' জগতৰ স্বামী, নিয়ন্তা আৰু 'মহাখেলা'ৰ [২১] প্ৰবৰ্তক —

স্বৃষ্টি ধ্বংস জন্ম মৃত্যু
বিৰহ মিলন ৰাশি
দিন নিশা এন্ধাৰ পোহৰ
নিয়ন্ত্ৰিত প্ৰকৃতি বিশ্বৰ
ভাঙিছা গঢ়িছা নিতে
হে উদাসী মহাশিশু।[২২]

'উদাসী' শব্দৰ দ্বাৰা ব্ৰহ্মৰ 'তটস্থ লক্ষণ' বুজোৱা হৈছে। 'স্বৰূপ লক্ষণ'তকৈ এই লক্ষণ ভিন্ন এই কাৰণেই যে ইয়াক ব্ৰহ্মই কিছু সময়ৰ কাৰণেহে পৰিগ্ৰহ কৰে। মায়াৱচ্ছিন্ন এই অৱস্থাত ব্ৰহ্মক সগুণ-ব্ৰহ্ম বা ঈশ্বৰ বোলে। এই সগুণ ৰূপ দয়াৰ সাগৰ। কবিয়ে তাৰ বিভোৰ হৈ এই ৰূপৰ গুণানুকীৰ্তন কৰে।[২৩]

আন এক দৃষ্টিৰে পৰম জ্ঞানকেই ব্ৰহ্ম বোলা হৈছে।[২৪] বুদ্ধিৰূপ পৰম আকাশত এই ৰূপ নিহিত থাকে। কবিয়ে ইয়াক 'তপস্যা-শিখা' আখ্যা দিছে। অজ্ঞান এন্ধাৰৰ আৱৰণ দূৰ কৰি তপস্যা-শিখা আত্মাত প্ৰকাশমান হয়।[২৫] জন্ম-জন্মান্তৰৰ সাধনাৰ দ্বাৰা উপলব্ধি কৰা এই জ্ঞানে জীৱনকো দিব্যৰূপ প্ৰদান কৰে। কবিয়ে গাইছে —

শত জনমৰ মোৰ
শত কৰমৰ আঁৰে আঁৰে
কল্যাণ সংকল্প ৰূপে
নৱ জীৱনৰ পাৰে পাৰে
জ্বলিছা জ্বলিবা তুমি প্ৰাণৰ মাজত
অনিৰ্বাণ আলোকৰ ৰেখা
(মোৰ) দিব্য তনু কৰি প্ৰকাশিত
হে সাধনা, হে তপস্যা-শিখা॥[২৬]

ব্ৰহ্ম চেতনাময় 'পৰশমণি'। সেই সত্তাৰ 'পৰশত' জীৱই নতুন ৰূপ পায়।

সঙ্গতিপূৰ্ণ ভাৱেই জীৱাত্মাক ব্ৰহ্মৰ অংশ হিচাপে বৰ্ণোৱা হৈছে।[২৭] জীৱনিজ অভিব্যক্তিত সীমাবদ্ধ কিন্তু মূলতঃ অসীম সত্তাৰ অংশ হোৱা কাৰণে ই অসীমো। ব্ৰহ্মৰ প্ৰকাশ জীৱাত্মাৰ মাধ্যমেৰে হয়।[২৮]



জীৱাত্মা অনন্ত শক্তিযুক্ত পৰমাত্মাৰ লগত মিলি যোৱাৰ আকাংক্ষা বা মুক্তিৰ আকাংক্ষাৰে তৃষিত। এয়ে 'পৰম তৃষা'।[২৯] পৰমাত্মাৰ অংশ হোৱা কাৰণে জীৱাত্মা 'অমৃত' আৰু 'সুন্দৰ' —

অমৰ জীৱন মোৰ
সুন্দৰ সুমধুৰ
তোমাৰ অমৃত কৰি পান।[৩০]

ব্ৰহ্মৰ লগত জীৱাত্মাৰ সম্বন্ধ প্ৰেমময় — এই অনুভূতি জীৱৰ আত্মনিবেদনৰ পিছত স্বতস্ফূৰ্ত ভাৱে সঞ্চাৰিত হয় —

পৰম দেৱত তোমাৰ প্ৰেমৰ
বিকশি উঠিছে গান।
জীৱন আৰতি নৃত্য ছন্দ
নিবেদিতা ৰূপৰেখা
সুন্দৰ মই তোমাৰ পূজাৰ
আৰতিৰ দীপ - শিখা [৩১]

ইয়াত 'মই' 'মোৰ' আদি শব্দ জীৱাত্মাব্যঞ্জক বুলি বুজিব পাৰি।

ব্যাৱহাৰিক দৃষ্টিত জীৱাত্মাৰ স্বতন্ত্ৰ অস্তিত্ব স্বীকৃত। মূলতঃ পৰমাত্মাৰ লগত অভিন্ন হ'লেও উভয়ৰে স্থিতি, প্ৰকৃতি আৰু ব্যাপকতা অনুসাৰে পাৰ্থক্য আছে। এই সম্বন্ধ ব্যক্ত কৰি কবিয়ে গাইছে —

তুমি অনন্ত মধু বসন্ত
মই শোভাহীন বনপ্ৰান্ত
তুমি সুৰভি সমীৰ মধুমালতীৰ
পৰাগ অগৰু গন্ধ।[৩২]

এই সম্বন্ধ 'অনাদি কালৰ' বুলি মুক্তকণ্ঠে গোৱা হৈছে।[৩৩]

কবিৰ মতে জীৱাত্মা আৰু সংসাৰৰ সম্বন্ধ অস্থায়ী। দেহ আদিৰ নশ্বৰতা তেওঁ প্ৰসঙ্গক্ৰমে ঘোষণা কৰিছে—

জীৱন সপোন-স্মৃতি দিঠকৰ মৰীচিকা
ছয়া-ময়া ছবি সপোনৰ।

শূন্য আকাশৰ লগত মেঘৰ স্থায়ী সম্বন্ধ নাই। বৰষুণ হৈ বিগলিত হোৱাই তাৰ সাৰ্থকতা। জগতৰ লগত জীৱাত্মাৰ সেই সম্বন্ধ ব্যক্ত হৈছে এই গীতত—

কোন মহাশূন্য ভেদি আহিছিলো অকলৈ
তাকে বহি ভাবো মনে মনে
বিশাল বিশ্বত আহি পাতিলো কিহৰ খেল
কিনো পালে মানুহ জীৱনে।
কোন কাৰ জগতৰ কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ,
সসীমৰ ৰূপ তৃষ্ণা অসীমত দূৰ যাব
থাকি গলে স্মৃতি মৰমৰ।[৩৪]

অৰ্থাৎ সংসাৰ ৰূপী ৰঙ্গমঞ্চত জীৱ অভিনেতাৰ দৰে। জীৱৰ পাৰস্পৰিক পৰিচয়ো নাটকীয়।

পাৰমাৰ্থিক দৃষ্টিত জগত 'মিথ্যা' বা স্বপ্নৱৎ।[৩৫] ইন্দ্ৰিয়ৰ কাৰণে জগত সত্য যেন লাগে।[৩৬] পৰম জ্ঞানীৰ কাৰণে ব্ৰহ্মহে সত্য, জগত মিথ্যা। অবিদ্যা গ্ৰন্থিৰ নাশ হ'লেই জগতৰ অনিত্যতা বোধগম্য হয়। জগতৰ স্থিতি নহ'লে ব্ৰহ্মৰ সত্তাও উপলব্ধি নহয়, ব্ৰহ্মৰ ভিত্তি অবিহনে জগতৰ স্থিতিও অসম্ভৱ। কবিয়ে দাৰ্শনিক অভিধানৰ শব্দ ব্যৱহাৰ নকৰি জগতৰ এই স্থিতিক এক 'ৰহস্য' বুলি বৰ্ণনা কৰিছে —

---

১৮, অক্ষৰং পৰমং ব্ৰহ্ম স্বভাৱোঽধ্যাত্মমুচ্যতে।' গীতা ৮/৩
১৯, 'তজ্জে যদ্ভূতৱতবং তদৰূপমনামযম্ য। ৪৪ শ্বেতাশ্বতৰোপনিষদ ৩/১০
২০, সন্ধিয়াৰ সুৰ, পৃঃ ৩
অলকানন্দা, পৃঃ ১
২১, সপোনৰ সুৰ, পৃঃ ১১২,
২২, সপোনৰ সুৰ, পৃঃ ১২২
২৩, যুগদেৱতা, পৃ ৪—৫
২৪, (ক) "In later thought 'Brahma' meant wisdom or Veda. As divine origin was ascribed to the Veda or Brahma, the two words were used with the same meaning"
—The Principal Upanisads. S. Radha krishnan ; Introduction, p. 53.
(খ) সত্যং জ্ঞানমনন্তংব্ৰহ্ম। তৈত্তিৰীয়োপনিষদ ২/১/১
২৫, শান্তিপথ, পৃঃ ১৪১
২৬, পৰশমণি, পৃঃ ২৬
২৭, তত্ত্বমসি, ছান্দোগ্য উপনিষদ, ৬/৮/৭
২৮, "Brahman' the first principle of the universe, is known through Atma, the inner self of man"
—Principal Upanisads. Intro. p. 77

২৯, সন্ধিয়াৰ সুৰ, পৃঃ ১৭—২০
৩০, পৰশমণি পৃঃ ২০
৩১, ঐ পৃঃ ২০
৩২, অলকানন্দা, পৃঃ ৬৩
৩৩, ঐ পৃঃ ১৪১—১৪২
৩৪, সপোনৰ সুৰ, পৃঃ ৭৫—৭৬
৩৫, স্বপ্নমায়া সৰূপেতি সৃষ্টিৰন্যৈ বিকল্পিতা ঃ মাণ্ডুক্য উপঃ ১/৭
৩৬, কল্পিতা এৱতে সৰ্বে বিশেষস্থিন্দ্ৰিয়ান্তৰে ঃ ঐ '' বৈতথ্য/১৫

ব্যোমময় আলোক বান্ধাৰ
এটি ক্ষুদ্ৰ প্ৰভা লাগি
ধৰণীৰ তৃণ তৃণ প্ৰাণী
মানৱ জীৱন উঠে জাগি
বিশ্বে তাৰ প্ৰতিক্ৰিয়া
ৰহস্যেৰে কৰিছে ধাৰণ
গতি ক্ষয় স্থিতি অপূৰণ
জীৱনৰ অনন্ত স্ফুৰণ।[৩৭]

ইয়াত জগতৰ এটি 'গতি'ৰ অনুভৱ আছে। জীৱনৰ স্ফুৰণ এই গতিৰ অৱয়ৱ। গতি আৰু অভিব্যক্তিয়েই সৃষ্টিৰ প্ৰয়োজন আৰু উদ্দেশ্য। সৃষ্টিৰ গতি চৈতন্যৰ স্বভাৱ—

চেতনাৰ অবিৰাম তৰঙ্গ লহৰ
উল্লাসৰ ক্ৰন্দনৰ
অনন্ত কোলাহল
ক্ৰতুতৰ ধৰিত্ৰী বক্ষৰ
অবিৰাম লীলা চেতনাৰ।[৩৮]

মায়া বিষয়ৰ প্ৰত্যয়েও অলপ অৰ্থ-বিস্তাৰ কৰা দেখা যায়। শঙ্কৰাচাৰ্যৰ মতে মায়া ঈশ্বৰৰ অনিত্য ইচ্ছা বা প্ৰতিভাসিত বিকাৰ। ৰামানুজৰ মতে মায়া ঈশ্বৰৰ বাস্তৱিক সৃজন-শক্তি। মায়াৰ দুটা শক্তি-আৱৰণ আৰু বিক্ষেপ।[৩৯] 'আৱৰণ'ৰ দ্বাৰা ব্ৰহ্মৰ ৰূপ আচ্ছাদিত হয় আৰু 'বিক্ষেপ'ৰ দ্বাৰা কোনো নতুন ৰূপ আৰোপিত হয়। এই দুই শক্তিৰ দ্বাৰা মায়াই জগতৰ উৎপত্তি কৰে। যেনেকৈ যাদুকৰৰ ওপৰত নিজৰ যাদুৰ প্ৰভাৱ নপৰে তেনেকৈ ঈশ্বৰৰ ওপৰত মায়াৰ প্ৰভাৱ নপৰে। ঈশ্বৰ যাদুকৰৰ নিচিনা।[৪০] নলিনীবালা দেৱীৰ দৃষ্টিত মায়া। 'দিব্য প্ৰাণ'ক আচ্ছাদিত কৰা যাদুময়ী আৱৰণ—

কি যাদু খেলিছা মোহন মায়াবী (মোৰ) দিব্য প্ৰাণৰ পাৰে পাৰে।[৪১]

অনুভূতিৰ বিশেষ অৱস্থাত তেওঁৰ ভাব হয় যে জীৱনৰ স্থূল ৰূপ মূল ৰূপৰ বিকাৰগ্ৰস্ত অৱস্থা।[৪২] মায়াৰ মোহক ৰূপটোৰ প্ৰভাৱত তেওঁ কেতিয়াবা পুতলাৰ দৰে নাচি ফুৰে—

সাগৰ বালিত সাজি খেমালিৰ বালিঘৰ
পাহৰিলোঁ ৰূপ সাগৰৰ।[৪৩]

মায়াৰে সত্যক ঢাকি তাৰ ভ্ৰান্ত ৰূপ দেখুৱাই দিলে সংসাৰীলোক পথভ্ৰষ্ট হৈ নিকাম ভুগে। এই কাৰণে তেওঁ মায়াক সৃষ্টি কৰ্ত্তাক 'সুন্দৰ ভীষণ' আখ্যা দিছে।[৪৪]

মায়াৰ প্ৰভাৱত ভৌতিক জ তৰ প্ৰতি মমতা বাঢ়ে। এই কাৰণে জীৱই পৰমাত্মাক পাহৰি সাংসাৰিক কৰ্ম-চক্ৰত ঘূৰি থাকে। কৱিৰ ভাষাত এয়া

৩৭, পৰশমণি, পৃঃ ৭৩
৩৮, অলকানন্দা পৃঃ ১৩৩
৩৯, শক্তিদ্বয়ং হি মায়ায়া বিক্ষেপাবৃত্তি ৰূপকম্। বিক্ষেপশক্তিলিংগাদি ব্ৰহ্মাণ্ডান্তং জগৎ সৃজেৎ॥
—দৃগ্‌দৃশ্য বিবেক, শ্লোক ১৩
('ভাৰতীয় দৰ্শন', বলদেৱ উপাধ্যায় পৃঃ ৭৫৮)
৪০, একো জালবানীশত ঈশনীভিঃ
সৰ্বাঁল্লোকানীশত ঈশনীভিঃ।
শ্বেতাশ্বতৰোপনিষদ ৩/১
৪১, পৰশমণি পৃঃ ৩১
৪২, সপোনৰ সুৰ পৃঃ ৭৫
৪৩, ঐ পৃঃ ৭৬
৪৪, ঐ পৃঃ ১২২



"ইন্দ্ৰজাল":—

কত মৰীচিকা চকুৰ আগত
দেও দি দেও দি নাচিব আহি,
মায়া মৃগ হৈ কেলেকী লগাব
ইন্দ্ৰজাল পাতি বজাব বাঁহী।[৪৫]

মায়াৰ ওপৰোক্ত ৰূপটো হল অবিদ্যা মায়া। ইয়াৰ উপৰি আনটো ৰূপ বিদ্যা-মায়া। কৱিৰ বৰ্ণনাত ব্যক্ত হয় যে এই শক্তিৰ কাৰণে কৱিৰ আগত দিব্য বস্তু ব্যক্ত হৈয়ো তাৰ পূৰ্ণ স্বৰূপ অজ্ঞাত হৈয়ে থাকে। কবি কেৱল অবাক হৈ চাই ৰয়।—'অসীমৰ পাৰ' বিচাৰি মন উদাস হয় আৰু এক অজ্ঞাত উন্মাদনা আহে—

জোনাক প্লাৱনে পৃথিবী মায়াবন
জোনাক পিয়াসী উতলা উদাসী মন
নীলা দিগন্ত বিচাৰি অসীম পাৰ
সীমিত হিয়াৰ সুৰ বয় ধাৰাসাৰ।[৪৬]

এই মায়া যেন 'সোহৰৰ ছায়া' যি জ্ঞাত হৈয়ো অজ্ঞাত—

তুমি কোন কোৱা সোহৰৰ ছাঁয়া
দেখা নেদেখাৰ আঁৰে আঁৰে।[৪৭]

এইদৰে মায়াৰ লক্ষণ সমূহ অনুভূতিৰ দ্বাৰা ব্যক্ত কৰা হৈছে।

লৌকিক তথা মনোবৈজ্ঞানিক দৃষ্টিৰেও মায়াৰ বিষয়ে হোৱা ধাৰণা তাৎপৰ্যপূৰ্ণ। মোহ, মমতা, অহংকাৰ, অজ্ঞানতা আদিৰ পৰা উদ্ভৱ হোৱা মানসিক অৱস্থাক মায়া বুলি ধৰিলে সাধাৰণ জীৱনত মায়াৰ স্বৰূপ বেছি বোধগম্য হয়। কবিয়ে এই সকলো মায়াৰ প্ৰভাৱৰ পৰা মুক্ত হৈ সত্যৰ অন্বেষণ কৰিবলৈ প্ৰয়াস কৰিছে।

কৱিৰ জীৱনৰ মূল পুৰুষাৰ্থ হৈছে মুক্তি। এই আকাঙ্ক্ষা তেওঁৰ কাব্যত তীব্ৰ। মুক্তিৰ সাধাৰণ অৰ্থ হৈছে জীৱৰ সংসাৰ-বন্ধন আৰু ক্লেশৰ পৰা পৰিত্ৰাণ। কৱিৰ মুক্তি সম্বন্ধীয় দাৰ্শনিকতাত বেদান্তৰ প্ৰভাৱ মুখ্য। বৈষ্ণৱৰ ভক্তি আৰু বৌদ্ধৰ শীল, প্ৰজ্ঞা, সমাধি আদি তত্ত্বকো মুক্তি লাভৰ উপায় হিচাপে স্বীকাৰ কৰা দেখা যায়।

অদ্বৈত বেদান্তৰ মতে জীৱ স্বভাৱতঃ মুক্ত। কিন্তু জীৱই ভ্ৰমবশতঃ আত্মাৰ মুক্ত স্বৰূপ চিনিব নোৱাৰে। গুৰুৰ উপদেশত অজ্ঞানতা দূৰ হলে ই মুক্তিৰ অৱস্থা লাভ কৰি পৰম আনন্দিত হয়। মুক্ত পুৰুষে সচ্চিদানন্দ ব্ৰহ্মৰ লগত নিজৰ একাত্মতা অনুভৱ কৰে। তেওঁ জ্ঞানৰূপ হৈ পৰে। তেওঁক সংসাৰৰ দুখে স্পৰ্শ নকৰে। জ্ঞান যোগ আদিৰ বলত সাধকে এই জীৱনতো মুক্তিৰ আনন্দ পাব পাৰে। এনে অৱস্থাক 'জীৱন্মুক্তি' বোলা হয়। এই অৱস্থাত কেৱল প্ৰাৰব্ধ কৰ্মৰ ফল ভোগৰ কাৰণে শৰীৰ বিদ্যমান থাকে। ভোগৰ দ্বাৰা প্ৰাৰব্ধৰ শক্তি শেষ হলে কৰ্ম শান্ত হৈ যায় আৰু সকলো সংশয় নাশ হয়। 'হৃদয়গ্ৰন্থি' খুলি যায়।[৪৮] 'বিদেহমুক্তিৰ' অৱস্থাত শাৰীৰিক অৱয়ৱ নাথাকে।

বৈষ্ণৱ দৰ্শন অনুসাৰে ভক্তৰ প্ৰতি ভগৱানৰ 'অহৈতুকী' কৃপাৰ ফলত জীৱ মুক্ত হৈ যায়। এই

৪৫, সপোনৰ সুৰ পৃঃ ৭৯
৪৬, অলকানন্দা, পৃঃ ৩৭
৪৭, অলকানন্দা পৃঃ ৩৭
৪৮, ভিদ্যতে হৃদয়গ্ৰন্থিশ্ছিদ্যন্তে সৰ্বসংশয়াঃ।
ক্ষীয়ন্তে চাস্য কৰ্মাণি তস্মিন্ দৃষ্টে পৰাৱৰে॥
—মুণ্ডকোপনিষদ ২/২.৮

অৱস্থাত জীৱ ঈশ্বৰৰ 'সমান' হয়, ঈশ্বৰৰ লগত 'একাত্ম ৰহয়। বৈষ্ণৱৰ মতে বৈকুণ্ঠত ভগৱানৰ কিংকৰ হোৱাই পৰম মুক্তি।

বৌদ্ধ দৰ্শনত মুক্তিৰ অৰ্থ 'নিৰ্বাণ'। দুঃখ- নিৰোধকেই নিৰ্বাণ বোলে। সম্যক জ্ঞান, সম্যক সংকল্প, সম্যক বচন, সম্যক কৰ্মান্ত ( হিংসাদি ৰহিত কৰ্ম ), সম্যক আজীৱ, সম্যক ব্যায়াম, সম্যক স্মৃতি, সম্যক সমাধি ( ৰাগ-দ্বেষ আদিৰ পৰা মুক্তাৱস্থা )— এই অষ্টাঙ্গ মাৰ্গৰ দ্বাৰা প্ৰজ্ঞাৰ উদয় হলে স্বতঃ নিৰ্বাণ প্ৰাপ্ত হয়। আন প্ৰকাৰে কবলৈ হলে দুষিত সংস্কাৰ, কামনা আদিৰ পৰা মুক্ত হোৱাই নিৰ্বাণ। এই অৱস্থাত শান্তি আৰু আনন্দ বিৰাজ কৰে।

কবিৰ মূল আকাঙ্ক্ষা পৰমাত্মাৰ লগত একাত্ম হৈ যোৱাৰ।[৪৯] এই কালৰ পৰা তেওঁৰ মুক্তিৰ প্ৰত্যয় অদ্বৈত বেদান্তাশ্ৰিত। মানুহক 'সুন্দৰৰ পূৰ্ণ প্ৰতীক' বুলি তেওঁৰ উপলব্ধি হয়।[৫০] এইৰূপ 'চিৰশাশ্বত'।[৫১] কিন্তু অজ্ঞানতা, কৰ্মফল, 'প্ৰাৰব্ধৰ বোজা' আদিৰ দ্বাৰা বাধাপ্ৰাপ্ত হোৱাত সেই ৰূপ অজ্ঞাত হৈ ৰয়।[৫২] তেওঁ মাত্ৰ ভ্ৰমি ফুৰে। কিন্তু পৰমাত্মাৰ ওচৰলৈ কৰা যাত্ৰাত তেওঁ অজ্ঞান-আন্ধাৰ আৰু বিধিনিৰ সাগৰ অতিক্ৰম কৰিবলৈ সংকল্পবদ্ধ।[৫৩] কৱি অকলশৰীয়া হলেও হতাশ হোৱা নাই। তেওঁ নিজৰ আত্মাৰূপী 'বিহংগ'ক জন্ম-জন্মান্তৰৰ এই যাত্ৰা পূৰ্ণ কৰিবলৈ আদেশ দি 'জুকলা দেহৰ সঁজা' ত্যাগ কৰিবলৈ কৈছে —

> জুকলা দেহৰ সঁজা খোৱাবে সহিব আৰু
> তোৰ এই মহা অভিযান
> ছিঙিদে ছিড়িদে আজি অৱশ দেহৰ বান্ধ
> শেষ হক বিৰহৰ গান॥[৫৪]

এইটো স্পষ্ট যে পৰমাত্মাৰ বিৰহৰ আকুলতাই তেওঁক দেহৰ বন্ধন ছিঙিবলৈ উদগাইছে। পৰমাত্মাৰ লগত একাত্ম হৈ তেওঁ সুক্ষ্মব্যাপক হৈ যাব বুলি বিশ্বাস। বৰষুণৰ পানী সাগৰত মিলি বিশ্বব্যাপক হোৱাৰ দৰে, ফুলৰ সুগন্ধ বতাহত মিলি ব্যাপক হোৱাৰ দৰে তেওঁৰ আত্মা পৰমাত্মাৰ লগত মিলি বিশ্বব্যাপক হব—

> তোমাৰ মিলন সূত্ৰ
> হব এটি সূক্ষ্ম অনুভূতি,
> সেই অনুভূতি লৈ
> যামগৈ বিশ্বত বিয়পি।[৫৫]

এই অৱস্থাত সাংসাৰিক বৈভৱ বিস্মৃতিৰ গৰ্ভত লীন হব। জীৱাত্মা ৰূপী 'অশান্ত পখীটি' অনন্তত মিলি যাব।[৫৬] 'পিপাসিত' আত্মাৰ 'জিৰণিৰ ঠাই' পাব।[৫৭] তেওঁৰ বিশ্বাস যে 'চৰম সমাধি'ত উপনীত হলে জন্ম-মৰণৰ ভয় নাথাকিব[৫৮]

কবিয়ে নিজৰ প্ৰজ্ঞাৰে মুক্তিৰ দুটা প্ৰকাৰ নিৰ্ধাৰণ কৰিছে — 'মুক্তি' আৰু 'মহামুক্তি'।[৫৯] দুয়োটা কৰলৈ হলে মুক্তি জাগতিক আৰু মহামুক্তি পাৰলৌকিক। 'মুক্তি'য়ে অনুকূল পৰিবেশ সৃষ্টি কৰি আনন্দ দিয়ে। ইয়াৰ অবিহনে 'মহামুক্তি'ৰ সাৰ্থকতা নাথাকে। মুক্তিৰ এটা স্তৰ হৈছে দাসত্ব, পৰাধীনতা, শোষণ আদিৰ পৰা পৰিত্ৰাণ। প্ৰবুদ্ধ কৰ্মযোগীয়েহে এই মুক্তিৰ পথ সুগম কৰিব পাৰে।[৬০] আনটো স্তৰত হৈছে অজ্ঞান আদিৰ পৰা মুক্তি যিয়ে মহামুক্তিৰ ফালে লৈ যায়।

যদি পুনৰ্জন্ম লাভ কৰিবলগীয়া হয় তেন্তে তেওঁ নিজ জন্মভূমি 'পুণ্য মুকুতিৰ ভূমি'তেই জন্ম লৈ স্বৰ্গসুখ লোৱাৰ কামনা কৰে। 'জনমভূমি' কবিতাত এই অনুভূতিয়ে অতীন্দ্ৰিয়তাৰ সীমা স্পৰ্শ কৰিছেগৈ।[৬১] নলিনীদেৱীয়ে ইয়াক যেন শব্দেৰে প্ৰকাশ কৰিব পৰা নাই। এই আলোচনাৰ পৰা দেখা যায় যে তেওঁৰ মুক্তিৰ ধাৰণা বেদান্তাশ্ৰিত হৈয়ো মৌলিক আৰু ব্যাপক।

এইদৰে কাব্যৰ মাজেৰে অধ্যাত্ম দৰ্শনৰ তত্ত্বসমূহ ৰূপায়িত কৰি তেওঁ জীৱনক উন্নত স্তৰলৈ নিয়াৰ প্ৰয়াস কৰিছে। অকল ব্যক্তিগত জীৱনৰ বাবেই নহয় ৰাষ্ট্ৰীয় আৰু সামাজিক জীৱনৰ কাৰণেও উক্ত আদৰ্শ প্ৰেৰণাৰ স্থল।

——

৪৯, সন্ধিয়াৰ সুৰ, পৃঃ ২৯-৩১
৫০, সপোনৰ সুৰ, পৃঃ ৮২
৫১, ঐ পৃঃ ৮৫
৫২, অলকানন্দা, পৃঃ ১৬৬
৫৩, সন্ধিয়াৰ সুৰ, পৃঃ ২৮-২৯
৫৪, সপোনৰ সুৰ পৃঃ ৩৫
৫৫, সন্ধিয়াৰ সুৰ পৃঃ ৩১
৫৬, ঐ পৃঃ ১৭
৫৭, ঐ পৃঃ ১৯
৫৮, (ক) ঐ পৃঃ ২০
(খ) জ্ঞাত্বা দেৱং সৰ্বপাশাপহানিঃ ক্ষীণৈঃ ক্লেশৈৰ্জন্মমৃত্যুপ্ৰহানিঃ। শ্বেতাশ্বতৰোপনিষদ ঃ ১/১১
৫৯, সপোনৰ সুৰ পৃঃ ১০৯,৩৪

৬০, (ক) যুগদেৱতা, পৃঃ ৯১-৯৫
(খ) সপোনৰ সুৰ, পৃঃ ১০৮,১০৯
৬১, সন্ধিয়াৰ সুৰ, পৃঃ ৬২-৬৪

# অসমীয়া ভাষাৰ বাচ্য

[ এটি চমু আলোচনা ]

শ্ৰীপ্ৰিয়দাস তালুকদাৰ

বাচ্য দুবিধ—প্ৰত্যয়ৰ বাচ্য আৰু ক্ৰিয়াৰ বাচ্য। ক্ৰিয়া পদৰ বাচ্যকে বাক্যৰ বাচ্য বোলা হয়। বাচ্য মানে উক্তি বা কোৱাৰ ধৰণ। এটা কথা অৰ্থৰ ব্যতিক্ৰম নকৰাকৈ দুই তিনি প্ৰকাৰে কোৱা বা লিখা হয়; সেয়ে বাচ্য।

বাক্যত কৰ্তা, কৰ্ম আৰু ক্ৰিয়াই প্ৰধান পদ। এই পদ কেইটিৰ অৱস্থিতি আৰু ৰূপ অনুসৰি বাক্যৰ অন্যান্য পদৰ অৱস্থান আৰু ৰূপ লবে।

সংস্কৃতত কৰ্তা পদ মুখ্য ভাবে উক্ত হ'লে কৰ্তৃ বাচ্য, কৰ্মপদ মুখ্য ভাবে উক্ত হ'লে কৰ্ম বাচ্য আৰু অকৰ্মক ক্ৰিয়া পদ মুখ্য ভাবে উক্ত হ'লে ক্ৰিয়া বাচ্য বা ভাব বাচ্য বোলা হয়। অৰ্থাৎ কৰ্তাত প্ৰথমা বিভক্তি, কৰ্ম থাকিলে কৰ্মত দ্বিতীয়া বিভক্তি, ক্ৰিয়া কৰ্তাৰ পুৰুষ আৰু বচন অনুযায়ী হলে, তেনে বাক্যক কৰ্তৃ বাচ্য বোলা হয়। যেনে:-

মাৰ্জাৰঃ দুগ্ধং পিবতি।

অহং নৃত্যামি।

কৰ্তাত তৃতীয়া বিভক্তি, কৰ্মত প্ৰথমা বিভক্তি, ক্ৰিয়া প্ৰথমা বিভক্তি যুক্ত কৰ্ম পদৰ পুৰুষ আৰু বচন অনুযায়ী থাকিলে, তেনে বাক্যক কৰ্ম বাচ্যৰ বাক্য বোলা হয়। যেনে :—

মাৰ্জাৰেণ দুগ্ধং পীয়তে।

ভাব বাচ্যৰ বাক্যত কৰ্ম পদ নাথাকে। কৰ্তাত তৃতীয়া বিভক্তি হয়। ক্ৰিয়াপদ ক্ৰিয়া বিভক্তি যুক্ত হলে সদায় আত্মনেপদৰ প্ৰথম পুৰুষৰ একবচনৰ হয়। ক্ৰিয়াপদ ক্ত,তব্য আদি প্ৰত্যয় যুক্ত হ'লে সদায় ক্লীব লিঙ্গৰ প্ৰথমাৰ একবচনৰ হয়। যেনে :—

ময়া নৃত্যতে।

যুবকৈঃ হসিতম্।

অসমীয়া ভাষাত কৰ্তৃ বাচ্যৰ ৰূপ সংস্কৃতৰ নিয়মে হয়। অৰ্থাৎ কৰ্তাত প্ৰথমা বিভক্তি, কৰ্ম থাকিলে দ্বিতীয়া বিভক্তি, ক্ৰিয়াপদ কৰ্তাৰ পুৰুষ অনুযায়ী হয়। যেনে :— মই তোমাক দেখিছিলো। ছোৱালীবোৰে নাচিছে।

কৰ্ম আৰু ভাব বাচ্যৰ ৰূপ সংস্কৃতৰ নিয়মত নহয় বুলি ধৰি লব পাৰি। অসমীয়া ভাষাৰ কৰ্ম বাচ্যৰ বাক্যৰ কৰ্তাত তৃতীয়া বা ষষ্ঠী বিভক্তি যোগ হয় কৰ্মত সচৰাচৰ দ্বিতীয়া বিভক্তিয়ে থাকে। কৰ্তৃবাচ্যত থকা ক্ৰিয়া পদটিক ক্ৰিয়াৰ্থক কৃদন্ত কৰ্মপদ কৰি লোৱা হয়। বাক্যৰ সমাপ্তি ঘটাবৰ কাৰণে 'হ' 'যা' বা 'গ' ধাতুজাত তৃতীয় পুৰুষৰ সমাপিকা ক্ৰিয়া যোগ দিয়া হয়। এই সহায়কাৰী ক্ৰিয়া পদেই ক্ৰিয়াৰ কাল ঠিক ৰাখে। যেনে—

| কৰ্তৃবাচ্য | কৰ্মবাচ্য |
| --- | --- |
| মই তোমাক দেখিছো। | মোৰ দ্বাৰা তোমাক দেখা হৈছে। |
| তুমি কি খাই ছলা? | তোমাৰ দ্বাৰা কি খোৱা হৈছিল? |
| তুমি জোনবাই দেখিবা। | তোমাৰ দ্বাৰা জোনবাই দেখা হব |
| ৰামে ৰাৱণক বধ কৰিছিল। | ৰামৰ দ্বাৰা ৰাৱণক বধ কৰা হৈছিল। |





কৰ্তৃবাচ্যত কৃদন্ত কৰ্মপদ থাকিলে কৰ্মবাচ্যত ক্ৰিয়াপদ সলনি হয়। যেনে—

| কৰ্তৃবাচ্য | কৰ্মবাচ্য |
| --- | --- |
| তেওঁ মোৰ উপকাৰ কৰিব। | তেওঁৰ দ্বাৰা মোৰ উপকাৰ হব। |

সংস্কৃতগন্ধ বাক্য তৈয়াৰ কৰিলে অসমীয়াতো কৰ্মপদত প্ৰথমা বিভক্তি দি কৰ্ম বাচ্যৰ বাক্য কৰিব পাৰি। তেনে অৱস্থাত ক্ৰিয়াপদৰ পৰা অথবা কৃদন্ত কৰ্মপদ থাকিলে তেনেপদৰ পৰা কৃদন্ত বিশেষণ পদ কৰি লব লাগে আৰু 'হ' 'যা' বা 'গ' ধাতুজাত সমাপিকা ক্ৰিয়াপদ কৰ্মৰ পুৰুষ অনুযায়ী দিব লাগে। যেনে—

| কৰ্তৃবাচ্য | কৰ্মবাচ্য |
| --- | --- |
| মই তোমাক নিমন্ত্ৰন কৰিছো। | মোৰ দ্বাৰা তুমি নিমন্ত্ৰিত হৈছা। |
| তেওঁ মোৰ উপকাৰ কৰিব। | তেওঁৰ দ্বাৰা মই উপকৃত হম। |
| তুমি জোনবাই দেখা। | তোমাৰ দ্বাৰা জোনবাই দৃষ্ট হয়। |
| ৰামে ৰাৱণক বধ কৰিছিল। | ৰামৰ দ্বাৰা ৰাৱণ হত হৈছিল। |

এনে ধৰণৰ বাক্য সৰ্বসাধাৰণে সহজে ব্যৱহাৰ নকৰে। তথাপি এই নিয়ম অসমীয়া ব্যাকৰণত থকা উচিত।

এটা কথা মন কৰিব লগীয়া এই যে অসমীয়া ভাষাৰ কৰ্ম বাচ্যত কৰ্ম পদ বিশেষ ভাবে উক্ত নহৈ কৃদন্ত পদহে বিশেষ ভাবে উক্ত হয়।

অসমীয়া ভাষাৰ ভাব বাচ্য বোলা বাক্যতো ভাব বা ক্ৰিয়া পদৰ বিশেষত্ব ফুটি নোলায়। কৰ্মবাচ্যৰ দৰে ভাব বাচ্যতো ক্ৰিয়াৰ্থক কৃদন্ত কৰ্মপদ দিব লগীয়া হয়, আৰু সেই কৃদন্ত কৰ্ম পদটিয়ে বিশেষকৈ ভাবে উক্ত হয়। বাক্য সম্পূৰ্ণ কৰিবৰ কাৰণে ইয়াতো 'হ,' 'যা' বা 'গ' ধাতুজাত তৃতীয় পুৰুষৰ সাধ্য ক্ৰিয়া হয়। যেনে—

| কৰ্তৃবাচ্য | ভাব বাচ্য |
| --- | --- |
| তেওঁ যাব | তেওঁৰ যোৱা হব।<br>তেওঁৰ দ্বাৰা যোৱা হব। |
| ছোৱালীবোৰে নাচিছে। | ছোৱালীবোৰৰ দ্বাৰা নচা হৈছে। |

ওপৰৰ ভাব বাচ্যৰ বাক্যবোৰত কৃদন্ত কৰ্ম পদেই বিশেষ ভাবে উক্ত হৈছে। এইবোৰো দেখ দেখকৈ কৰ্মবাচ্যৰহে বাক্য। কৰ্তৃবাচ্যত কৰ্ম নাথাকিল বুলিয়ে এই বাক্যবোৰ কৰ্মহীন বুলি কব নোৱাৰি। আমাৰ মতে কৰ্মবাচ্য আৰু ভাব বাচ্যৰ বাক্যবোৰক কৰ্মবাচ্য বুলি নকলেও বিধেয় প্ৰধান বাক্য বুলি কব পাৰি। সেই হিচাবে অসমীয়া ভাষাত বাচ্য দুই প্ৰকাৰ—উদ্দেশ্য প্ৰধান বাচ্য আৰু বিধেয় প্ৰধান বাচ্য।

অসমীয়া ভাষাতো সংস্কৃতৰ দৰে কৰ্মই কৰ্তা যেন হৈ বাক্য তৈয়াৰ হয়। এইবোৰক কৰ্মকৰ্তৃবাচ্যৰ বাক্য বোলা হয়। যেনে—

| | |
| --- | --- |
| কলহটো ভৰিল। | গছজোপা পৰিল। |
| পাতখিলা সৰিল। | কাপোৰখন ফাটিছে। |
| বতাহ বলিছে। | টোপনিয়ে জোকাইছে। |
| ভাত হৈছে। | জুই জ্বলিছে। মানুহ মৰে |

এইবোৰ বাক্যৰ কিছুমানক কৰ্ম বাচ্যলৈ পৰিবৰ্তন কৰিব পাৰি। যেনে—

| কৰ্ম-কৰ্তৃ বাচ্য | কৰ্মবাচ্য |
| --- | --- |
| কলহটো ভৰিল। | কলহটো ভৰোৱা হ'ল। |
| গছজোপা পৰিল। | গছজোপা পেলোৱা হ'ল। |
| পাতখিলা সৰিল। | পাতখিলা সৰোৱা হ'ল। |
| কাপোৰখন ফাটিল। | কাপোৰখন ফটোৱা হ'ল। |
| জুই জ্বলিছে। | জুই জ্বলোৱা হৈছে। |

বাকী—বতাহ বলিছে। টোপনিয়ে জোকাইছে। ভাত হৈছে। মানুহ মৰে— আদি বাক্যবোৰ পৰিবৰ্তন কৰিব নোৱাৰি। কৰ্ম-কৰ্তৃ বাচ্যৰ বাক্যসমূহক আমি উদ্দেশ্য প্ৰধান বাক্য বুলি সামৰি লব পাৰো।

ব্যাকৰণবিদ সকলৰ পৰা এই বিষয়ে বিশেষ মত মত পালে সুখী হ'ম।

## ব্ৰহ্মচৌধুৰীৰ 'কমল-কলি' ঃ এটি সমীক্ষা

ড: পৰীক্ষিত হাজৰিকা

অসমীয়া সাহিত্যৰ চেতনা আৰু আৱাহন যুগৰ কবিসকলৰ ভিতৰত শ্ৰীসীতানাথ ব্ৰহ্মচৌধুৰীও এজন। বাঁহী, মিলন, চেতনা, আৱাহন আদি আলোচনীত এখেতে কবিতা লিখিছিল। এতিয়ালৈকে এখেতৰ চাৰিখন কবিতা-পুথি প্ৰকাশ হৈ ওলাইছে। সেই কেইখন হ'ল—কমল-কলি ( ১৯২৫ ), চকুলো (১৯২৯), আবেগ (১৯২৯), আৰু ফুলেশ্বৰী দৈমাৰী (১৯৭৬)।

সকলো কবিৰ কবিতাৰ বা কবিতা-পুথিৰ সাহিত্যিক মূল্য যিয়েই নহওক লাগে, তথাপি সিবিলাকৰ অন্তৰালত নিহিত হৈ থকা সমসাময়িক তথা পাৰিবেশিক গুৰুত্বৰ একোটা নিজস্ব মূল্য থাকে। কেতিয়াবা সেই মূল্যয়ো কবি-সাহিত্যিকৰ ৰচনাৱলীক ঐতিহাসিকভাৱে অধিক মূল্যবান কৰি তোলে। ভাষাৰ দিশৰ পৰা, সামাজিক পৰিস্থিতিৰ পৰা আৰু সামগ্ৰিকভাৱে ইতিহাসৰ দিশৰ পৰা একোখন গ্ৰন্থৰ মূল্য অধিক হব পাৰে। এনে অৰ্থত ত্ৰয়োদশ শতিকাৰ শেষ ভাগৰ কবি হেমসৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ', অষ্টাদশ শতিকাৰ শেষ ভাগৰ ৰচনা 'কথা-গুৰু চৰিত', ১৮৩৩ চনৰ আত্মাৰাম শৰ্মাৰ 'অসমীয়া বাইবেল' গ্ৰন্থ, ১৮৪৬ চনৰ পৰা প্ৰকাশ হোৱা প্ৰথম অসমীয়া আলোচনী 'অৰুণোদই' আদিৰ ঐতিহাসিক মূল্য মন কৰিব লগীয়া। এনেকুৱা দৃষ্টিকোণৰ পৰা চালে ব্ৰহ্মচৌধুৰীৰ 'কমল-কলি' নামৰ পুথিখনৰো এক ঐতিহাসিক মূল্য আছে।

'কমল-কলি'ৰ সাহিত্যিক গুণাগুণ অনুধাৱন কৰিবলৈ যাওঁতে আমি কেইটামান কথা চকুৰ আগত ৰাখিব লাগিব। সেই কেইটা কথা হ'ল— লিখকজনৰ শিক্ষাৰ স্তৰ, ঘৰুৱা আৰু সামাজিক পৰিবেশ, আঞ্চলিক শিক্ষাগত বাতাবৰণ, সাহিত্যসুলভ চিন্তা-চৰ্চা, প্ৰতিবেশী সাহিত্যিকৰ প্ৰভাৱ আৰু প্ৰেৰণা, ইত্যাদি।

'কমল-কলি' পুথিখন ১৯২৫ চনত প্ৰথম ছপা হৈ ওলাইছিল। তেতিয়া কবিৰ বয়স ১৬/১৭ বছৰ, হাইস্কুলৰ তলৰ খাপৰ ছাত্ৰ; আজি-কালিৰ বয়সৰ তুলনাত আগবঢ়া যেন লাগিলেও, তাহানিৰ যুগৰ ধুবুৰী মহকুমাৰ তেনেই পিছপৰা আৰু হাবি-জংঘলেৰে ভৰা ভালুকমাৰী গাওঁৰ ল'ৰা। তেতিয়াৰ সেই গাওঁত এখন প্ৰাথমিক স্কুলো নাছিল, গতিকে সীতানাথে আন এখন গাওঁ খিলাগুৰিৰ স্কুলত পঢ়িব লগীয়া হৈছিল। প্ৰাথমিক শিক্ষা সাং কৰি তেওঁ দূৰৰ গাওঁৰ পুঠিমাৰী এম-ভি স্কুলৰ পৰা এম-ভি পাছ কৰিছিল। তাৰ পাছত তেওঁ ধুবুৰী চৰকাৰী হাইস্কুলত ভৰ্ত্তি হৈছিল। ধুবুৰী হাইস্কুলত তেতিয়া অসমীয়া ছাত্ৰৰ সংখ্যা ২০/২৫ জনতকৈ বেছি নাছিল।[১] বঙালী ভাষাই গোৱালপাৰা জিলা গ্ৰাস কৰি পেলাইছিল। উল্লেখযোগ্য কথা যে সেই সময়ত গোৱালপাৰা জিলাক বঙ্গৰ লগত চামিল কৰিবলৈ কিছুমান স্বাৰ্থপৰ গণ্যমান্য লোকে যৎপৰোনাস্তি চেষ্টা কৰিছিল। তেওঁ লোকৰ যুক্তি হ'ল যে গোৱালপাৰাত বঙালী ভাষা-ভাষীলোকৰ

১. ব্ৰহ্ম চৌধুৰীৰ জীৱন টোকা।



সংখ্যা অধিক; তদুপৰি পশ্চিম বঙ্গৰ লগত চামিল হলে গোৱালপৰীয়া ৰাইজৰ আৰ্থিক, শৈক্ষিক আৰু ৰাজনৈতিক সুবিধা বহুত বেছি হব, ইত্যাদি। ১৯১৮ চনতে এচাম বঙালী বুদ্ধিজীৱীয়ে গোৱালপাৰা-গ্ৰাসৰ উদ্দেশ্যে 'গোৱালপাৰা এচোচিয়েচন' গঠন কৰিছিল। এই ক্ষেত্ৰত বেছিভাগ জমিদাৰে ইন্ধন যোগাইছিল। ১৯২১ চনৰ জুলাই মাহত আন্দোলনকাৰী সকলে গোৱালপাৰা জিলাক পশ্চিম বঙ্গৰ লগত চামিল কৰিবলৈ দাবী জনাই গৱৰ্ণৰ-জেনেৰেল লৰ্ড চেমচ্‌ফোৰ্ডৰ ওচৰত লিখিতভাৱে আবেদন কৰিছিল। গৌৰীপুৰৰ জমিদাৰ প্ৰভাতচন্দ্ৰ বৰুৱাই এই আন্দোলনৰ গুৰি ধৰিছিল।[২] কিন্তু গোৱালপাৰাৰ খিলঞ্জীয়া ৰাইজে সেই আন্দোলন সমৰ্থন নকৰিলে।[৩] আনহাতে ১৯২৬ আৰু ১৯২৭ চনত ক্ৰমে ধুবুৰী আৰু গোৱালপাৰাত বহা অসম সাহিত্য সভাৰ অধিবেশনে জিলাখনৰ ৰাইজক আগতকৈও বেছি অসম-প্ৰেমী কৰি তুলিবলৈ সক্ষম হ'ল।[৪]

মন কৰিব লগীয়া কথা এই যে ১৯২৫ চনৰ আগলৈকে গোৱালপাৰা জিলাৰ পাঠশালা আদিত বঙলা ভাষা চলিছিল। সেই কাৰণে অসম সাহিত্য সভাৰ দশম সন্মিলনত ( ১৯২৭ ) প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল যে 'গোৱালপাৰা জিলাৰ আদালতৰ ভাষা অসমীয়া হব লাগে আৰু পাঠশালা আদিত অসমীয়া ভাষা চলাব লাগে, আৰু পাঠশালা - পৰিদৰ্শকসকল অসমীয়া হ'ব লাগে'।[৫] গোৱালপাৰা জিলাৰ ভাষা সম্পৰ্কে এ-জে মফাট মিল চাহাবে তেওঁৰ প্ৰতিবেদনত লিখিছিল যে ইয়াৰ ছাত্ৰসকলক ইংৰাজী, বঙালী আৰু পাৰ্চী ভাষা শিকোৱা হয়। সমগ্ৰ গোৱালপাৰা জিলাত মাত্ৰ দহখন (প্ৰাথমিক ?) বিদ্যালয় আছে।[৬] গোৱালপাৰাৰ বৈটামাৰী-নিবাসী শ্ৰীপদ্মলোচন দাস-দিহিডাৰে উল্লেখ কৰিছে যে— 'এই জিলাত অসমীয়া, বঙালী আৰু পাৰ্বত্য ভাষাৰ প্ৰচলন আছে। ইয়াৰ আচল ভাষা অসমীয়া; কিন্তু তাতে বঙ্গালী আৰু ঢেকেৰী ভাষা মিহলি হৈছে। ইং ১৯২৫ চনৰ পৰা স্কুল বিলাকত অসমীয়া ভাষাৰ কিতাপ দিয়া হৈছে'।[৭]

ওপৰৰ সংক্ষেপ তথ্য সমূহৰ পৰা বুজা যায় যে সীতানাথ ব্ৰহ্মচৌধুৰীয়ে বঙালী ভাষাৰ মাধ্যমত শিক্ষা লাভ কৰিব লগীয়া হৈছিল। গোৱালপাৰা জিলাত তেতিয়া অসমীয়া ভাষাৰ শোচনীয় অৱস্থা আছিল। আনকি তেতিয়া গোৱালপাৰা-বিচ্ছেদৰ আন্দোলনে তাৰ খিলঞ্জীয়া ৰাইজৰ মন অস্থিৰ কৰি ৰাখিছিল। তেনে অৱস্থাত অসমীয়া ছাত্ৰই এক হুলস্থুলীয়া বাতাবৰণৰ মাজত থাকি অনিশ্চয়ভাৱে পঢ়া-শুনা কৰিব লগীয়া হৈছিল। গতিকে ছাত্ৰৰ পক্ষে সাহিত্য চৰ্চা কৰাটো অসম্ভৱ আছিল।[৮] তথাপিও যে ব্ৰহ্ম চৌধুৰীয়ে 'কমল-কলি' লিখি ছপাব পাৰিছিল সেইটোহে বৰ আচৰিত কথা। তাতে আকৌ তেওঁ তেতিয়া গোৱালপাৰাৰ

২. Political History of Assam, vol. II, pp. 295—300.

৩. শ্ৰীতিলক দাস, 'গোৱালপাৰা অসমৰ অবিচ্ছেদ্য অংগ' স্মৃতি-গ্ৰন্থ, ঊনত্ৰিংশ সন্মিলন, অসম সাহিত্য সভা, গোৱালপাৰা, ১৯৬১, পৃ: ১০-১৭।

৪. শ্ৰীতাৰানাথ চোধাৰী, আসাম সাহিত্য সভাৰ দশম বাৰ্ষিক অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ অভিভাষণ, ১৯২৭

৫. আসাম সাহিত্য সভা-পত্ৰিকা, আহিন—আঘোণ, ১৮৪৯-৫০, দ্বিতীয় বছৰ, প্ৰথম সংখ্যা, পৃ: ৩৭।

৬. A. J. Moffat Mills, Report on the Province of Assam, Calcutta. 1854. p. 8.

৭. আসাম সাহিত্য সভা পত্ৰিকা, ২য় বছৰ, ৩য় সংখ্যা, পৃ: ১৩৫।

৮. পদ্মৰ চলিহাই 'আবেগ' পুথিৰ পাতনিত লিখিছিল — 'এই তৰুণ কবিৰ ঘৰ গোৱালপাৰা জিলাৰ ধুবুৰী অঞ্চলত, য'ত অসমীয়া ভাষাই এতিয়াও খোপনি পুতিব পৰা নাই এখোন; য'ত বঙ্গভাষাৰ লগত অসমীয়া ভাষাৰ টনা-আজোৰা চলিয়েই আছে। এনে আতংকলীয়া পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজত অসমীয়া ভাষাৰ একনিষ্ঠ সেৱা কৰিবলৈ যে কিমান নৈতিক বল আৰু স্বদেশ-হিতৈষণাৰ প্ৰয়োজন সেই কথা বহলাই নকলেও হব।

স্কুল-আদালতত অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠা কৰাৰ আন্দোলনত জড়িত হৈ পৰিছিল।

আৰু এটা কথা। বহুত স্বনামধন্য কবিৰ ঘৰুৱা আৰ্থিক অৱস্থা, শিক্ষাসুলভ পৰিবেশ আৰু বৌদ্ধিক পৰিমণ্ডল তেওঁৰ সাহিত্য-চৰ্চাৰ অনুকূলে থকা দেখা যায়। কিন্তু ব্ৰহ্ম চৌধুৰীৰ তেনেকুৱা অনুকূলী অৱিহণা এটাও নাছিল। কিছুমান কবিৰ সাহিত্য-সাধনাত বংশ-পৰম্পৰাইও প্ৰেৰণা যোগায়। ব্ৰহ্ম চৌধুৰীৰ পূৰ্ব পুৰুষৰ বিচাৰত তেনে অৱদানৰ কথা গম পোৱা নাযায়।

বৰ্তমান যুগত কোৱাত বা শুনাত বিসদৃশ যেন লাগিলেও এইটো সঁচা কথা যে অসমৰ বড়ো-কছাৰী-সকল সেই সময়ত শিক্ষাৰ ক্ষেত্ৰত তেনেই পিছপৰা আছিল। খুব কম সংখ্যক লৰাহে স্কুললৈ গৈছিল। বেছিভাগেই খেতি-বাতিত মন দিছিল। সীতানাথ বড়ো-সম্প্ৰদায়ৰ জনজাতীয়লোক। দহ বছৰমান বয়সত তেওঁ প্ৰাথমিক স্কুললৈ অহা-যোৱা কৰিছিল। তাহানিৰ গাওঁৰ লৰাই প্ৰায় সিমান বয়সতেই ক-শ্ৰেণীত ভৰ্তি হয়। এনেকুৱা এটা সম্প্ৰদায়, এনেকুৱা এখন ঘৰ আৰু এনেকুৱা এটা অঞ্চলৰ পৰা পেকাৰ মাজত পদুম ফুল ফুলাৰ দৰে সীতানাথ ব্ৰহ্মচৌধুৰী ওলাই আহিছিল। তেওঁৰ নিচিনা পদুমফুল কোকৰাঝাৰ-ধুবুৰী অঞ্চলতহে ই-চাৰিটা আৰু আছে; অৱশ্যে প্ৰসঙ্গ আৰু আদৰ্শ বেলেগ।

এইজন কোমলমতীয়া স্কুলীয়া ছাত্ৰ সীতানাথৰ প্ৰথম পুথিখনেই হ'ল 'কমল-কলি'। ওপৰত উল্লেখ কৰা যুক্তি বা কাৰণ সমূহৰ পৰিপ্ৰেক্ষিতত পুথিখনৰ গুণাগুণ বিচাৰ কৰি চোৱাৰ যুক্তি-যুক্ততা নিশ্চয় আছে। অৱশ্যে এই বছৰ ব্ৰহ্মচৌধুৰী অসম সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হোৱা কাৰণে কবি গৰাকীৰ প্ৰতি কৃত্ৰিম প্ৰশংসামুখৰ হৈ ফুল-চন্দন চটিওৱাৰ দুৰ্বলতা আমি পোষণ কৰা নাই।

'কমল-কলি' ৩৫ টা কবিতা সন্নিবিষ্ট ১০০ পৃষ্ঠাৰ পুথি। ডবল ডিমাই আকাৰৰ আৰ্ট পেপাৰ বা বণ্ড-পেপাৰত ডাঠ-নীলা চিয়াঁহীৰে পাইকা আখৰত কবিতাবোৰ ছপোৱা হৈছে। ছপাশাল ধুবুৰীৰ ছিটি ওৱাৰ্কচ। পুথিখন কবিৰ জন্ম-গাওঁ ভাসুকমাৰীৰ শ্ৰীনিবাৰণচন্দ্ৰ ব্ৰহ্ম চৌধুৰীয়ে প্ৰকাশ কৰিছে। আৰু ইয়াক কবিৰ ককায়েক আসাম-বড়ো-জননীৰ সুসন্তান ৺শোভাৰাম ব্ৰহ্মচৌধুৰীৰ পবিত্ৰ স্মৃতিত উছৰ্গা কৰা হৈছে। পুথিখনৰ দাম বাৰ অনা; প্ৰথম প্ৰকাশ ১৯২৫ চন।

'কমল-কলি'ৰ কবিতাসমূহক শিথিলভাৱে তলত দেখুওৱাৰ দৰে ভগাব পাৰি, যেনে— স্তুতিমূলক, প্ৰকৃতি বিষয়ক, জীৱন-দৰ্শন বিষয়ক, পুনৰ্মিলন, নৈৰ্ব্যক্তিক বৰ্ণনামূলক আৰু আধ্যাত্মিক।

স্তুতিমূলক কবিতা সমূহত কবিয়ে নানা প্ৰসঙ্গত ভগৱানৰ চৰণত প্ৰাৰ্থনা জনাইছে। প্ৰাৰ্থনাৰ উদ্দেশ্য হ'ল— যাতে ভগৱানৰ কৃপাত নিজৰ, দহৰ আৰু সমাজৰ উন্নতি সাধিত হয় আৰু পৃথিৱীত শান্তি বিৰাজ কৰে। কবিয়ে অনুভৱ কৰিছে যে ভগৱান সৰ্বশক্তিমান, তেওঁ সৰ্বজ্ঞ, সৰ্বব্যাপ্ত, দয়াৰ সাগৰ; তেওঁ অবিহনে জগতৰ সৃষ্টি, স্থিতি আৰু বিকাশ অসম্ভৱ। সেইকাৰণে বিশ্ব-ব্ৰহ্মাণ্ডৰ অংশ-উপাদানসমূহে ঈশ্বৰৰ অস্তিত্ব অনুভৱ কৰে আৰু তেওঁৰ গুণ-গান গায়। তেওঁৰ ইঙ্গিতত বিশ্বৰ সকলোৱে নিজ নিজ কৰ্তব্য কৰে। কবিৰ ভাষাত—

পূব আকাশৰ পৰা দিনপতি
সুদূৰ পচিমে যায়,—
কৰ্ত্তব্য কৰম প্ৰৱন্দ উছাহে
কৰেহি আনন্দে সুমধুৰ হাঁহে,
আলোকে নিখিল জগত ভাঁহে,
—সি যে তৱ গুণ গায়!

* * *

উপৰে সুন্দৰ সুনীল আকাশ



জোন-নক্ষত্ৰৰ স'তে,—
তলত প্ৰিয়া জননীআমাৰ
বসুন্ধৰা, শ্যাম-শস্যৰ আধাৰ,
শোভাৰ প্ৰতিমা, প্ৰীতি-পাৰাবাৰ,
হে নাথ, তুমি যে তাতে।

* * *

তোমাৰে নাম গায়, ধৰেহি তান
—গীতাকুল বীণধ্বনি,
অনলতো প্ৰভু তোমাৰ প্ৰকাশ,
মলয়-পৱনে তোমাৰ আভাস,
নীৰ-শূন্য প্ৰাণ নিখিলে বিকাশ,
তোমাৰ তুলনা তুমি।

এইদৰে কবিয়ে ভগৱানৰ বিভিন্ন অভিব্যক্তি বিশ্বৰ নানা উপাদানৰ মাজেৰে উপলব্ধি কৰাৰ চেষ্টা কৰিছে। ব্ৰহ্মাণ্ডৰ সকলো ৰূপ-ছটাৰ সৈতে ভগৱানৰ বিচিত্ৰ অৱভাস তুলনা কৰিবলৈ কবি অক্ষম; সেই কাৰণে কবিয়ে কৈছে যে 'তোমাৰ তুলনা তুমি'যেই; অৰ্থাৎ ঈশ্বৰ এক অতুলনীয় সত্তা; সেই সত্তাৰ জগত কাৰো তুলনা নহয়। কাৰণ তেওঁ 'একমেৱ অদ্বিতীয়ম্'। ব্ৰহ্মচৌধুৰীৰ এই ভাৱৰ অন্যান্য কবিতা হ'ল— আবাহন, প্ৰতীক্ষা, তেওঁ, প্ৰেম, প্ৰাৰ্থনা ইত্যাদি।

'কমল-কলি'ৰ তটিনী, উষা, সান্ধ্যগীতি, শৰৎ-গীতি প্ৰভৃতি কবিতাক প্ৰকৃতি-বিষয়ক কবিতা বুলি ধৰিব পাৰি। এইবোৰ কবিতাৰ মাজেৰে কবিয়ে প্ৰকৃতি-ৰাজ্যৰ বিচিত্ৰ বৈভৱ স্থূলভাৱে প্ৰতীয়মান কৰিবলৈ চেষ্টা কৰিছে। 'উষা' নামৰ কবিতাটিত কবিয়ে ৰাতি-পুৱাৰ বৰ্ণনা দিছে এইদৰে—

উজলাই বিশ্ব পূবৰ গগনে
আহে, আলস্য চৰণা—
নবীনা উষা কিৰণ-শোভিতা,
মোহিনী প্ৰতিমা, মধুৰ হাঁহিতা,
কনক-অঞ্চল চৰণ-লুণ্ঠিতা,
হাতত কনক বীণা।

আন্ধাৰ ৰজনী গুচিল এতিয়া,
আকাশে লুকাল তৰা,
বিমল জেউতি শোভিল গগনে,
সৰ্বপ্ৰান্ত তীৰে, বিজন কাননে,
নবীন জেউতি ভৰিল ভুৱনে,
জগত আনন্দ ভৰা।

ৰাতিপুৱা জগত পোহৰ কৰা উষাৰ হিৰণ-কিৰণ সাজ, প্ৰাণীবিলাকৰ নিজ নিজ কৰ্মক্ষেত্ৰলৈ আহ্বান হোৱা দৃশ্য— বিহঙ্গৰ উকলি, ভোমোৰাৰ গুঞ্জন, তটিনীৰ কুলু-কুলু ধ্বনি, মলয়াৰ মৃদু-মন্দ গতি, মানুহৰ নতুন কৰ্ম-স্পৃহা ইত্যাদি বিভিন্ন ভাৱ-দৃশ্য কবিৰ মানস পটত উজলি উঠিছে। কবিতাটিত হেমচন্দ্ৰ গোস্বামীৰ 'পুৱা' নামৰ কবিতাটিৰ প্ৰতিধ্বনি শুনা যায়।

'শৰৎ-গীতি' কবিতাত শৰত কালৰ সুখ-সম্প্ৰীতি ধনে-ধানে ভৰা এখন সুষমা-মণ্ডিত সংসাৰৰ দৃশ্য অঙ্কিত হৈছে। এই সময়ত বাৰিষাৰ ধাৰাসাৰ বৰষুণ নাথাকে, গাওঁৰ বোকা-পানী শুকাই যায়, মেঘৰ কাণ-তাল মৰা মহা গৰ্জন শুনা নহয়, আকাশ মুকলি হৈ থাকে, বাট-পথ সুগম হৈ পৰে, খেতি-পথাৰত শুৱনী লখিমীয়ে তিৰবিৰাই থাকে, প্ৰকৃতি দেৱীয়ে মানুহৰ মন আনন্দে নধৰা কৰি ৰাখে। শৰত-ঋতুত সকলো পিনে সুখ-শান্তিয়ে বিৰাজ কৰে।

শৰত কালত প্ৰকৃতি-ৰাণীৰ সৌন্দৰ্য আৰু প্ৰাণী সমাজৰ মন কিদৰে আনন্দাপ্লুত হয় তাৰে আনুভূতিক চিত্ৰ তলৰ কবিতাংশত পোৱা যায়—

উপৰে সুন্দৰ সুনীল আকাশ
শোভিছে শূন্য কোলে,
তলত নাচিছে শ্যাম-বসুন্ধৰা
আনন্দ জনয় তলে!
শাৰদ মলয় সুখ-বাৰ্ত্তা আনে—
স্বৰগ জননী আহিব ভুৱনে
অসীম আনন্দে বিশ্বপ্ৰাণী মনে
উঠিছে নতুন আশা,

জননী আনিব আঁচল ভৰাই
নৱ সুখ-শান্তি-ভাষা।
(শৰৎ-গীতি)।

'কমল-কলি'ত জীৱন-দৰ্শনমূলক কবিতাৰ সংখ্যাই সৰহ। এই শ্ৰেণীৰ কবিতাৰ ভিতৰত উদ্দীপনা, শোক আৰু শান্তি, বিদায়-অশ্ৰু, মুক্ত-বাণী, মানৱ-ভাগ্য, জীৱন-পথ, যাত্ৰী, উলাহ-গীতি, লক্ষ্য, আত্মবল আৰু মানস-গীতি উল্লেখনীয়।

তৰুণ বয়সত মানুহ স্বাভাৱিকতে কল্পনা-প্ৰৱণ হয়। তেওঁৰ কল্পনাই মনৰ বনত চপল হৰিণীৰে দেও দি দি আঁতৰি যোৱাৰ দৰে কেনিবাখন পায়। কেতিয়াবা আকৌ সংসাৰৰ মায়াবী জালত কল্পনা-হৰিণী বন্দী হয় আৰু ভৱিষ্যৎ বিপদৰ আশঙ্কাত বিনাবলৈ ধৰে। ব্ৰহ্মচৌধুৰী সক কালৰ পৰাই এজন ভাবুক মানুহ। ছাত্ৰাৱস্থাত তেওঁ হাবিয়ে-জঙ্গলে, পাঁৰে-ভুঁঞে ঘূৰি-ফুৰি ভাল পাইছিল। তেতিয়া তেওঁ মুক্ত বিহঙ্গৰ উন্মুক্ত জীৱনৰ মাজত নিজক বিচাৰি পাইছিল। কিন্তু এটা সময়ত তেওঁৰ সেই উচ্ছ্বাস দমি গ'ল। তেওঁ উপলব্ধি কৰিলে যে মানুহৰ জীৱনটো কণ্টকাকীৰ্ণ, সংসাৰখন বৰ জটিল; কিয়নো—

যোজে পতি আছে বিঘ্নি, যোজে পতি ক্ষয়,
অপমান, অত্যাচাৰ দুখ-দৈন্য ভয়,
নৈৰাশ্য ও নিৰানন্দ, বিৰহ-সন্তাপ,
অশান্তি, চকুলো আৰু চিৰপৰিতাপ,
হকা-বধা নানা বিধ আছে অগনন,
এ কি পথ জীৱনৰ চিৰ বিভীষণ!
(জীৱন-পথ)।

সংসাৰত ঘাত-প্ৰতিঘাত, চল-চক্ৰান্ত, বাধা-বিঘিনি থকা সত্ত্বেও কবি হতাশ হোৱা নাই। তেওঁ বুজি উঠিছে যে জীৱন মানেই সংগ্ৰাম, জীৱ মাত্ৰেই সংগ্ৰামী। জীৱন-যুদ্ধত জয়ী হবলৈ হলে মানুহ ধৈৰ্য্যশীল, সাহসী, উদ্যোগী, সংযমী, আত্ম-বিশ্বাসী আৰু দৃঢ়মনা হব লাগিব। সেই কাৰণে তেওঁ জীৱন-পথৰ যাত্ৰীক কৈছে —

দেখি বাৰিবৰিষণ, মত্ত প্ৰভঞ্জন
আশনি পাত,
— গাজন মাত,
কিয় তব হাঁয় কম্পিত হৃদয়?
জাগিছে মনত মৃত্যুৰেহে ভয়?
হেৰা ভীৰু, আনা মুখত তোমাৰ
বীৰৰ মাত,
কৰাহি প্ৰতিজ্ঞা 'আগুৱাম মই
হলেও তাত
জীৱন পাত।'
* * *
তুমি যদি নৰ, কৰ্ত্তব্য নৰৰ
আছে কত হাঁয়, সাধা সেইবোৰ,
নৰ-পৰিচয় পাৰিবা তেৱেহে
দানিব ভৱে,
নহলে তুমিনো মানৱ কিহৰ?
পশু যে তেৱে,
— সাধা গৌৰবে। (উদ্দীপনা)।

ব্ৰহ্মচৌধুৰীৰ 'যাত্ৰী', 'উলাহ-গীতি', 'লক্ষ্য' আদি কবিতাতো এই একে ভাৱৰ ধলকনি উঠিছে। তেওঁ এজন আশাবাদী কবি। বিপদ-কাতৰক অভয় দান দিয়া আৰু শঙ্কাকুলক সুপথ দেখুওৱাটো কবিজনাৰ চাৰিত্ৰিক বৈশিষ্ট্য। মানুহক কৰ্ম-প্ৰেৰণা যোগোৱা, সমাজত প্ৰেম-শান্তি ৰক্ষাই ৰখা আৰু মানৱ জীৱনৰ সাৰ্থকতা লাভ কৰাই হ'ল এই শ্ৰেণী ক কথা।

দধীচিলৈ, ভৰত, ৺ মাতৃদেৱী আৰু কৰ্মবীৰ ৺ শোভাৰাম ব্ৰহ্মচৌধুৰী নামৰ কবিতা কেইটি প্ৰশস্তি-মূলক কবিতা। '৺ মাতৃদেৱী' কবিতাত অকালতে মাতৃহাৰা হোৱা সন্তানৰ মৰ্মন্তুদ বেদনাৰ তীব্ৰ অনুভূতি প্ৰকাশ পাইছে। কবিয়ে ইয়াত মাতৃজাতিৰ মহা শ্ৰদ্ধাসিখিল আবেগেৰে খাতি ধৰিছে। শেষৰটো



কবিতাত কবিয়ে ককায়েক শোভাৰামৰ কৰ্মনিষ্ঠা, ত্যাগ, ধৈৰ্য, স্বজাতি-প্ৰীতি আৰু মহান আদৰ্শ শ্ৰদ্ধাৰে সুঁৱৰিছে। দুয়োটি কবিতাত কবিৰ আন্তৰিকতা বিদ্যমান।

দধীচি মুনি ত্যাগৰ প্ৰতীক; তেওঁ পৰৰ হিতৰ কাৰণে নিজৰ প্ৰাণ বিসৰ্জন দিছিল। তেওঁৰ বিচাৰ-বিবেচনা, জ্ঞান-গৰিমা অতুলনীয়। কবিয়ে ইয়াকে প্ৰকাশ কৰিছে 'দধীচিলৈ' কবিতাত —

তুমি হে যোগীন্দ্ৰ, জ্ঞানী, শান্ত, ধীৰ,
পৰাৰ্থে ত্যাগৰ মহান বীৰ!
— আত্ম-ত্যাগৰ জলন্ত মূৰতি
আমাক হাঁয়,
দেখোৱাহি তুমি সমান তাৰ
গৌৰৱ নাই।

'ভৰত' নামৰ কবিতাত ন্যায়-নীতিৰ শ্ৰেষ্ঠত্ব ঘোষণা হৈছে। কৈকেয়ীৰ পুত্ৰ ভৰতে জগতত ন্যায়-নীতি ৰক্ষাৰ কাৰণেই গৌৰৱপূৰ্ণ অযোধ্যা ৰাজ্যৰ ৰাজসিংহাসনত নবহিল, বৰঞ্চ ককায়েক ৰামচন্দ্ৰৰ খৰম যুগলত সেই সিংহাসনত স্থাপন কৰিলে; বনবাসৰ পৰা ঘূৰি অহাৰ পিছত প্ৰকৃত উত্তৰাধিকাৰী শ্ৰীৰামচন্দ্ৰকে তাত বহুৱালে। ভৰতৰ স্বাৰ্থ-ত্যাগ আৰু নীতি-জ্ঞানৰ মহত্ব কবিতাটিত প্ৰতিভাত হৈছে।

প্ৰসঙ্গোচিত কথা এই যে দধীচিলৈ, ভৰত আৰু কৰ্মবীৰ ৺ শোভাৰাম ব্ৰহ্মচৌধুৰী শীৰ্ষক কবিতা কেইটিৰ মাজেৰে কবিৰ স্বদেশ-প্ৰেমৰ ভাৱটিও জিলিকি আছে। কবিতা তিনিটাৰ ৰচনা-কালত অসমৰ সামগ্ৰিক অৱস্থা সন্তোষজনক নাছিল বুলি সহজে অনুমান কৰিব পাৰি। সেই সময় ছোৱাৰ আভাস আগতে আমি দি আহিছোঁ। ত্যাগী, সাহসী, দৃঢ়মনা আৰু নীতিজ্ঞ লোকৰ অভাৱ হয়তো কবিয়ে তেতিয়া অনুভৱ কৰিছিল। গতিকে পৰোক্ষভাৱে তেওঁ ইয়াক কবিতাৰ মাজেৰে অসমীয়া মাইজৰ আগত দাঙি ধৰিছিল। অগ্ৰজ শোভাৰাম ব্ৰহ্মচৌধুৰীৰ অকাল মৃত্যুত তেওঁ স্পষ্টভাৱেই অসম-জননীৰ দুখত অভিভূত হৈ পৰিছিল। তাৰে প্ৰতিধ্বনি এইদৰে বাজি উঠিছে —

চকুলোৰে ভৰা চকু, শোকাকুলা জননী অসম
বাগৰে মাটিতে হাঁয়, বুকে তাৰ বাজিছে বিষম
বজ্ৰ প্ৰায় শোক তৱ।
যথাৰ্থতে জানিছিলা মনে
ধৰ্ম তৱ জাতি-সেৱা, ধৰ্ম তৱ সেৱা সযতনে
জন্মদেশ-জননীৰ; কিন্তু হাঁয় আজি কিয় তুমি
অকস্মাৎ অসময়ে নীৰৱেৰে বজ্ৰব্যথা হানি
জাতি ও দেশৰ বুকে, গ'লা কোন অজ্ঞাত সুদূৰ
পৃথিবীৰ পৰপাৰে!
* * *
কোনে আৰু দেশ-জননীৰ,
দুৰ্ভাগা বঙোৰ এই দুচকুত বোৱা অশ্ৰুনীৰ
গুচাই সাদৰ যত্নে পোহৰত ইহঁতাৰ মুখ
বোৱাব গৌৰৱ হৃদে আঁতৰাই লাজ-ভয়-দুখ।
* * *
—দুৰ্ভাগিনী দেশ-বুকে দেশবাসী কৰে হাঁহাকাৰ,
ক'তা তুমি কৰ্মবীৰ, লক্ষ্যপথ দেখুৱা আমাৰ।

ব্ৰহ্মচৌধুৰীৰ এইয়া পাৰিবাৰিক হুতাশ নহয়, জেষ্ঠ ভাতৃ বিয়োগৰ করুণ বেদনো নহয় — এইয়া তেওঁৰ অন্তৰ নিগৰি ওলোৱা স্বদেশ প্ৰেমৰ জলন্ত উচ্ছ্বাস। এই উচ্ছ্বাস তেওঁৰ অন্যান্য কবিতাৰ পংক্তিতো পোৱা যায়।

'কমল-কলি'ত নৈৰ্ব্যক্তিক বৰ্ণনামূলক কবিতা কেইটিমান আছে। সেইবোৰ কবিতাত কমলাকান্ত ভট্টাচাৰ্য, পদ্মনাথ গোহাঞি বৰুৱা প্ৰভৃতি কেইগৰাকীমান অগ্ৰজ কবিৰ ভাৱ, বৰ্ণনা আৰু চিত্ৰকল্পৰ প্ৰভাৱ পৰা বুলি ভাবিবৰ অৱকাশ আছে। বিশেষকৈ গোহাঞি বৰুৱাৰ 'কবিতা' নামৰ কবিতাটিৰ লগত ব্ৰহ্মচৌধুৰীৰ 'কবিতা'টিৰ বহুপ্ৰকাৰে মিল আছে। কাৰণ, বিষয়-বস্তু দুয়োটাৰে একে; দুয়োটা কবিতা চৈধ্য শাৰীৰ। শেষৰ দুটা শাৰীত গোহাঞি বৰুৱাই যেনেকৈ

বক্তব্যৰ সাৰ কথাখিনি থুপাই দিছে, ব্ৰহ্ম চৌধুৰীয়েও তেনেকৈয়ে দিছে। যেনে :—

গোঁহাঞি বৰুৱা : নসহি কবিতা-বাণী, জড় জগতত
দিলেহি বুজনি সুৰ অব্যক্ত ভাৱত।

ব্ৰহ্ম চৌধুৰী : কবিৰ হৃদিস্থ বাক্য! ত্যাগী সুধীনৰ
তোমাতে আছিলে ইঁহে, ইঁহি আনন্দৰ।

দুয়োজন কবিয়ে নীলাকাশ (নীল আকাশ), কুসুম শব্দ দুটা প্ৰয়োগ কৰিছে। কোনো কোনো শাৰীৰ ভাৱ-চিত্ৰ মিলিও গৈছে : যেনে —

(গো. ব.) : ৰূপহী জোনায়ে দেহি, কত প্ৰেম ভাব!
(ব্ৰ. চৌ.) : জোনাক নিশাৰ শোভা মোহন সুন্দৰ,

ইত্যাদি। তদুপৰি দুয়োটা কবিতাৰ ছন্দ-সজ্জা আৰু ধ্বনি-মাত্ৰা একে ৰীতিৰ।

ব্ৰহ্মচৌধুৰীৰ 'বুৰঞ্জী' শীৰ্ষক কবিতাটিৰ উৎস কমলাকান্ত ভট্টাচাৰ্যৰ 'পাহৰণি' নামৰ কবিতাটি বুলি অনুমান হয়। দুয়োটা কবিতাৰ উদ্দেশ্য প্ৰায় একে; কিন্তু প্ৰকাশ-ভঙ্গীৰ গতিধাৰা বেলেগ বেলেগ। ভট্টাচাৰ্যৰ কবিতাটিত আছে মহাবাহু ব্ৰহ্মপুত্ৰৰ উদাত্ত-উচ্ছ্বল গতি, আনহাতে ব্ৰহ্মচৌধুৰীৰ 'বুৰঞ্জী'ত আছে শান্ত সৌম্য নিজৰাৰ অনাবিল সোঁত।

'কমল-কলি'ত থকা আধ্যাত্মিক ভাৱৰ কবিতাবোৰ হ'ল— জীৱন-তৰণী, বন্দী, নিবেদন, মিনতি আৰু সমৰ্পণ। অৱশ্যে ব্ৰহ্মচৌধুৰীৰ আন কিছুমান কবিতাৰ পংক্তিতো আধ্যাত্মিক চ[illegible]ৰ পৰশ পৰিছে; কিন্তু সেই-বোৰ কবিতাৰ সামগ্ৰিক তত্ত্ব-ৰূপ বেলেগ।

জীৱন, জগত আৰু ঈশ্বৰক কেন্দ্ৰ কৰি কিছুমান ভাৱ-চিন্তাই কবিৰ মনত কুণ্ডলী পকাই থাকে, সেই-বোৰেই সময়ত বাঙ্ময় ৰূপ লয়। তৰুণ কবি ব্ৰহ্ম-চৌধুৰীৰ ক্ষেত্ৰতো সেয়ে হৈছে। প্ৰথম অৱস্থাত কবিৰ মনত এই সংসাৰখন সুখৰ আঁকৰ বুলি ধাৰণা জন্মিছিল। কিন্তু জ্ঞান বঢ়াৰ লগে লগে তেওঁ অনুভৱ কৰিলে যে মানৱ জীৱনটো চন্দ্ৰৰ স্নিগ্ধ কিৰণৰ দৰে সৰল-শীতল নহয়, সংসাৰখনো জটিল আৰু নানা বাধা-বিঘিনিৰে ভৰা। শক্তিকে তেওঁ কৈছে—

তৰঙ্গ আকুল অসীম সাগৰ
গাজিছে ঘনে,
ঘুৰাই বিশ্বৰ আনন্দ-প্ৰেম
গাজম স্বনে।
এখুৱা অকূল সাগৰৰ কোলে
এখুৱা গাজন মহা কোলাহলে
পৰ্বত সমান ঢেউৰ মাজেদি
আকুলমনে—
ভাঁহিছেহি মোৰ জীৱন-তৰণী
বিপদ-মৰণ ক্ষণে ক্ষণে গণি।

সংসাৰ-সাগৰত পৰি কবিয়ে কক্ বকাই ফুৰিছে। এই জীৱন-প্ৰবাহ কোন পিনে গৈছে, কিহৰ বাধাত গৈছে, গন্তব্য স্থান ক'ত, সেই স্থান পাবনে নাপা[illegible] ইত্যাদি চিন্তাই কবিক জুৰুলা কৰিছে।

'বন্দী' কবিতাটিত কবিয়ে বদ্ধ জীৱনৰ ভাৱ-চিন্তা[illegible] কৰিছে। পৰম পুৰুষৰ কৃপা-দৃষ্টি নপৰিলে যে মান[illegible] জীৱন মুক্ত হ'ব নোৱাৰে তাৰেই ইঙ্গিত হৈছে এ[illegible] 'বন্দী' কবিতাটো।

কবিয়ে নিজৰ সীমিত সামৰ্থ বুজি পাইছে:-

অসীম সংসাৰ মাজে
আছোঁহি মানৱ সাজে
এটি ক্ষুদ্ৰ-কীট,
মত্ত হোৱা শক্তি-মদে
অসংখ্য মানৱ পদে
হই সচকিত। (নিবেদন)

সেইকাৰণে তেওঁ আন এগৰাকী আধ্যাত্মিক ক[illegible] নলিনীবালা দেৱীৰ সুৰতেই কৈছে—

মঙ্গল প্ৰভাতে আজি
হৃদয়ে ৰাখিছোঁ সাজি
আসন তোমাৰ,
পূৰ্ণ প্ৰেম-মূৰ্ত্তি ধৰি
আঁহা ঈশ কৃপা কৰি
—বঁহা এটিবাৰ।

* * *



জীৱন-নদীৰ সোঁত
মোহে যনে গতিবোধ,
বয় তৰ পিনে,
কৰ্ত্তব্য-দিনৰ অন্তে
মিলোঁ যেন আনন্দেতে
তোমাৰ চৰণে। (নিবেদন)

কবিয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছে যে ভগৱানত বাহিৰে আন শক্তিয়ে মানৱক পৰিত্ৰাণ কৰিব নোৱাৰে, শক্তিকে তেওঁৰ চৰণত আত্ম সমৰ্পণ নকৰিলে মানৱৰ গত্যন্তৰ নাই। কিন্তু তেওঁক পাবলৈ হলে মানুহে সংসাৰৰ মায়া-মোহ, কাম-ক্ৰোধ, স্বাৰ্থ-লিপ্সা আদি ৰিপুবিলাকক দমন কৰিব পাৰিব লাগিব, অন্তৰ নিৰ্মল-পবিত্ৰ আৰু ভগৱদ্ভক্তিপূৰ্ণ হ'ব লাগিব, তেতিয়াহে মানুহে তেওঁৰ বিৰাট সত্তাৰ কিঞ্চিৎমা দয়ঙ্গম কৰিবলৈ সক্ষম হ'ব। ভগৱানত পূৰ্ণ সমৰ্পনেই জীৱাত্মাৰ মুক্তিৰ উপায়। 'সমৰ্পন' নামৰ কবিতাটিত ব্ৰহ্ম-চৌধুৰীয়ে এই তত্ত্বৰেই আভাস দিছে। এই ভাৱটি 'মিনতি' ন[illegible] কবিতাত কিছুপৰিমাণে স্পষ্ট আৰু বিস্তৃত হৈ ফুটি ওলাইছে। তেওঁৰ ভাষাত—

নিৰা নিয়া আজি মোৰ হিংসা-কপটালি ঘোৰ
অসত্যত্ত আদি,
বল-বীৰ্য্য অহঙ্কাৰ নাশ কৰা নাশকাৰ
দয়া কৰা যদি।
বজ্ৰ সুকঠিন হাতে
কাটি লোৱা আনন্দেতে
নাশ কৰি সমূলেতে
পিয়াহ তেজৰ —
পাপ-অত্যাচাৰ-আশা বজ্ৰসম কটু ভাষা
অসিখনি মোৰ।

এইয়া হ'ল প্ৰবৃত্তিৰ পৰা নিবৃত্তি লাভৰ প্ৰয়াস। আত্মাই পৰমাত্মাৰ লগত মিলিব খোজাৰ আকুতি। জাগতিক অশান্তিৰ পৰিবৰ্তে পাৰমাৰ্থিক প্ৰশান্তি লাভ কৰিবলৈ কবি ব্যাকুল হৈ পৰিছে।

আধ্যাত্মিক কবিতাৰ বিচাৰ-প্ৰসঙ্গত এটা কথা স্বীকাৰ কৰিব লাগিব যে ব্ৰহ্ম চৌধুৰী আধ্যাত্মিক চিন্তাৰ গভীৰ তলিলৈ বুৰ মাৰিব পৰা নাই। তেওঁৰ অতী-ন্দ্ৰিয় তত্ত্ব-উপলব্ধি শাৰদীয় পুৱাৰ ব'দালি স্বৰূপ হৈ ৰৈছে। ইয়াৰ কাৰণ হ'ল—বয়স আৰু পৰিবেশ। এই কথা আমি আৰম্ভনিতেই কৈ আহিছোঁ। তথাপি কব লাগিব যে কবি গৰাকীৰ স্বতঃস্ফুৰ্ত্ত কল্পনাৰাজি মধুৰ আৰু ভগৱৎ চিন্তা বিকাশমুখী।

ব্ৰহ্মচৌধুৰীৰ কবি-জীৱনৰ প্ৰথম পুথিখনৰ কেইটি-মান আসোঁৱাহ পৰিলক্ষিত হৈছে। যেনে— কিছুমান কবিতাৰ বিষয়-বস্তু অনুযায়ী ভাৱৰ ধাৰাবাহিক বিকাশ ঘটা নাই; ছন্দ-বিন্যাসো মাজে মাজে উজুটি খোৱা বিধৰ হৈছে। ছন্দৰ খাতিৰত বা অক্ষৰ-মাত্ৰা ৰক্ষাৰ হেতুকে কবিয়ে নিজাকৈ কিছুমান শব্দ সৃষ্টি কৰিছে। যেনে— নিৰাশতা, হঁহিতা, মৰুভূমে, তেয়াগি, সিদিন' কথা (সিদিনাৰ কথা), ঘিনি দিয়ে (ঘৃণা কৰে), তৰণী সনে ইত্যাদি। কিছুমান আঞ্চলিক কথিত শব্দ-প্ৰয়োগ কৰা কাৰণে শব্দ চয়নৰ সৌষম্য হ্ৰাস পাইছে; যেনে— সিলাল, লভিল, সাঁতৰ খেলা, শুনিল ইত্যাদি। কোনো কোনো কবিতাৰ ভাষাত বঙালী ভাষাৰ প্ৰভাৱ চকুত পৰে; যেনে—ঢেউ নাচনি (ঢৌৰ নাচন), গাজনি স্বনে, সাগৰ সনে, তিমিৰ তলে, নিশীথ-বারুণী, একি — নীৰৱ, নিশি দিন কত হাঁয়, — নিষ্ঠুৰ সংসাৰ ইত্যাদি।

এইবোৰ দোষ-ত্ৰুটীয়ে অৱশ্যে 'কমল-কলি'ৰ সাহিত্যিক প্ৰমূল্য কমাব নোৱাৰে। কাৰণ, পুথিখনৰ সামগ্ৰিক আদৰ্শ গঠনমূলক আৰু প্ৰেৰণাদায়ক হৈছে। কেতবোৰ কবিতাত প্ৰকাশ পোৱা কবিগৰাকীৰ নৈতিক বল আৰু মানৱ-হিতৈষণাৰ ভাৱ সাহিত্য-সেৱীৰ বাবে আদৰ্শস্থলা। তদুপৰি তাহানিৰ তৰুণ কবিজনাৰ ভাৱ-নিৰ্য্যাস আৰু কল্পনা-ৰূপায়ণ মনোৰম। দৰাচলতে ব্ৰহ্মচৌধুৰীৰ কবি-জীৱনৰ উজ্জ্বল ভৱিষ্যত ইয়াতেই সূচিত হৈছিল। আগলৈও 'কমল-কলি' অসমীয়া কাব্য-সাহিত্যৰ মন্দিৰত এপাহ পূত পদ্মৰূপে আদৰণীয় হৈ ৰ'ব।

## ॥ পুথি-পৰিচয় ॥

**মিচিং অই নিঃতম্ (অসমীয়া অনুবাদ)**

সংগ্ৰাহক আৰু সম্পাদক : নাহেন্দ্ৰ পাদুন

প্ৰকাশক : শিৱসাগৰ বানে কেবাং।

প্ৰথম প্ৰকাশ : এপ্ৰিল, ১৯৮০

পৃষ্ঠা — ১৭

মূল্য — ৩'০০

অধ্যাপক শ্ৰীনাহেন্দ্ৰ পাদুনৰ "মিচিং অই নিঃতম্" মিচিং সমাজৰ প্ৰেমৰ গীতৰ এটি থুপি। এনে চাৰিটি অইনিঃতমৰ থুলটিয়ে অসমীয়া সাহিত্যৰ অভাৱ পূৰণ কৰিলে। পুথিখনিৰ দুৱাৰ দলিতে "পৰিচয়' নামেৰে অই নিঃতমৰ অৰ্থ, উৎপত্তি, উৎস, বিষয়-বস্তু, ভাব, ভাষা, সুৰ, ছন্দ আদি ফঁহিয়াই অই নিঃতমৰ সৈতে পাঠক সমাজক চিনাকি কৰি দিবলৈ যত্ন কৰিছে। পৰিচয়টি সংক্ষেপ, কিন্তু তাৎপৰ্যপূৰ্ণ। অই নিঃতমৰ শৰীৰ আৰু আত্মাক জিৰিকি-বিদাৰি, ফালি-চিৰি দেখুওৱাত গৱেষক পাঠক উপকৃত হ'ব; পিছে মৌখিক গীতৰ ভাষান্তৰৰ এটা মহৎ উদ্দেশ্য পুথিখনিয়ে সাধন কৰিব পাৰিছে বুলি ক'ব হলে নোৱাৰি। গীতে ভাৱ-বস্তুক চেৰাই গৈ আলসুৱা অনুভূতিত বিলীন হৈ যায়গৈ। গতিকে গীতৰ ভাষান্তৰ কৰোঁতে আবেগিক আৰু আনুভূতিক মধুৰতা খিনিৰ লেশমানো যাতে হানি-বিঘিনি নহয় তাৰ প্ৰতি দৃষ্টি ৰখা উচিত। অধ্যাপক পাদুনৰ অই নিঃতম্খিনিৰ আক্ষৰিক অনুবাদহে কৰা হ'ল; হব লাগিছিল ভাৱানুবাদহে।

মৌখিক গীতবোৰ সৰল মানুহৰ কোমল মন আৰু আলফুলীয়া অনুভূতিৰে সেমেকা হিয়াৰ পৰা বাগৰি ওলোৱা প্ৰাণৰ কথা। ই প্ৰকাশ হয় সুৰত বন্ধা শব্দ-ৰূপত। পুৱলি প্ৰেমগীতবোৰ শীতৰ সেমেকা ৰাতিৰ শেৱালি পাতত টুকল দি ওলমি থকা নিয়ঁৰ টোপালৰ দৰে। ইয়াক চাব পাৰি আৰু পাতে সহিত নোৱাৰা ইয়াৰ ধনসৰ ভৰ উপলব্ধি কৰিব পাৰি; কিন্তু চিঙি আনি লব নোৱাৰি আৰু কোনো পাত্ৰতে থাপে-খোপে থুৱাই তাৰ আপোন গঢ়ত ৰাখিবও নোৱাৰি। সেয়ে মৌখিক গীতৰ ভাষাৰ সঁজা সলাই আন ভাষাৰ সঁজাত ভৰালে মাছক পানীৰ পৰা তুলি আনি মাটিত বগাৰ নিচিনা হয়।

অধ্যাপক পাদুনৰ পুথিখনিৰ গীতখিনিও ভাৱানুবাদ নকৰি আক্ষৰিক অনুবাদ কৰাত পানীৰ মাছ মাটিলৈ তুলি আনি মাটিত চট্‌ফটাবলৈ এৰি দিয়াৰ নিচিনা হ'ল। উদাহৰণ এটা দিওঁ —

"টিয়হ বুলি কলো, বন লতিকা গছিল
তোমাক "মোৰ" বুলি ভাবিছিলো, কিন্তু
আনৰ হৈ গলা"। (গীত নং ৮৭)

প্ৰেমিক বা প্ৰেমিকাৰ প্ৰেম-প্ৰীতিৰ সঁকো ভগাত বেদনাৰ অসহনীয় ভৰ এই অই নিঃতম বিনিয়ে লেৰ সহিবই পৰা নাই। কিন্তু গীতটিৰ ভাৱানুবাদ নকৰি আক্ষৰিক অনুবাদ কৰাত কথাদলিতাই গীতিমধুৰতাৰ



নেৰ কৰি পেলালে। সেয়ে গীতটিৰ বেদনাঘন আবেগে পাঠকৰ হিয়া-মন চুই যাব নোৱাৰিলে। বৰং আক্ষেপৰ উত্তেজনা এটাইহে যেন মগজুত পিৰপিৰাব ধৰে। কবই লাগিব — গীতৰ আবেদনে মগজু নোছোঁৱে, আলফুলে হৃদয় চুই শিহঁৰণ জগায়।

গীতক যেতিয়া ভাষান্তৰ কৰা হয় তেতিয়া গীতত থকা অনুভূতিক পানীৰ লোৰ কাটি বোৱাই দিয়াৰ দৰে এটা ভাষাৰ পৰা আনটো ভাষালৈ বোৱাই দিব লাগিব। তাৰ বাবে আক্ষৰিক অনুবাদ সুচল নহয়—ভাৱানুবাদহে সুচল।

"মিচিং অইনিঃতম"ত মূলৰ গীতিধৰ্মী মাধুৰ্য ৰক্ষা নহল এইটো কাৰণতেই। গীতত ছন্দৰ বান্ধোনে সুৰ নিয়ন্ত্ৰণ নকৰে, সুৰেহে ছন্দৰ বান্ধোন দিয়ে। গতিকে অইনিঃতমৰ গীতখিনি গীতৰ সুৰতেই সজাব লাগিছিল।

অইনিঃতমৰ অসমীয়া অনুবাদৰ গদ্যধৰ্মিতাৰ হেঁচাত গীতিময়তা নিঃশেষ হৈ গৈছে। উদাহৰণ দুটামান লওঁ—

"নদীৰ পাৰলৈ গৈ সিপাৰলৈ চাওঁতে,
মৰমী! তোমাৰ কথা সুঁৱৰি অন্তৰ ক'লা পৰি যায়।
'দেহি ঐ দেহি' বুলি তোমাক মাতি ফুঁৰোতে
নদীৰ চৰাইজাকেও মাত নিদিয়াকৈ উৰি গুচি যায়।
(২৬ নং গীত)'

কিন্তু এইখিনি কথাৰ ভাৱাৰ্থ ৰাখি অসমীয়া লোকগীতৰ সুৰত বান্ধি দিয়া হলে মূলৰ আবেদন বহন কৰিব পাৰিলেহেঁতেন। যেনে—

নৈ পাৰত থিয় হৈ ভাবোঁ তোমাৰ কথা
অন্তৰ কলা পৰি যায়,
তোমাকে বিচাৰি মাতো যে বিঙিয়াই
চৰাইবো সমিধান নাই।

সেইদৰে—

"নদীৰ গৰাই গৰাই, নদীৰ কেঁকুৰিয়ে কেঁকুৰিয়েদি
মৰমী তোমাৰ প্ৰতিচ্ছবি বিচাৰি বিচাৰি কান্দিছোঁ!
"দেহি ঐ মৰমী" বুলি তোমাক মাতোঁতে
তুমি মাতষাৰ নিদিয়াকৈ পিচ দুৱাৰেদি
ওলাই গুচি গলা।''
(নং ৩৮)

এই অই নিঃতমটিও যদি অসমীয়া বিহুগীতৰ সুৰতে এনেদৰে বান্ধি দিয়া হ'লহেঁতেন—

তোমাকে বিচাৰি মই কান্দো মৰমী
নদী গৰা কেঁকুৰি বগাই;
দেহি ঐ মৰমী মাতোতে তোমাকে
দুৱাৰ খুলি গলাগৈ ওলাই।

"পুৱৰ পাহাৰ পুৱত, পশ্চিমৰ পাহাৰ পশ্চিমত আছে, কোন অজান পাহাৰৰ চুকত তুমি লুকাই থাকিলা?" (গীত নং ৪৩)। ইয়াকো এনেদৰে দিব পৰা হয়নেকি—

পুৱৰে পাহাৰটি পশ্চিমৰ পাহাৰটি
থাকিলে নিজৰ ঠাইত ৰৈ;
কোনটি অজানা পাহাৰৰ চুকতে
তুমি যে লুকালা গৈ।

মুঠতে এনেদৰে অসমীয়া বিহুগীতৰ সুৰত বান্ধি অইনিঃতম খিনিৰ ভাৱানুবাদ কৰা হলে গীতখিনিত কোমল কান্ত আনুভূতিক মাধুৰ্য ৰোৱাৰ উপৰিও আৰু এটা ডাঙৰ কাম সিজিলেহেঁতেন। সেয়া হ'ল— এই গীতখিনি মিচিং সমাজতে কোঠ মাৰি বন্দী হৈ নাথাকিলেহেঁতেন; ই অসমৰ ভূগোলৰ সীমাৰ ভিতৰৰ অসমীয়া মানুহ মাত্ৰৰে আপোন হৈ পৰিলেহেঁতেন। এইফালৰ পৰা চাবলৈ গলে পুথিখনি গৱেষক-পাঠকৰ বাবে যিমান উপকাৰী হ'ল — লোক-সংস্কৃতিৰ বাহক বা প্ৰবাহক জনসাধাৰণৰ বাবে নহল — কিন্তু হব লাগিছিল — দুই শ্ৰেণীৰ বাবে।

তথাপি আংশিকভাৱে হ'লেও পুথিখনিয়ে অভাৱ এটা আঁতৰালে। সেইফালৰ পৰা সংগ্ৰাহক আৰু সম্পাদক ধন্যবাদৰ পাত্ৰ।

প্ৰহ্লাদ কুমাৰ বৰুৱা

## সামাজিক-অর্থনীতিৰ লেখ

দ্বিতীয় সংখ্যা : এপ্ৰিল-মে, ১৯৮০
দাম : আঠ টকা
সম্পাদক : ড° বিমান কৰ
এন, কে, বুকছ এণ্ড পাবলিকেচনছ, গুৱাহাটী - ১২

ড° বিমান কৰ সম্পাদিত 'সামাজিক-অৰ্থনীতিৰ লেখ' প্ৰথম সংখ্যাৰ আটাইকেইটি প্ৰবন্ধ সম্পাদকৰ নিজৰ আছিল; কিন্তু দ্বিতীয় সংখ্যাত সম্পাদকৰ নিজৰ ছটা প্ৰবন্ধৰ উপৰিও আন আন লিখকৰ চাৰিটা প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। সম্পাদকৰ 'এটা জাতিৰ পুনৰ জন্ম' নামৰ প্ৰবন্ধত অসমৰ বৰ্তমান আন্দোলনে অসমীয়া জাতিৰ আত্মবিশ্বাস পুনৰ প্ৰতিষ্ঠা কৰাত সহায় কৰিছে বুলি মত প্ৰকাশ কৰিছে। লিখকৰ মতে অসমত প্ৰথম পুনৰ জাগৰণ আনিছিল শ্ৰীশঙ্কৰদেৱে আৰু এইবাৰ দ্বিতীয় পুনৰ জাগৰণ আনিছে অসমীয়া জাতিয়ে ! সম্পাদকৰ আন এটি প্ৰবন্ধ 'এওঁলোকক হয়তো জীৱনত আকৌ লগ নেপাম'। ইয়াত লিখকে এটি ক্ষুদ্ৰ ঘটনাৰ সহায়ত চলিত আন্দোলনত সমাজৰ বুদ্ধিজীৱি আৰু শ্ৰমজীৱি সকলৰ ত্যাগ আৰু আত্মকাল, আন ভাৰতীয়ৰ লগত থকা অসমীয়াৰ সম্প্ৰীতি, আৰু লগতে এই আন্দোলন দীৰ্ঘদিনীয়া কৰাত ৰাজনৈতিক নেতাসকলৰ স্বাৰ্থ আদি বিষয়সমূহ প্ৰকাশ কৰিছে। 'সংবাদ শিতানত' সম্পাদকে ৰেল-কাৰ্যালয়ত মে'-দিৱস পালনত দেখা ত্ৰুটী, শ্ৰীজ্যোতি বসুৰ ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ (মাৰ্ক্স) হৈ মাত-মতা, শ্ৰীমতী ইন্দিৰা গান্ধীয়ে অসম আন্দোলনক হিংসাত্মক আখ্যা দিয়া, মনিপুৰত নেপালী বিতাৰণৰ পদ্ধতি আদিত ক্ষোভ প্ৰকাশ কৰিছে। সম্পাদকৰ দীৰ্ঘতম আৰু তত্ত্বগধুৰ প্ৰবন্ধ হ'ল "আঞ্চলিক জাতীয় সত্তাৰ নিৰাপত্তা আৰু সমকালীন অসম"। এই প্ৰবন্ধত লিখকে প্ৰব্ৰজনৰ ঐতিহাসিক তথা প্ৰাকৃতিক কাৰণ সমূহ বিশ্লেষণ কৰি মন্তব্য কৰিছে যে সমূহ প্ৰাণী জগতত (উদ্ভিদকে ধৰি) প্ৰব্ৰজন প্ৰক্ৰিয়া আদিম যুগৰ পৰাই চলি আছিছে, আৰু এনে প্ৰব্ৰজনে মানৱ সমাজৰ বহু ভাষা, কলা-সৃষ্টি আৰু জনগোষ্ঠীক নিশ্চিহ্ন কৰিছে। লিখকে পৰিসংখ্যা উদ্ধৃতি দি কৈছে যে ১৯৯১ চনৰ ভিতৰতে অসমীয়াই এনে মহা-প্ৰব্ৰজনৰ সন্মুখীন হৈ নিজৰ 'স্বাভাৱিক পুৰণি আবাস-স্থানত' সংখ্যালঘু হৈ পৰিব। লিখকৰ জনসংখ্যা বৃদ্ধিৰ পৰিসংখ্যাৰ বিশ্লেষণ কিছু ত্ৰুটীপূৰ্ণ যেন লাগে। অসমৰ প্ৰব্ৰজনকাৰী সকল বহু-ভাষীক, বহুধৰ্মীক আৰু বহুঠাইৰ (দেশ-বিদেশৰ); গতিকে ভাষা, ধৰ্ম বা জন্মস্থানৰ ভিত্তিত অসমলৈ হোৱা বে-আইনী প্ৰব্ৰজনৰ সংখ্যা নিৰ্ণয় কৰিব নোৱাৰি। এই কাম সম্ভৱ হব যদিহে অসমত এটি জনসংখ্যা-অধ্যয়ন-কেন্দ্ৰ স্থাপন কৰিব পৰা যায়। অসমীয়া জাতি এই আসন্ন বিপদৰ পৰা উদ্ধাৰ হবলৈ হলে প্ৰব্ৰজনকাৰী কিছু লোকক দেশৰ আন ঠাইত সংস্থাপিত কৰিব লাগিব বুলি লিখকে পৰামৰ্শ আগবঢ়াইছে। "পৰিসংখ্যাত জাতীয় আয়" নামৰ প্ৰবন্ধটোত লিখকে পৰিসংখ্যাৰ উদ্ধৃতি দি ভাৰতৰ দাৰিদ্ৰতাৰ ছবিখন সুন্দৰকৈ দেখুৱাব পাৰিছে।

সম্পাদকৰ উপৰিও আন লিখকৰ তিনিটা মূল-ইংৰাজী প্ৰবন্ধৰ অসমীয়া অনুবাদ এই সংখ্যাত সন্নিৱিষ্ট কৰা হৈছে। "এটা সংখ্যালঘু আঞ্চলিক জাতিৰ সমস্যা" নামৰ প্ৰবন্ধত লিখক শ্ৰীভবেন বৰুৱাই ভাবে যে ছোভিয়েত আৰ্হিত ভাৰতত ৰাজ্য পুনৰ গঠন (কমিউনিষ্ট সকলে ১৯৪৬ চনত দাবী কৰাৰ দৰে) হলে অসমৰ বঙালী সকলে, যি সকলৰ নিজা ভাষাভিত্তিক আবাস—স্থল আছে, বঙ্গালী ভাষাৰ কাৰণে দাবী কৰাৰ পথ সুচিলহঁতেন। (ৰজনী পাম দত্তৱো India Todayত এনে মত পোষণ কৰিছে)। এক শক্তিশালী প্ৰচাৰ-যন্ত্ৰ অধিকাৰী বৃহৎ বঙালী-জাতিটোৱে অসমত যিদৰে নিজৰ প্ৰাধান্য বিস্তাৰ কৰিবলৈ লৈছে তাতে চাই অসমীয়াই নিজৰ স্থানতে সংখ্যালঘু হৈ পৰাৰ উপক্ৰম হৈছে বুলি শ্ৰীবৰুৱাই মত প্ৰকাশ কৰিছে। এনে পৰিস্থিতিৰ পৰা হাত সাৰিবলৈ হলে ছোভিয়েত দেশত থকাৰ দৰে ভাৰতৰ প্ৰতিটো সংখ্যালঘু জাতিৰ নিজৰ ভাষাৰ নামেৰে নামকৰণ কৰা একোখন স্বকীয় গণৰাজ্য থকাটো বাধ্যতামূলক কৰিব লাগিব বুলি শ্ৰীবৰুৱাই পৰামৰ্শ আগ বঢ়াইছে। শ্ৰীবৰুৱাৰ এই পৰামৰ্শ কাৰ্যকৰী হলে অসমীয়াৰ লগতে ভাৰতৰ আন বহুতো ক্ষুদ্ৰ ক্ষুদ্ৰ জাতিক আঞ্চলিক সুৰক্ষা দিব পৰা যাব। শ্ৰীবৰুৱাৰ আন এটি প্ৰবন্ধ হ'ল "অসমৰ ভাষা-সমস্যাৰ সমাধানৰ সূত্ৰ"। এই প্ৰবন্ধত লিখকে অসমৰ ভাষা-সমস্যা সমাধানৰ কাৰণ দাঙি ধৰা কেইটা-মান পৰামৰ্শ হ'ল : ৰাজ্যিক নাগৰিকত্বৰ অধিকাৰ, গোটেই সকলে অসমীয়া ভাষাক আকোৱালি লোৱাৰ নীতি-প্ৰচলন কৰা, কাছাৰখন অসমৰ পৰা বাদ দিয়া (যদিহে তাৰ মানুহখিনিয়ে দ্বি-ভাষিক ৰাজ্যৰ দাবী প্ৰত্যাহাৰ নকৰে), ইত্যাদি। শ্ৰীবৰুৱাৰ উক্ত পৰামৰ্শ কেইটা বৰ কাৰ্যকৰী নহব যেন লাগে।

ড° খোৰসেদ আলমৰ "অসমৰ খাদ্যশস্যৰ আভ্যন্তৰীণ উৎপাদন আৰু প্ৰয়োজনীয়তা" প্ৰবন্ধটোৰ দফুৱাৰ বেছি আক্ষৰিক হোৱাত পঢ়িবলৈ নিৰস হৈ পৰিছে। এই প্ৰবন্ধত অত্যাৱশ্যকীয় খাদ্যশস্য উৎপাদনত অসমৰে এখন ঘাটি ৰাজ্য তাক পৰিসংখ্যা সহায়ত বুজাই দিছে আৰু এনে ঘাটি পূৰাবলৈ আভ্যন্তৰীণ উৎপাদন বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। "নামতি দ'ল : এখন গ্ৰামীন প্ৰতিচ্ছবি" নামৰ শ্ৰীচিত্ৰকুমাৰ হাজৰিকাৰ এটি চুটি প্ৰবন্ধ। ইয়াত লিখকে ঐতিহ্যপূৰ্ণ নামতি অঞ্চলৰ দৈন্যতাৰ ছবি প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। লিখকে চেষ্টা কৰিলে নিজৰ ৰচনা-শৈলী আৰু উন্নত কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

'সামাজিক অৰ্থনীতিৰ লেখ' আলোচনীখনে যে সমাজৰ এটি গুৰুত্বপূৰ্ণ দিশৰ ওপৰত দৃষ্টিপাত কৰিব পাৰিছে ইয়াৰ ২য় সংখ্যাই তাক বহুখিনি প্ৰমাণ কৰিছে। এনেকুৱা গুৰুত্বপূৰ্ণ বিষয়ৰ আলোচনী এখনৰ সম্পাদকৰ লিখনি-ভাগ আৰু বেছি পুৰঠ হোৱা বাঞ্ছনীয়।

ড° হোমেশ্বৰ গোস্বামী।

## সাহিত্য-সমন্বয় ( সপ্তম খণ্ড )

সম্পাদক — শ্ৰীআনন্দ দেৱ গোস্বামী
প্ৰকাশক — শ্ৰীচিত্তৰঞ্জন চৌধুৰী,
সম্পাদক, কোকৰাঝাৰ সাহিত্য সভা
পৃষ্ঠা-সংখ্যা — ৮২
মূল্য — চাৰি টকা।

'সাহিত্য-সমন্বয়' (৭ম খণ্ড) পুথিখনি বিভিন্ন লিখকৰ বাৰটা সাহিত্য-সংস্কৃতিমূলক প্ৰবন্ধৰ সংকলন। পুথিৰ আৰম্ভনিতে শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীদেৱৰ 'অষ্টাদশ শতাব্দীৰ ইংৰাজী সাহিত্যত নব্য ধ্ৰুপদী আদৰ্শ' শীৰ্ষক প্ৰবন্ধটি দিয়া হৈছে। ইয়াত লিখকে আগষ্টান যুগৰ ইংৰাজী গদ্য-শৈলীৰ স্বাভাৱিক উৎকৰ্ষ সাধন আৰু জীৱনাদৰ্শৰ ঋজুতা আৰু সংক্ষিপ্ততা সম্পৰ্কে সফলভাৱে বিশ্লেষণ কৰি দেখুৱাব পাৰিছে। 'বিজ্ঞান, দৰ্শন আৰু ঈশ্বৰ' নামৰ প্ৰবন্ধটিত শ্ৰীৰমণীকান্ত শৰ্মাদেৱে বিজ্ঞান, দৰ্শন আৰু ঈশ্বৰৰ মাজত থকা নিবিড় সম্পৰ্ক ফঁহিয়াই দেখুৱাবলৈ যত্ন কৰিছে। আধুনিক যুগত পদাৰ্থ-বিজ্ঞান বস্তুবাদৰ পৰা ক্ৰমাৎ বিচ্ছিন্ন হৈ ভাববাদ বা অধ্যাত্মবাদৰ ওচৰ চাপি ঈশ্বৰ-ধাৰণাৰ সন্মুখীন হোৱাৰ কথা তেখেতে ইয়াত আলোচনা কৰিছে। শ্ৰীযুত নন্দ তালুকদাৰ বিৰচিত 'মিছনেৰীৰ অসম আগমন' নামৰ ৰচনাত আধুনিক অসমীয়া ভাষা-সাহিত্যৰ অৱস্থা আৰু উন্নতিৰ পথত

আমেৰিকান বেপ্টিষ্ট মিছনেৰী সকলৰ অৱদানৰ খতিয়ান এটা দাঙি ধৰিছে। 'গোৱালপৰীয়া জন-জীৱন আৰু নদ-নদী' শীৰ্ষক আলোচনাত শ্ৰীচিত্তৰঞ্জন চৌধুৰী ডাঙৰীয়াই উক্ত জিলাখনৰ সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত নদ-নদীবিলাকৰ অসীম প্ৰভাৱৰ কথা বৰ্ণনা কৰিছে। শ্ৰীযুত প্ৰিয়দাস তালুকদাৰে "এউৰি বা অ'ৰি" খোৰাযুক্ত লোকগীত সমূহৰ এখন মনোৰম চিত্ৰ দাঙি ধৰিছে। ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ অগাধ দেশ-প্ৰেমৰ মূল্যায়ন কৰিছে শ্ৰীযুত গজেন্দ্ৰনাথ গোস্বামীয়ে। শ্ৰীযুত সচ্চিদানন্দ মেধিৰ প্ৰবন্ধটিত শ্ৰীমন্ত শঙ্কৰদেৱৰ বৰগীতত প্ৰকাশ পোৱা ভকতৰ বিনয়-বিৰক্তি, গভীৰ ভগৱৎ প্ৰেম, ঈশ্বৰৰ মাহাত্ম্য বৰ্ণন আদি তাত্বিক আঁলচটি ভাল হৈছে। শ্ৰীসফিয়া ৰায়ৰ প্ৰবন্ধটিত গোৱালপাৰা জিলাত বসবাস কৰা নেপালী সম্প্ৰদায়ৰ বিবাহ-উৎসৱ সম্পৰ্কে এটি আভাস পোৱা যায়। শ্ৰীশিবানন্দ শৰ্মাৰ 'চমত্কাশালী মন্দিৰ' শীৰ্ষক প্ৰবন্ধটিত লিখকৰ ঐতিহাসিক তথ্য-বিচাৰ প্ৰশংসনীয় হৈছে। পুৰণি সাহিত্যিক শ্ৰীযুত মোহিনীমোহন ব্ৰহ্মই 'অসমৰ বয়ন-শিল্পৰ পটভূমিত বড়ো তিৰোতাৰ ভূমিকা' শীৰ্ষক আলোচনাত বহুতৰ অপৰিলক্ষিত কিছুমান নতুন কথাৰ সন্ধেদ দিবলৈ সক্ষম হৈছে।

বাকীবোৰ প্ৰবন্ধত লিখকসকলে স্বকীয় সাহিত্য-সেৱাৰ পৰিচয় দিব পাৰিছে। নকলেও হব যে 'সাহিত্য-সমন্বয়'ৰ ৭ম খণ্ডৰ সম্পাদক আৰু প্ৰকাশকৰ উদ্দেশ্য বহুদূৰ সফল হৈছে। সংকলনটিৰ প্ৰস্তুতিত কোকৰাঝাৰ সাহিত্য সভাৰ পৰিকল্পনা আৰু সাহিত্য-সেৱাৰ আগ্ৰহ শলাগিব লগীয়া।

শ্ৰীসত্যদেৱ প্ৰসাদ।

## চন্দ্ৰকান্ত খনিকৰৰ স্মৃতি আলেখ্য

সংকলিয়তা—শ্ৰীবিশ্বজিৎ বৰঠাকুৰ



প্ৰকাশক— গুণপ্ৰভা খনিকৰ
পৃষ্ঠা—১১+১৯+২
মূল্য—দুই টকা
দ্বিতীয় প্ৰকাশ —৫ জুন, ১৯৮০

বহুত মানুহ মৰিও গঠনমূলক কামৰ বাবে অম হৈ ৰয়। চন্দ্ৰকান্ত খনিকৰ তেনেকুৱা এজন মানুহ। শিৱসাগৰ মহকুমাৰ ম'ৰা বজাৰ মৌজাৰ অন্তৰ্গত খনি-বড় খনিকৰ গাৱঁত ১৯০০ খৃষ্টাব্দত তেখেত জন্মিছিল। ৭৭ বছৰ আয়ুস ভুগি তেখেতে ১৯৭৭ চনৰ ৭ মে দিনা সিপুৰীলৈ গমন কৰে। স্বৰ্গীয় খনিকৰ এজন সমাজ-সেৱী, দেশ-প্ৰেমিক, সংসাহসী আৰু নৈতিক বলত বলীয়ান ব্যক্তি আছিল। তেখেতৰ ৩য় মৃত্যু বাৰ্ষিকীৰ পুণ্য ক্ষণত এই স্মৃতিগ্ৰন্থখনি প্ৰকাশ কৰা হয়।

বৰ্তমান আলোচনাৰ বাবে লোৱা পুথিখন দ্বিতীয় সংস্কৰণৰ। ইয়াত কেবাগৰাকীও স্বনামধন্য লিখকে '৺খনিকৰৰ বিষয়ে লিখিছে। পোনতে বুৰঞ্জীবিদ শ্ৰীযুত বেণুধৰ শৰ্মাই '৺চন্দ্ৰকান্ত খনিকৰৰ স্বৰ্গী গৌৰৱণত বংশলতাৰ ইতিবৃত্ত' লিখি পুথিখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। একেখন গাওঁতে জন্মি ডাঙৰ-দীঘল হোৱা বাবে শ্ৰীযুত শৰ্মাই খনিকৰৰ বিষয়ে আৰু সেই অঞ্চলৰ অনেক পুৰণি কথা এই আঁলচটিত সন্নিবিষ্ট কৰিছে।

চাৰিঙৰ মাইনৰ স্কুলত পঢ়ি আৰ্থিক অসুবিধাৰ কাৰণে শিক্ষা সমাপ্ত কৰি ৺খনিকৰে প্ৰাথমিক স্কুলৰ শিক্ষক হিচাপে কাম কৰিবলৈ লয়। ১৯২১ চনত তেখেতে ডিগবৈৰ অসম তেল-কোম্পানীৰ কেৰাণী হিচাপে কামত যোগদান কৰে। তেতিয়াৰ তেল কোম্পানীৰ ধৰ্মঘটত বৃটিছৰ বিৰুদ্ধে থিয় হৈ কাম এৰি ১৯৩৯ চনত পুনৰ চাৰিঙলৈ ঘূৰি যায়। ১৯৪২ চনৰ পৰা তেখেতে স্বৰাজ আন্দোলনত গোপন ভূমিকা লয়। ইয়াৰ পাছত খনিকৰে নানান সামাজিক কামত জড়িত হৈ পৰে। গাওঁ-সংগঠন আৰু অসমীয়া সমাজ





ভিত্তিত অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰিবলৈ দাবী জনাই তেওঁলোকে মহকুমা আৰু জিলা সদৰ ঠাই বিলাকৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ হাতত 'স্মাৰক পত্ৰ' প্ৰদান কৰে আৰু জনসাধাৰণৰ মাজত দাবীসহ 'প্লেকাৰ্ড' বিতৰণ কৰে। যোৱা ২৬।৮।৮০ তাৰিখে সংঘটিত হিংসাত্মক ঘটনাৰ সন্দৰ্ভত আজি মাৰ্ঘেৰিটাৰ তথন অসমীয়া গাৱঁত (পাটৈ, নজালনি আৰু মোটাবিল) ২,০০০ টকাকৈ পাইকাৰী জৰিমনা লগোৱা হয়। মহকুমাৰ প্ৰশাসন আৰু পুলিচৰ অত্যাচাৰৰ বিৰুদ্ধে প্ৰতিবাদ জনাই ক'লা বেজ পৰিধান আৰু ক'লা পতাকা উত্তোলন কৰি গোলাঘাটত প্ৰতিবাদ দিৱস পালন। শিশু-দিৱস উপলক্ষে শিৱসাগৰ বৰ্ডিং খেলপথাৰত গোটখোৱা বিৰাট জনসমাবেশৰ ওপৰত সশস্ত্ৰ পুলিচ, অৰ্ধ সামৰিক আৰু চি, আৰ, পি বাহিনীৰ সন্ত্ৰাস সৃষ্টি; পুলিচৰ দ্বাৰা মাইক্ৰোফোন, চন্দ্ৰতাপ, চকী-মেজ, তবুকে ধৰি বহুত মূল্যবান বস্তু জব্দ। সভাৰ সভাপতি, উদ্যোক্তা, চমন উকীলকে ধৰি ভালেকেইজন লোকক গ্ৰেপ্তাৰ।

নৱেম্বৰ ১৫ — পুলিচ-চি, আৰ, পি,ৰ সন্ত্ৰাস সৃষ্টি আৰু অত্যাচাৰৰ প্ৰতিবাদত পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ শিৱসাগৰ আৰু চলায়াআনত বন্ধ পালন।

নৱেম্বৰ ১৭, ১৮ :— কেন্দ্ৰীয় চৰকাৰৰ 'শীতকালীন অধিবেশন'ত বিদেশী নাগৰিকৰ সমস্যা সম্পৰ্কে অসমৰ ন্যায্য দাবী প্ৰতিপন্ন কৰাৰ উদ্দেশ্যে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ আহ্বান ক্ৰমে ১৭ তাৰিখে পুৱা ৬ বজাৰ পৰা ১৮ তাৰিখে সন্ধিয়া ৬ বজালৈকে ৩৬ ঘণ্টাৰ বাবে 'অসম বন্ধ' পালন। দুয়ো দিনতে ৰাজ্যৰ বিভিন্ন ঠাইত নানান হিংসাত্মক ঘটনা, পুলিচ, চি-আৰ-পিৰ লাঠীচালনা, কন্দুৱা গেছ প্ৰয়োগ আদি নানান উৎপীড়ন। তেজপুৰৰ দলগাৱঁত ১৬ তাৰিখে জাৰি কৰা সান্ধ্য আইন —জনসাধাৰণৰ দ্বাৰা ভঙ্গ। পুলিচৰ অমানবীয় অত্যাচাৰ। * * * ১৭ নৱেম্বৰ তাৰিখে নতুন দিল্লীৰ বোট ক্লাবত যুৱ-ছাত্ৰ সংঘৰ্ষ বাহিনীৰ প্ৰতিনিধি দল আৰু ৰাজস্থান, বিহাৰ আৰু উত্তৰ প্ৰদেশৰ বহুতো যুৱক আৰু ছাত্ৰই ধৰ্ণা দিয়ে আৰু কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰে। সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ ৬ জনীয়া প্ৰতিনিধি দ'ল এটা ধৰ্ণা দিবৰ বাবে নতুন দিল্লীলৈ যায়।

নৱেম্বৰ ১৯ :— ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত সদৌ অসম কৰ্মচাৰী পৰিষদ সমূহৰ সমন্বয়ৰক্ষী সমিতিৰ আহ্বায়কদ্বয় শ্ৰীকমল নায়ক আৰু শ্ৰীকৈলাসপ্ৰসাদ দাসক পুলিচে আজি গ্ৰেপ্তাৰ কৰে।

নৱেম্বৰ ২০ :— যোৱা ১৮।১১।৮০ তাৰিখে তেজপুৰত চলা পুলিচ, চি-আৰ-পিৰ অত্যাচাৰৰ প্ৰতিবাদত তেজপুৰত বিক্ষোভ প্ৰদৰ্শন আৰু বিক্ষোভকাৰীৰ সমদল যাত্ৰা। * * * অসম সচিবালয় কৰ্মচাৰী সমন্বয়ৰক্ষী সমিতিৰ আহ্বায়ক শ্ৰীৰমাকান্ত বৰুৱাক আজি পুৱা পুলিচে আটক কৰে।

নৱেম্বৰ ২১, ২৩ :— সকলো শ্ৰেণীৰ কৰ্মচাৰীৰ দ্বাৰা গণ-সমাবেশ আয়োজন আৰু তেওঁলোকৰ ৭ দফীয়া দাবীৰ ব্যাখ্যা কৰণ।

নৱেম্বৰ ২৪ :— কৰ্মচাৰী পৰিষদ সমূহৰ সমন্বয় ৰক্ষী সমিতিৰ আহ্বান ক্ৰমে সকলো শ্ৰেণীৰ কৰ্মচাৰীয়ে তেওঁলোকৰ ৭ দফীয়া দাবী পূৰণাৰ্থে আজিৰ পৰা অনিৰ্দিষ্ট কালৰ বাবে সম্পূৰ্ণ অসহযোগ আৰম্ভ কৰে। * * * সদৌ অসম

Numbering
Error

সংখ্যালঘু ছাত্ৰ সন্থাৰ তিনিচুকীয়া শাখাই ১২ ঘণ্টাৰ বাবে 'তিনিচুকীয়া বন্ধ' পালন কৰিবলৈ যাওঁতে উক্ত সংখ্যালঘু সকলৰ বহুতো দুৰ্বৃত্তই নানান মাৰণাস্ত্ৰেৰে পুলিচ, চাইকেল-স্কুটাৰ আৰোহী, বাটৰুৱা, পৰিবহন নিগমৰ বাচ যাত্ৰীক আক্ৰমণ কৰে; বোমাও দলিয়ায়। কৰ্তব্যৰত পুলিচ শ্ৰীদেউকন বৰা আৰু জাতীয়তাবাদী দলৰ এজন সদস্য বেয়াকৈ আহত হয়। পুলিচৰ গুলীত ৩ জন নিহত। দিনৰ প্ৰায় ১১-৩০ বজাৰ পৰা অনিৰ্দিষ্ট কালৰ বাবে নগৰত পুনৰ সান্ধ্য আইন জাৰি। * * * গুৱাহাটীৰ কালাপাহাৰত থকা ব্ৰহ্মপুত্ৰ মৰাপাট কলৰ সন্মুখত কৰ্মচাৰীৰ অসহযোগ উপলক্ষে থকা পিকেটিংকাৰী আৰু কাপোৰৰ আঁৰত অস্ত্ৰ-শস্ত্ৰ লুকুৱাই লৈ কামত যোগ দিবলৈ যোৱা কাৰখানাৰ একাংশ অসম বিৰোধী কৰ্মচাৰীৰ মাজত হোৱা সংঘৰ্ষৰ ফলত ছুৰীৰ আঘাতত কাৰখানাৰ কৰ্মী শ্ৰীপ্ৰবীণ মহন্ত মৃত্যুৰ মুখত পৰে। * * * মালিগাওঁ ৰেলওৱেৰ সদৰ কাৰ্যালয়ৰ ওচৰত বিশেষ ভাষিক সংখ্যালঘুৰ লোকে অস্ত্ৰ-শস্ত্ৰৰে পিকেটিংকাৰীক আক্ৰমণ কৰে। ৰেলওৱেৰ 'অভাৰ ব্ৰিজ'ৰ ওচৰত দুটা দলৰ মাজত সংঘৰ্ষ লাগে। পুলিচে লাঠী চলায় আৰু কন্দুৱাগেছ প্ৰয়োগ কৰে। দুপৰীয়া ১২-৩০ মান বজাত অভাৰ ব্ৰিজৰ ওচৰত দুৰ্বৃত্তৰ হাতত নিহত হোৱা অসম ইঞ্জিনীয়াৰিং কলেজৰ ছাত্ৰ গৌতম দাস শৰ্মাৰ মৃত দেহ উদ্ধাৰ।

নৱেম্বৰ ২৪— অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ আহ্বান ক্ৰমে অসমজুৰি 'লাচিত দিবস' পালন। সভা-শোভাযাত্ৰা আৰু শ্বহীদসকলৰ বেদীত শ্ৰদ্ধাঞ্জলি তৰ্পণ।

সমূহ কৰ্মচাৰী পৰিষদৰ সমন্বয়ৰক্ষী সমিতিৰ সিদ্ধান্তানুযায়ী আজিৰ পৰা অহা ৩ ডিচেম্বৰ পৰ্যন্ত শ্বহীদ প্ৰবীণ মহন্তৰ মৃত্যুত কৰ্মচাৰী সকলৰ শোক-দিৱস পালন।

নৱেম্বৰ ২৬ —১৯৭৯ চনৰ ২৬ নবেম্বৰ তাৰিখে মৃত্যুবৰণ কৰা শ্বহীদ হাবিৰাম বড়ো আৰু বিহুৰাম বড়ো আৰু ১৯৮০ চনৰ ৩ অক্টোবৰ তাৰিখে মৃত্যুবৰণ কৰা শ্বহীদ উমেশ বড়োৰ সোঁৱৰণত জনজাতীয় ছাত্ৰ-সন্থাৰ আহ্বানত শ্বহীদ দিৱস পালন।

দিছপুৰৰ এম. এল. এ হোষ্টেলৰ চৌহদৰ বাহিৰত ঘেৰাও কৰিবলৈ যোৱা প্ৰায় ৪০০ মান ছাত্ৰ-ছাত্ৰীক পুলিচে অত্যাচাৰ কৰে; বহুত জখম হয়। দিনৰ ১২-৩০ বজাত ভাষিক সংখ্যালঘুৰ লোকে আৰ্য বিদ্যাপীঠ কলেজৰ ছাত্ৰ-ছাত্ৰীক মাৰধৰ কৰে, কলেজৰ সা-সম্পত্তি লুটে আৰু নষ্ট কৰে। * * * কৰ্তব্যৰত পুলিচ মাণিক গগৈক দুৰ্বৃত্তই হত্যা কৰে।

নৱেম্বৰ ২৮—ৰাতিপুৱা ৪.০৩ বজাত চি-আৰ-পিয়ে কটন কলেজৰ ৭টা ছাত্ৰাবাস ঘেৰি ধৰি প্ৰায় ৬০০ জন ছাত্ৰক গ্ৰেপ্তাৰ কৰে। তদুপৰি মাৰধৰ কৰা, দুৱাৰ-খিৰিকি ভঙা, হোষ্টেলৰ অধ্যক্ষ পৰিয়ালে অপমান কৰা, ছাত্ৰৰ সম্পত্তি আত্মসাৎ কৰা, কিতাপ-পাতি নষ্ট কৰা উল্লেখযোগ্য ঘটনা। সিদিনা গুৱাহাটীত ছাত্ৰ-ছাত্ৰী সকলে ৯ বজাৰপৰা আবেলি ৬ বজালৈ অনশন কৰে। * * * সদৌ অসম ছাত্ৰ-সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ কাৰ্যালয় সমূহ আৰু অসম সাহিত্য সভাৰ কাৰ্যালয় ভগৱতীপ্ৰসাদ বৰুৱা ভৱন চি-আৰ-পিয়ে দখল কৰে।

নৱেম্বৰ ৩০— কটন কলেজৰ চৌহদত চি-আৰ-পিৰ তাণ্ডৱ-লীলা চলে। ভাৰতীয় জনতা পাৰ্টিৰ উপসভাপতি আৰু সংসদী সদস্য শ্ৰীৰাম জেঠমালানী আৰু তেওঁৰ সতীৰ্থ শ্ৰীযশোৱন্ত সিংহে গুৱাহাটীত সদৌ অসম ছাত্ৰ-সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ লগত বিদেশী বহিষ্কাৰৰ সমস্যা সম্পৰ্কে আলোচনা কৰে।

সংগ্ৰাহক—শ্ৰীখগেন্দ্ৰনাথ চেতিয়া ফুকন।

# অসম সাহিত্য সভা প্ৰকাশন

( বৰ্তমান মজুত থকা পুথি )

| | | |
|---|---|---|
| ১। | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০.০০ |
| ২। | চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০.০০ |
| ৩। | দুৰ্গেশ্বৰ শৰ্মা ৰচনাৱলী | ২৫.০০ |
| ৪। | কালিৰাম মেধি ৰচনাৱলী | ২৫.০০ |
| ৫। | ভাষণাৱলী ( ৪ৰ্থ খণ্ড ) | ২০.০০ |
| ৬। | ষ্টাডিজ অন দি বৈষ্ণৱ লিটাৰেচাৰ এণ্ড কালচাৰ অৱ আচাম | ২০.০০ |
| ৭। | অসম সাহিত্য সভাৰ ৰূপৰেখা | ১৬.০০ |
| ৮। | মণ্ডলৈ মণ্ডলৈ | ১৫.০০ |
| ৯। | গোৱালপৰীয়া লোকগীত | ১৫.০০ |
| ১০। | কামৰূপী লোকগীত | ১৬.০০ |
| ১১। | প্ৰবন্ধ সঞ্চয়ন | ১৫.০০ |
| ১২। | নলিনীবালা দেৱী | ১২.০০ |
| ১৩। | কালিৰাম মেধি স্মৃতিমাল্য | ১২.০০ |
| ১৪। | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | ১২.০০ |
| ১৫। | অসমীয়া লোকগীতি সংগ্ৰহ | ১২.০০ |
| ১৬। | আনন্দৰাম ঢেকিয়াল ফুকন : এ প্লি ফৰ আচাম এণ্ড আচামীজ | ১২.০০ |
| ১৭। | নগালেণ্ড | ১০.০০ |
| ১৮। | অসমীয়া গল্পগুচ্ছ | ১০.০০ |
| ১৯। | বেজবৰুৱাৰ প্ৰবন্ধ-বাছনি | ১০.০০ |
| ২০। | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০.০০ |
| ২১। | চিহ্ন লহিমা | ১০.০০ |
| ২২। | লংকাকাণ্ড ৰামায়ণ | ১০.০০ |
| ২৩। | ডেভেলপমেণ্ট অৱ ক্ৰিপ্ট ইন এনচিয়েণ্ট কামৰূপ | ১০.০০ |
| ২৪। | বেজবৰুৱাৰ দিনলেখা ( ২য় খণ্ড ) | ১০.০০ |
| ২৫। | তৰুণৰাম ফুকন স্মৃতিমাল্য | ১০.০০ |
| ২৬। | হেম বৰুৱা | ১০.০০ |
| ২৭। | চেক্সপীয়েৰ | ১০.০০ |
| ২৮। | ৰাভা জনজাতি | ৭.০০ |
| ২৯। | অসমীয়া প্ৰাচীন লিপি | ৭.০০ |
| ৩০। | ৰাধাকান্ত সন্দিকৈ ভাৰতীয়া | ৭.০০ |
| ৩১। | আৰিষ্টটলৰ কাব্য-জিজ্ঞাসা | ৬.০০ |
| ৩২। | বেজবৰুৱাৰ চিঠিলেখা | ৬.০০ |
| ৩৩। | টলষ্টয় | ৬.০০ |
| ৩৪। | তিতাদৰ সোঁৱৰণ | ৬.০০ |
| ৩৫। | পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬.০০ |
| ৩৬। | হিতেশ্বৰ বৰবৰুৱাৰ স্মৃতিমাল্য | ৬.০০ |
| ৩৭। | অসম সাহিত্য সভাৰ সুৰচনী | ৬.০০ |
| ৩৮। | অসম সাহিত্য সভাৰ ইতিবৃত্ত | ৬.০০ |
| ৩৯। | সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫.৫০ |
| ৪০। | জগন্নাথ বৰুৱা | ৫.০০ |
| ৪১। | তিৰা সম্প্ৰদায় | ৫.০০ |
| ৪২। | এনেলচ অৱ আচাম সাহিত্য সভা | ৫.০০ |
| ৪৩। | স্নেহৰ অৰুণাচল | ৫.০০ |
| ৪৪। | শতাব্দীৰ অৰ্ঘ্য | ৫.০০ |
| ৪৫। | চিকিৎসা বিজ্ঞানৰ ইতিহাস | ৫.০০ |
| ৪৬। | চেম্বুৰেল জনসনৰ জীৱনী | ৫.০০ |
| ৪৭। | দুটি গল্প | ৫.০০ |
| ৪৮। | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫.০০ |
| ৪৯। | অধ্যয়ন চক্ৰ | ৫.০০ |
| ৫০। | সোণোৱালৰ সাধু | ৫.০০ |
| ৫১। | দেউৰী চুতীয়া | ৪.০০ |
| ৫২। | কাৰ্বি জনগোষ্ঠী | ৪.০০ |
| ৫৩। | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪.০০ |
| ৫৪। | ডিমাছা | ৪.০০ |
| ৫৫। | আউটলুক অন নেফা | ৪.০০ |
| ৫৬। | অসম সাহিত্য সভা বাৰ্ষিকী, বৰিয়া | ৪.০০ |
| ৫৭। | চুক্তি আৰু চুক্তিবাদ | ৫.০০ |
| ৫৮। | জনি আৰু ৰসতত্ত্ব | ৪.০০ |
| ৫৯। | ৰাভা সাধু | ৪.০০ |
| ৬০। | শিখধৰ্মীয় সাধু | ৪.০০ |
| ৬১। | বড়ো সাধু | ৪.০০ |

| | | |
|---|---|---|
| ৬২। | অসম সাহিত্য সভা পত্ৰিকা প্ৰবন্ধপঞ্জী | ৪.০০ |
| ৬৩। | ৰাতৰিৰ বিভূতি | ৪.০০ |
| ৬৪। | অসমৰ বনৌষধি | ৪.০০ |
| ৬৫। | নিবেদন | ৪.০০ |
| ৬৬। | প্ৰাথমিক অসমীয়া সাহিত্য চয়ন | ৪.০০ |
| ৬৭। | অসমীয়া সংগীতৰ ঐতিহ্য | ৪.৩০ |
| ৬৮। | ৰাসায়নিক আৱিষ্কাৰ আৰু আমি | ৩.৫০ |
| ৬৯। | অসমৰ খনিজ সম্পদ | ৪.৫০ |
| ৭০। | মহাপণ্ডিত ৰাহুল সাংকৃত্যায়ন | ৩.৫০ |
| ৭১। | ৰহিম ৰূপহানৰ সাধু | ৩.৫০ |
| ৭২। | জীৱনী | ৩.০০ |
| ৭৩। | বিলিজিয়ন অৱ লভ এণ্ড ডিভ'চন | ৩.০০ |
| ৭৪। | মুদ্ৰাৰাক্ষস | ৩.০০ |
| ৭৫। | কৰ্পূৰমঞ্জৰী | ৩.০০ |
| ৭৬। | অসম সাহিত্য সভা বাৰ্ষিকী : বৰপেটা | ৩.০০ |
| ৭৭। | ,, ,, ,, ,, : ধিং | ৩.০০ |
| ৭৮। | ,, ,, ,, ,, : মাকুম | ৩.০০ |
| ৭৯। | ,, ,, ,, ,, : তেজপুৰ | ৩.০০ |
| ৮০। | লিপি সমস্যা | ৩.০০ |
| ৮১। | টাই ভাষা | ৩.০০ |
| ৮২। | প্লেট' | ৩.০০ |
| ৮৩। | বৰুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩.০০ |
| ৮৪। | তৰুণৰাম ফুকন | ৩.০০ |
| ৮৫। | চাহৰ কথা | ৩.০০ |
| ৮৬। | কাৰবি সাধু | ৩.০০ |
| ৮৭। | কামেং সীমান্তৰ সাধু | ৩.০০ |
| ৮৮। | দেউৰী সাধু | ৩.০০ |
| ৮৯। | অভিলেখ | ৩.০০ |
| ৯০। | কিম্বদন্তীৰ সাধু | ৩.০০ |
| ৯১। | কাৰ্যালয়ৰ হাত-পুথি | ৩.০০ |
| ৯২। | নৱমী | ২.০০ |
| ৯৩। | চাহ বনুৱাৰ মাজত প্ৰচলিত সাধু | ২.০০ |
| ৯৪। | নৃতত্ত্বৰ চমু আভাস | ২.৫০ |
| ৯৫। | মিছিং সাধু | ২.০০ |
| ৯৬। | শাখা সভাৰ পৰিচয় | ২.৫০ |
| ৯৭। | সাগৰৰ কথা | ২.৫০ |
| ৯৮। | বৌদ্ধ জাতকৰ সাধু | ২.০০ |
| ৯৯। | আপুৰ্কি অসমীয়া | ২.০০ |
| ১০০। | আণ্টামগাৰী অসমীয়াকো স্থিয়ানি | ২.০০ |
| ১০১। | অসমীয়া লা বণো হানে অসমীয়া | ২.০০ |
| ১০২। | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা | ২.০০ |
| ১০৩। | নীলাচল পাঠ | ২.০০ |
| ১০৪। | কৰম পুজা আৰু ঝুমুৰ গীত | ২.০০ |
| ১০৫। | সভাপতিৰ অভিভাষণ : ডঃ নেওগ | ২.০০ |
| ১০৬। | ম'পিন উচৱ | ২.০০ |
| ১০৭। | অসম সাহিত্য সভাৰ প্ৰকাশনৰ বৰ্ণনামূলক তালিকা | ১.৫০ |
| ১০৮। | অসম সাহিত্য সভা পৰিচিতি | ১.০০ |
| ১০৯। | চন্দ্ৰধৰ বৰুৱা মানুহজন | ০.৫০ |
| ১১০। | লক্ষ্মীনাথ বেজবৰুৱা | ০.৫০ |
| ১১১। | বেজবৰুৱাৰ বাণী | ০.৫০ |
| ১১২। | ৰঘুনাথ চৌধাৰী ৰচনাৱলী | ৬.০০ |
| ১১৩। | মৌ মহাভাৰত | ১০.০০ |
| ১১৪। | শ্ৰীহস্ত মুক্তাৱলী | ২৫.০০ |
| ১১৫। | মোৰ জীৱন যাত্ৰাৰ কথা | ৩.০০ |
| ১১৬। | আছাম এণ্ড দি আছামীজ মাইণ্ড | ১০.০০ |
| ১১৭। | বাগ্মীবৰ নীলমণি ফুকন | ১০.০০ |
| ১১৮। | আধুনিক অসমীয়া কবিতা | ১৫.০০ |
| ১১৯। | গিৰিধৰ শৰ্মা | ১৫.০০ |

## প্ৰাপ্তি স্থান ঃ

(ক) কেন্দ্ৰীয় কাৰ্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট—৭৮৬০০১, ফোন ৩৭৬

(খ) গুৱাহাটী কাৰ্যালয় :
ভগৱতী প্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী—৭৮১০০১, ফোন—২৪৭৭৬

...ৰ্ণনাসমূহত তেখেতৰ বৰঙনি স্মৰণযোগ্য। সেয়েহে ... অঞ্চলৰ মানুহে আজিও তেখেতক শ্ৰদ্ধাৰে স্মৰণ কৰে। এই আলেখ্যখনিত শ্ৰীনৰেন্দ্ৰ নাথ ..., শ্ৰীকমলাকান্ত ভূঞা আৰু শ্ৰীৰবীন্দ্ৰনাথ ...ই ✓খনিকৰক সমাজ-কৰ্মী হিচাপে তথ্য-... বিচাৰ কৰি চাইছে। শিৱসাগৰৰ শ্ৰীপ্ৰফুল্লচন্দ্ৰ ...ই ✓খনিকৰক স্বাধীনতা-সংগ্ৰামৰ বিজয়ী গুপ্ত ... বুলি কৈ গৌৰৱ অনুভৱ কৰিছে। শ্ৰীবিশ্বজিৎ ...ৰ লিখনিত আদৰ্শবাদী খনিকৰ মানুহজন ফুটি ...ইছে। শ্ৰীপ্ৰবীণকুমাৰ বৰুৱাই ✓খনিকৰৰ জীৱন ... দি ব্যক্তিগৰাকীৰ বিষয়ে থাওকতে জানিবলৈ ... সুবিধা কৰি দিছে।

✓চন্দ্ৰকান্ত খনিকৰৰ স্মৃতি আলেখ্য'খন আকাৰত ... হলেও প্ৰকাৰত মূল্যবান হৈছে। লিখক কেইজনৰ ...কবিতা লিখনিবোৰত বিদ্যমান।

শ্ৰীগোপালচন্দ্ৰ শৰ্মা।

...কুৰা উপলক্ষ কেইটামানত ৰচিত প্ৰশস্তিমূলক কবিতা এলানিৰ সংকলন হ'ল যোগেন্দ্ৰ নাৰায়ণ গোস্বামীৰ 'অৰ্ঘ্য'। সাহিত্যিক শিল্পী আৰু দেশপ্ৰেমিক মহাপুৰুষ কেইজনমানৰ জাতিৰ প্ৰতি নিঃস্বাৰ্থ অৱদান পুৰ্বৰি কবি অভিভূত হৈছে আৰু তেওঁলোকলৈ কৃতজ্ঞতাৰে প্ৰণাম জনাইছে। তেওঁলোকৰ গুণ বখানিছে, কিন্তু অতিৰঞ্জন কৰা নাই। বেজবৰুৱা, গোহাঞিবৰুৱা প্ৰমুখ্যে ভৱা-পুৰুষসকলৰ কীৰ্তি কবিয়ে ভক্তিভৰে স্মৰণ কৰিছে। জ্যোতি প্ৰসাদৰ গাত 'ভিক্ষি শংকৰৰ বহু প্ৰতিভাৰ' বিকাশ দেখি কবিয়ে কৈছে, 'আচৰিত আচৰিত এনে গুণধৰ।' বাভা আৰু গজেন বৰুৱালৈকো পাহৰা নাই। পণ্ডিতপ্ৰবৰ কৃষ্ণকান্ত সন্দিকৈৰ প্ৰতিও এটি ধুনীয়া প্ৰশস্তি আছে।

গোস্বামীয়ে যে কেৱল প্ৰশস্তিকে লিখে তেনে নহয়। 'জানকী, নামকীৰ্তন আৰু মই' এটি ইংগিতময়, সংবেদনশীল কবিতা। 'এটা ভৰত পক্ষীলৈ' এই কবিতাটো ইংৰাজ কবি শ্বেলিৰ বিখ্যাত স্কাইলাৰ্ক কবিতাৰ সুন্দৰ ভাঙনি হৈছে। কবিৰ আৰু নতুনা প্ৰকাশভঙ্গী মন কৰিবলগীয়া।

স্বঃ কুঃ বঃ

অৰ্ঘ্য : কবিতাৰ পুথি :
লিখক : শ্ৰীযোগেন্দ্ৰ নাৰায়ণ গোস্বামী
প্ৰকাশক : শ্ৰীগিৰীশ কুমাৰ নাথ, জামুগুৰি হাট, দৰং,
... ১৯৮০, কেচা বন্ধা ১১ + ৩৪ পৃষ্ঠা
মূল্য : টকা ২.৫০

যোৱা দুই দশক ধৰি অসম সাহিত্য সভাই অসমৰ জাতীয় জাগৰণত ভাগ লৈ আহিছে। বিশেষকৈ, আধুনিক অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰীসকলৰ ... শতবাৰ্ষিকী পাতিবলৈ নিয়ম কৰি সাহিত্য সভাই অসমীয়া মানুহক সাহিত্যৰ জগতে নিজকে চালি জাৰি চাবলৈ উপলক্ষ একোটা আনি দিছে। তেনে-

অগম্যাগমন
লেখক : শ্ৰীদুৰ্গেশ্বৰ বৰুৱা
প্ৰকাশক : শ্ৰীপুষ্প চন্দ্ৰ বৰুৱা
পৃষ্ঠা : ৪০
প্ৰকাশ : ১৯৮০
মূল্য : ৩.৫০ টকা

প্ৰথম দৃষ্টিত (নামকৰণ আৰু বেটুপাত চাই) এখন ভিন্ন ৰুচিৰ গল্প সংকলন হব বুলি ভাব হলেও 'অগম্যাগমন' এজন নতুন লেখকৰ পাঁচটি বিভিন্ন

ৰসৰ মোটামুটিভাৱে পঢ়ি সোৱাদ লগা গল্প-সংকলন। প্ৰথম দুটি গল্প ('ওৰণি,' 'নিশি পৰভাত') লেখকৰ কলেজীয়া জীৱনৰ ৰচনা আৰু দুয়োটা গল্পতে গৰিষ্ঠ সংখ্যক কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ ৰচনাত প্ৰকাশ পোৱাৰ দৰে প্ৰেম-প্ৰীতিৰ সমস্যাই ঠাই পাইছে। 'চকলেটৰ বাকচ' আৰু 'অগম্যাগমনো' একে শাৰীৰ গল্প। 'চক্ৰজাল' গল্পটিৰ বিষয়-বস্তু অলপ পৃথকীয়া; ইয়াত লেখকে দুখীয়াৰ ওপৰত ধনবান আৰু প্ৰশাসনৰ শোষণৰ এখন অদৃশ্য জালৰ আভাস ফুটাই তুলিছে। খুব কম পৰিসৰতে 'চক্ৰজাল'ত দেখুৱা লেখকৰ কৃতিত্বৰ পৰা অনুমান কৰিব পাৰি—বাস্তৱৰ অনুসন্ধান আৰু অনুশীলনৰ কষ্ট স্বীকাৰ কৰিব পাৰিলে তেখেতে গল্প লেখাত সফলতা লাভ কৰিব পাৰিব।

শ্ৰীমদনচন্দ্ৰ ডেকা।

তেজেৰে জ্বলোৱা জুই (কবিতা-পুথি)

লেখক — শ্ৰীশৰৎচন্দ্ৰ নেওগ
প্ৰকাশক — বৰবকৰা সাহিত্য সভা
পৃষ্ঠা — ১৭
মূল্য — ১·৫০ পইচা
প্ৰকাশ-কাল — ১৯৮০

সমাজ-সচেতন ডেকা লেখক শ্ৰীশৰৎচন্দ্ৰ নেওগৰ এইখন প্ৰথম প্ৰকাশিত কবিতাৰ পুথি। সোঁতৰটা কবিতাৰে সমৃদ্ধ এই পুথিখনিৰ বিভিন্ন কবিতাৰ মাজত আছে আৰ্থ-সামাজিক ইতিহাসত প্ৰকৃত মানৱতাবোধক প্ৰমূল্য দিয়াৰ কবিজনাৰ উকমুকনি।

সাম্প্ৰতিক কাব্য-আন্দোলনৰ ফলস্বৰূপে অসমীয়া কবিতাতো এক সংযমশীল আবেগক প্ৰাধান্য দি মানবীয় সংবেদনাৰে কবিসকলে কবিতাৰ তুলিকা হাতত লোৱা বাবে আংগিকৰ ফালৰ পৰা আধুনিক কবিতাসমূহ যেনেদৰে বিচিত্ৰ হৈ উঠিল, তেনেদৰে বিষয়-বস্তুতো নতুনত্ব আহি পৰিল।

'তেজেৰে জ্বলোৱা জুই'ৰ বিভিন্ন কবিতাত আছে মাৰ্ক্সীয় দৃষ্টি-ভংগী, ফ্ৰয়েডৰ মনোবিশ্লেষণাত্মক ৰীতি, সামন্তবাদী সমাজ-ব্যৱস্থাৰ বিৰুদ্ধে সংগ্ৰামী চেতনা আৰু আধুনিক জগতৰ সংঘাটে আনি দিয়া গভীৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰতিফলন।

আধুনিক কবিতাৰ দুৰ্বোধ্যতা সৃষ্টি কৰা প্ৰতীকবাদক সহজ-সৰল ৰূপত দাঙি ধৰি কবিতাসমূহ মনোগ্ৰাহী কৰি তুলিব পৰাটো শ্ৰীনেওগৰ কৃতিত্ব বুলি কব পাৰি। আবেগক প্ৰাধান্য দি পনীয়া যুক্তিৰ ফুলজাৰি উৰোৱা চাতুৰ্য তেওঁৰ কবিতাত নাই। তাৰ সলনি আছে বাস্তৱ আশ্ৰয়ী সমাজখন আৰু ইয়াক নিকা কৰি তুলিব খোজা প্ৰতিশ্ৰুতি। এই ডেকা কবিৰ কাব্য-সাধনা ফলৱতী হওক।

শ্ৰীনোমলচন্দ্ৰ গগৈ।

যুধিষ্ঠিৰ

সম্পাদক — শ্ৰীসতীশচন্দ্ৰ চৌধুৰী।
প্ৰকাশক — শ্ৰীহেমচন্দ্ৰ শৰ্মা,
সম্পাদক, পাঠশালা সাহিত্য সভা।
প্ৰথম প্ৰকাশ — ১৯৭৯
মূল্য — ছয় টকা মাত্ৰ
পৃষ্ঠা — ৯৯

'যুধিষ্ঠিৰ' শ্ৰীসতীশচন্দ্ৰ চৌধুৰীৰ সম্পাদনাত পাঠশালা সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত এটি গল্প-সংকলন।



পুথিখনিত নবীন-প্ৰবীণ লেখক সকলৰ মুঠ তেৰটা গল্প আছে। ইয়াত সন্নিবিষ্ট গল্প কেইটা হ'ল — 'যুধিষ্ঠিৰ' (শ্ৰীবিনোদ শৰ্মা), 'খড়োৱামৰ কথা (শ্ৰীসতীশচন্দ্ৰ চৌধুৰী), 'চিঞৰ' (শ্ৰীমনোমোহন শৰ্মা), 'প্ৰস্তুতি' (শ্ৰীকৌস্তুভমনি শইকীয়া), 'অভিনেত্ৰীৰ আত্মকথা' (শ্ৰীমুনীন্দ্ৰ নাথ শৰ্মা), 'বিশৃঙ্খল' (শ্ৰীহিৰণ্য কুমাৰ চৌধুৰী), 'খবৰ' (শ্ৰীসুৰেশ ডেকা), 'বন্দী' (শ্ৰীমিনতি চৌধুৰী), 'ভূধৰ মেধৰ' (শ্ৰীশৈলেন দাস), 'অযাচিত' (শ্ৰীফুলেন বৰ্মন), 'ক্ষণ' (শ্ৰীমুকুল গোস্বামী), 'বিষম্ন সৌৰভ' (শ্ৰীদীপালী দেৱী) আৰু 'যাযাবৰ' (শ্ৰীমাধৱ অধিকাৰী)।

এজন উচ্চ-পদস্থ চৰকাৰী বিষয়াই বাস্তৱ-বৈচিত্ৰ্যময় বাস্তৱ জগতখনত লাভ কৰা বিচিত্ৰ অভিজ্ঞতা, মানবীয় অনুভূতি আৰু সত্য আৰু ন্যায়ৰ প্ৰতি দুৰ্বলতা (যুধিষ্ঠিৰ), নিজৰ সুখ-সম্ভোগ বাদ দি বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে নিঃস্বাৰ্থভাৱে সমাজ আৰু দেশক সেৱা কৰা প্ৰকৃত সেৱক আৰু বামুনৰ চৰিত্ৰ বিশ্লেষণ (খড়োৱামৰ কথা), টকাৰ ওচৰত মানৱীয়তা, চৰিত্ৰ আৰু সতীত্বৰ পৰাজয় আৰু থিয়েটাৰ দ'লৰ ভিতৰ চ'ৰাৰ পৰিচয় (অভিনেত্ৰীৰ আত্মকথা) মহৰি, ঠিকাদাৰ আৰু মিস্ত্ৰীৰ কামত ফাঁকিৰ নিদৰ্শন আৰু সাধাৰণ সহায়কাৰী এজনৰ জীৱনৰ স্বৰূপ বৰ্ণনা (বিশৃঙ্খল), সমাজৰ গ্লানি উপেক্ষা কৰি দুৰ্জনৰ দ্বাৰা ধৰ্ষিতা প্ৰেমিকাক উদ্ধাৰ আৰু গঠনমূলক সমাজ সেৱাৰ মাজেৰে চৰিত্ৰৰ মহত্ব প্ৰকাশৰ প্ৰচেষ্টা (খবৰ), সীমান্তৰ যুদ্ধ ক্ষেত্ৰত বীৰত্বৰ চিনাকি দি হেৰাই যোৱা প্ৰেমিকৰ মধু-স্মৃতি ৰোমন্থন (বিষম্ন-সৌৰভ), আদৰ্শ বিহীন কু-সংস্কাৰাচ্ছন্ন সমাজৰ মিছা গ্লানিত আদৰ্শবান চাকৰিয়াল যুৱকৰ মানসিক অন্তৰ্দ্বন্দ্ব আৰু সমাজ সংস্কাৰৰ প্ৰস্তুতি (বন্দী), দাৰিদ্ৰতাৰ জ্বালা-যন্ত্ৰণা আৰু শোষকৰ বিৰুদ্ধে শোষিত শ্ৰেণীৰ বিদ্ৰোহ (চিঞৰ, প্ৰস্তুতি, ক্ষণ, যাযাবৰ), প্ৰতাৰণা আৰু শোষণ ৰ প্ৰতিবাদ (অযাচিত, ভূধৰ মেধৰ, যাযাবৰ), গাত সমাজ সেৱীৰ মোহৰ মৰা লম্পট ৰাজনৈতিক নেতা আৰু সমাজ সেৱকৰ ভণ্ডামিৰ পৰিচয় আৰু ইয়াৰ প্ৰায়শ্চিত্ত দিয়াৰ ব্যৱস্থা গ্ৰহণ (যাহাবৰ, ভূধৰ মেধৰ), সাম্যবাদৰ সপোন (ক্ষণ) আৰু শিক্ষিত নিবনুৱা যুৱকৰ মানসিক অস্থিৰতা (যাযাবৰ, বন্দী) আদিয়েই গল্প সমূহৰ মূল বিষয়-বস্তু।

উপস্থাপন-ৰীতি, কৌশল আৰু প্ৰাকশ-ভঙ্গী প্ৰতিটো গল্পৰে সুকীয়া। সৰহখিনিৰ গল্পৰ প্লট চহাজীৱনৰ বৈচিত্ৰ্যময় সমস্যাৰাজিৰ পৰা আহৰণ কৰা হৈছে। দুই-এটা গল্পত আঞ্চলিক কথিত ভাষাৰ শব্দ প্ৰয়োগ পৰিলক্ষিত হয়। সকলোখিনি গল্প একে মানৰ নহলেও গল্পকাৰ সকলৰ জীৱনৰ অভিজ্ঞতাৰ ছাঁত পুথিখনি সুখপাঠ্য হৈ পৰিছে। ঠাই বিশেষে শব্দৰ পুনৰুক্তি, বৰ্ণাশুদ্ধি আৰু দীঘলীয়া বৰ্ণনাই কেতিয়াবা পাঠকৰ মনত বিৰক্তি জন্মাব পাৰে। শেষত, চুটি গল্প হিচাবে মনত কৌতুহল জগাই আৰম্ভনিৰ পৰা শেহলৈকে পাঠকক ধৰি ৰখাত লেখকসকল বহুদূৰ সফল হৈছে বুলি কব পাৰি।

শ্ৰীগগেন্দ্ৰনাথ চেতিয়া ফুকন।

সাতভনী (দ্বৈমহীয়া আলোচনী)

মুখ্য সম্পাদক — শ্ৰীদীপন গোস্বামী
প্ৰকাশক — শ্ৰীশ্যাম বড়া
পৃষ্ঠা-সংখ্যা — ১০+১৯৪
মূল্য — ৫·০০ টকা

নগাওঁৰ আমোলাপট্টিৰ পৰা দ্বৈমহীয়া আলোচনী সাতভনী প্ৰকাশিত হৈছে। ই এখন অৰাজনৈতিক গোষ্ঠী-নিৰপেক্ষ আলোচনী। ইয়াত কেৱল মাত্ৰ অসমীয়া আৰু অসমৰ থিলঞ্জীয়া জনগোষ্ঠীৰ ভাষা,

সাহিত্য আৰু সংস্কৃতিৰ উন্নতি, বিকাশ আৰু ঐক্যৰ গুৰি ধৰা লিখনিহে প্ৰকাশ কৰা হয়। ন-লিখকক অগ্ৰাধিকাৰ দিয়া 'সাতভনী'ৰ প্ৰধান উদ্দেশ্য। সমন্বয়ৰ স্বাক্ষৰ বহন কৰাকৈ সাম্প্ৰতিক অসমৰ সমস্যাসমূহ ৰাইজৰ আগত উপস্থাপন কৰি জনসাধাৰণৰ চেতনা-বোধ জগাই তোলাও ইয়াৰ অন্যতম লক্ষ্য।

'সাতভনী'ৰ মুখ্য উপদেষ্টা — শ্ৰীসুৰেন্দ্ৰপ্ৰসাদ বৰদলৈ, মুখ্য পৃষ্ঠপোষক — শ্ৰীভদ্ৰকান্ত শইকীয়া, মুখ্য সম্পাদক — শ্ৰীদীপন গোস্বামী, সহকাৰী সম্পাদক — শ্ৰীপৰাণকুমাৰ বৰুৱা। তদুপৰি বিভাগীয় সম্পাদক সকল হ'ল — শ্ৰীমতী অমৃতা ব্ৰহ্ম (বড়ো বিভাগ), শ্ৰীধনসিং ৰংপি (কাৰ্বি বিভাগ), শ্ৰীপ্ৰদীপকুমাৰ গিৰি (ডিমাছা বিভাগ), শ্ৰীমহেশ্বৰ পাটৰ (তিৱা বিভাগ), শ্ৰী এচ জেলা (মিজো বিভাগ), শ্ৰী জি-এচ পৈৰা (নাগামিজ বিভাগ), শ্ৰীনীলধ্বজ সিং (মণিপুৰী বিভাগ) আৰু শ্ৰীমহেশ্বৰ পাতিৰ (মিচিং বিভাগ)।

'সাতভনী'-গোষ্ঠীৰ উদ্দেশ্য গঠনমূলক আৰু আদৰ্শ-স্থানীয়, আঁচনিখনতে ইয়াৰ প্ৰমাণ ফুটি উঠাইছে। ইতিমধ্যে কেবাটিও সংখ্যা ওলাই গৈছে। সম্প্ৰতি প্ৰথম বছৰৰ পঞ্চম শাৰদীয় সংখ্যাটি আমি আলোচনা কৰিবলৈ লৈছোঁ।

আলোচনীখনৰ 'সাতভনী' নামটি বৰ অৰ্থপূৰ্ণ আৰু আমাৰ উত্তৰ-পূৰ্বাঞ্চলৰ লগত তেনেই খাপখোৱা বিধৰ হৈছে। এই বিৰাট অঞ্চলটো আগতে একেখন ৰাজ্য আছিল। শ্ৰীমন্ত শঙ্কৰদেৱৰ সাংস্কৃতিক মানচিত্ৰখনে ইয়াক সামৰি লৈছিল; তদুপৰি এই মানচিত্ৰৰ ভিতৰতে কোচবিহাৰ আৰু জলপাইগুৰি জিলাও আছিল। তেতিয়াৰ সাংস্কৃতিক বিপ্লৱৰ প্ৰাণকেন্দ্ৰ স্বৰূপ আছিল মহাৰাজ নৰনাৰায়ণৰ ৰাজধানী কোচবিহাৰ। আমি ভাৰতবাসীয়ে স্বাধীনতা লাভ কৰাৰ পিচত ৰাজনৈতিক চক্ৰান্তকাৰী সকলৰ প্ৰৰোচনাত এই অঞ্চলটো খণ্ড-বিখণ্ড হৈ পৰে। কোচবিহাৰ-জলপাইগুৰি বঙ্গদেশে সামৰি লয়। অসমবাসী অসমীয়া সকলে পিছ হুঁহকি আহি আহি এতিয়া আগৰ প্ৰায় সাত ভাগৰ এভাগ ঠাইত থুপি আছে; সম্প্ৰতি এই খোপনিও থৰক-বৰক হৈ পৰিছে। গতিকে জাতীয় চেতনাবোধ সম্পন্ন অসমবাসীয়ে নিজৰ অস্তিত্ব-ৰক্ষাৰ হকে অহিংসভাৱে গণতান্ত্ৰিক আদৰ্শেৰে সংগ্ৰাম চলাইছে।

সভাই-সমিতিয়ে কথাৰ মহলা মাৰি জাতীয় সংগ্ৰাম চলাব নোৱাৰি। অস্ত্ৰ-শস্ত্ৰৰ দ্বাৰায়ো সকলো ধৰণৰ সংগ্ৰাম চলাই কৃতকাৰ্য হ'ব নোৱাৰি। প্ৰকৃতগণ-তান্ত্ৰিক দেশত অহিংস আন্দোলন কৰি জাতীয় অস্তিত্ব ৰক্ষা কৰিবলৈ চেষ্টা চলোৱাটো সাংবিধানিক অধিকাৰ। কিন্তু সেই অধিকাৰ সাব্যস্ত কৰিবলৈ সংগ্ৰাম কৰিব লগীয়া হলে পোনপ্ৰথমে চাব লাগিব-- জনসাধাৰণৰ মাজত আন্তৰিক ঐক্য আৰু মনোবল বাহাল আছে নে নাই। কিয়নো, ঐক্যই হ'ল সংগ্ৰাম-বিজয়ৰ পাশুপাত অস্ত্ৰ, আৰু মনোবল হ'ল সেই অস্ত্ৰ-প্ৰয়োগৰ ক্ষেত্ৰ-ক্ষণজনিত কৌশল।

'সাতভনী'ত ঐক্য-সাধনৰ যি প্ৰচেষ্টা দেখুওৱা হৈছে সেইয়া নিসন্দেহে প্ৰশংসনীয়। অসমৰ ওচৰে-পাজৰে থকা সাতখন ৰাজ্যই সাতজনী বাই-ভনী; একে জোৰা পিতৃ-মাতৃৰ সন্তান, একেটা পৰিয়ালৰ অংগ। জ্ঞাত বা অজ্ঞাতসাৰে বাই-ভনীৰ ভিতৰত মনোমালিন্য হলে অথবা ইজনীয়ে সিজনীৰ পৰা আঁতৰি গলে নিজেও দুৰ্বল হয় আৰু ঘৰখনো নিশকতীয়া হয়। তেতিয়া শত্ৰুৱে আঁসৈ পায়। গতিকে পৰিয়ালৰ মানুহখিনি মিলা-প্ৰীতিৰে থকা একান্ত বাঞ্ছনীয়। এই মিলা-প্ৰীতিৰ নতুন সাঁকো সজাত লাগিছে 'সাতভনী-গোষ্ঠী'য়ে।

সাতভনীৰ মাজৰ যি সম্বন্ধ সি যাউতি-যুগীয়া; সাময়িক ৰাজনীতিয়ে সেই সম্বন্ধ চিঙিব খুজিলেও তাক অন্তৰৰ পৰা চিঙিব নোৱাৰি। এই সম্পৰ্ক পুনৰ গাঢ় কৰাৰ উদ্দেশ্যে সাতভনী-গোষ্ঠীয়ে শুভ চেষ্টা চলাইছে। প্ৰত্যেক ভনীৰে যি নিজা বৈশিষ্ট্য আছে, আৰু যাৰ পৰা সাতো ভনীয়েই উপকৃত হৈছে



তাকো আলোচনীখনত দাঙি ধৰা হৈছে।

এই সংখ্যাটো আৰম্ভ কৰা হৈছে মিচিং বিভা-গেৰে। শ্ৰীচন্দ্ৰেশ্বৰ পেগু, শ্ৰীখগেন্দ্ৰ পেগু আৰু অমিয়া মিলিয়ে গীত আৰু কবিতাৰে ইয়াক সমৃদ্ধ কৰিছে। শ্ৰীমহেশ্বৰ পাতৰে তিৱা ভাষাত লালুং সমাজত প্ৰচলিত কিছুমান উৎসৱৰ বিষয়ে চমু আভাস দিছে। কাৰ্বি বিভাগত অৰিহণা যোগাইছে— শেখৰ ইংতি, ধনেশ্বৰ ইংতি, অজিত তিমুং, ধনসিং ৰংপি সিং ক্ৰো আৰু বিদ্যাসিং ক্ৰোৱে। বড়ো বিভাগত লিখিছে দুলালচন্দ্ৰ শৰ্মা, অমৃতা ব্ৰহ্ম আৰু মনোৰঞ্জন লাহাৰীয়ে। ডিমাছা বিভাগৰ লিখক হ'ল— জে-এল থাওচেন আৰু প্ৰদীপ কুমাৰ গিৰি। শ্ৰীমুকুল শৰ্মাই চাহ-মজদুৰ সকলৰ ঝুমুৰ গীতত এৰা-বোটলা সম্পৰ্কে লিখিছে। অসমীয়া বিভাগত ভালেমান লিখক-লিখিকাৰ বৰঙনি আছে। তাৰে প্ৰবন্ধ লিখক কেইজন হ'ল — লক্ষেশ্বৰ শৰ্মা, ভুপেন মহন্ত, ক্ষিতি বৰা, ধনসিং ৰংপিং, গোলাপ বৰা, পৰাণ কুমাৰ বৰুৱা, ফাদাৰ জী-কে প্ৰকাশ, মধুৰাম বড়ো, বিউতি মহন্ত, ডাঃ নগেন দত্ত আৰু নীৰদা মহন্ত। কবিতা লিখক-লিখিকা কেবাগৰাকীও আছে।

লিখনিসমূহৰ সাহিত্যিক মান বিচাৰ কৰিবলৈ যোৱাটো নিষ্প্ৰয়োজন; কাৰণ, মিচিং ভাষা, তিৱা ভাষা, ডিমাছা ভাষা আৰু বড়ো ভাষাত আমাৰ দখল নাই। আনহাতে সেইবোৰৰ কিছুমানৰ অসমীয়া অনুবাদ দিয়া হৈছে যদিও তাৰ ওপৰত মন্তব্য কৰাটো অৰ্থহীন। কিয়নো আলোচনীখনৰ অন্তৰ্নিহিত থকা সুঁতিটো মূল ভাষাবিলাকৰ লগতহে সম্পৰ্কিত। সেই হিচাপে একমাত্ৰ অসমীয়া লিখনি-সমূহৰ বিষয়ে সমালোচনা কৰিবলৈ যোৱাটোও এক শঙ্কাৰ কথা হ'ব।

আলোচনীখনৰ বিষয়-বস্তু উপস্থাপনৰ সাহিত্যিক গুণাগুণ গতানুগতিক ৰীতিৰে দাঙি নধৰিও কেইটিমান গুৰুত্বপূৰ্ণ কথা বিচাৰ কৰি চাব পাৰি। প্ৰথম কথা হ'ল— এই সংখ্যা 'সাতভনী'ৰ বিষয়-বস্তু সমূহৰ মাজেৰে লিখক-লিখিকাসকলৰ এক লক্ষ্যণীয় আন্তৰি-কতা ফুটি উঠিছে। সেই আন্তৰিকতাত নিহিত আছে জাতীয় চেতনাবোধ, অসমত চলা ঔপনিবেশিক নিষ্পেষণৰ বিৰুদ্ধে ক্ষোভ, অনিষ্টকাৰী জাত্যাভিমানৰ প্ৰতি নিন্দা, সমাজত সুদৃঢ় ঐক্য স্থাপনৰ অভীপ্সা, প্ৰাচীন গৌৰৱপূৰ্ণ জাতীয় ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধা আৰু অৱহেলিত উত্তৰ-পূৰ্বাঞ্চলৰ সামগ্ৰিক উন্নতি-সাধনৰ তীব্ৰ আকাঙ্খা। দ্বিতীয়তে দেখা যায়— ভাষিক বিনিময়ৰ জৰিয়তে নানা ভাষা-ভাষীৰ মাজত সম্প্ৰীতি স্থাপনৰ উদাৰ প্ৰচেষ্টা। দৃষ্টান্ত স্বৰূপে দেখুৱাব পাৰি যে অনা-বড়ো শ্ৰীদুলালচন্দ্ৰ শৰ্মাই বড়ো ভাষাত 'নেৰ্শন' (স্মৃতি) শিৰোনামাত এটি কবিতা লিখিছে। অনা-কাৰ্বি শ্ৰীলক্ষেশ্বৰ শৰ্মাই কাৰ্বি জন-জীৱনত নাৰী' শীৰ্ষক আলোচনাত কেবাটাও কাৰ্বি গীতৰ কলি উদ্ধৃতি দি কাৰ্বি শব্দ প্ৰয়োগ কৰিছে। সেইদৰে শ্ৰীগোলাপ বৰাৰ প্ৰবন্ধত মিচিং ভাষা, বড়োভাষা, কাৰ্বি ভাষা আৰু তিৱা ভাষাৰ গীতৰ কলি মূলৰ দৰে যথাযথ পোৱা গৈছে। আনহাতে ধনসিং ৰংপি কাৰ্বি ভাষী লোক, অথচ প্ৰাঞ্জল অসমীয়াত কাহিনী লিখিছে। অধ্যাপক মধুৰাম বড়োৱে মানবিশিষ্ট অসমীয়াত প্ৰবন্ধ আগ বঢ়াইছে। ফাদাৰ জী-কে প্ৰকাশ ইংৰাজী ভাষাত অভ্যস্তলোক হৈও সুন্দৰ অসমীয়াত তত্ত্ব-গধুৰ কথা লিখিব পাৰিছে। তৃতীয়তে লক্ষ্য কৰা যায় — 'সাতভনী'য়ে লিপিৰে পৰীক্ষা-নিৰীক্ষা চলাইছে। অসমীয়া আৰু ৰোমান লিপি প্ৰয়োগ কৰি দেখা গৈছে যে মিচিং, বড়ো, ডিমাছা, কাৰ্বি, তিৱা আদি ভাষাৰ বাবে ৰোমান লিপিতকৈ অসমীয়া লিপিহে বেছি সহায়ক আৰু যথাযুক্ত ধ্বনি-জ্ঞান প্ৰকাশক। 'সাতভনী'ত ৰোমান লিপিত লিখা কবিতা আৰু কথিকা কেইটি আমাৰ পক্ষে শুদ্ধভাৱে পঢ়িবলৈ কষ্টসাধ্য হৈছে, অধিক কি ভুলেই হৈছে। অসমীয়া লিপিত পঢ়োঁতে তেনে হোৱা নাই। আন্তৰ্জাতিক ধ্বনি-তত্ত্বৰ চিন প্ৰয়োগ কৰিলেও ভাষাতত্ত্বৰ জ্ঞান

থকা সকলেহে শুদ্ধকৈ পঢ়িব পাৰিব; সৰ্বসাধাৰণৰ কাৰণে সি সম্ভৱপৰ নহয়। তদুপৰি উত্তৰ-পূৰ্বাঞ্চলৰ অনা-অসমীয়া ভাষাসমূহৰ লিখন-পদ্ধতি বা প্ৰকাশ-ব্যৱস্থা অসমীয়া লিপি হলে উভয়তীয়াভাৱে উপকাৰ হব; আমাৰ মাজত পৰম্পৰাগতভাৱে চলি অহা সম্প্ৰীতি শীঘ্ৰে গাঢ় হব আৰু এই বিশাল অঞ্চলটোৰ ভাষাসমূহো জনপ্ৰিয় হৈ পৰিব। চতুৰ্থতে, আমি লক্ষ্য কৰিছোঁ যে 'সাতভনী'ৰ সম্পাদক মণ্ডলীয়ে অনা-অসমীয়া ভাষাসমূহৰ শব্দৰ অৰ্থ অসমীয়াত দি উভয় ভাষা-ভাষীৰ মাজত মনস্তাত্বিক সৌহাৰ্দ গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। এইয়া গঠনমূলক দৃষ্টিভঙ্গীৰ ফলপ্ৰদ প্ৰয়াস। পঞ্চম পৰ্যায়ত পৰিলক্ষিত হয়— নতুন পুৰুষক সাহিত্য-সেৱাত ব্ৰতী কৰোৱাৰ একাগ্ৰতা। বৰ্তমান সময়ত নতুন পুৰুষসকলে জাতীয় সংকটৰ কাৰণ উপলব্ধি কৰিব পাৰিছে; গতিকে এই সংকট দূৰীকৰণৰ উপায় সাহিত্যৰ মাধ্যমত প্ৰচাৰ কৰি জনসাধাৰণৰ মনত প্ৰভাৱ পাৰিলে ভৱিষ্যতে দেশ বা জাতি বহু পৰিমাণে বিপদমুক্ত হব পাৰিব বুলি আশা কৰিব পাৰি।

ওপৰত উল্লেখ কৰা যুক্তি বা কাৰণ সমূহলৈ চাই 'সাতভনী' প্ৰকাশ কৰাৰ আৰু ইয়াৰ উদ্দেশ্য বা আদৰ্শ প্ৰচাৰ কৰাৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। আমি 'সাতভনী'ৰ বহুল প্ৰচাৰ কামনা কৰিছোঁ।

ডঃ পৰীক্ষিত হাজৰিকা

## প্ৰাপ্তি-স্বীকাৰ ঃ

১। **সমস্যা-গৰ্ভত প্ৰান্তীয় অসম**
লিখক— শ্ৰীত্ৰৈলোক্যনাথ শৰ্মা
প্ৰকাশক— গ্ৰন্থকাৰ, উত্তৰ হয়বৰগাওঁ, নগাওঁ।
প্ৰথম প্ৰকাশ— আগষ্ট, ১৯৮০
মূল্য— ২'৫০ পইচা

২। **মোৰ কবিতা : মোৰ দেশ** (কবিতা-সংকলন)
লিখক — শ্ৰীথানেশ্বৰ হাজৰিকা,
প্ৰকাশিকা— শ্ৰীমতী নীলিমা হাজৰিকা
কল্পতৰু কিতাপঘৰ, বোকাখাত
প্ৰথম প্ৰকাশ— অক্টোবৰ, ১৯৮০
মূল্য— ১'৫০ পইচা

৩। **পূৰ্বজ্যোতি** (তিনিমহীয়া আলোচনী)
সম্পাদক — শ্ৰীমথুৰকৃষ্ণ শৰ্মা
ডিব্ৰুক চাহবাগিচা, মাৰ্ঘেৰিটা— ৭৮৬১৮১
প্ৰথম প্ৰকাশ —১৯৮০
মূল্য —২'৫০ পইচা

৪। **নতুন লহৰ** (মাহেকীয়া আলোচনী)
সম্পাদক — শ্ৰীমহেশচন্দ্ৰ শৰ্মা
প্ৰকাশক — শ্ৰীকুলেশচন্দ্ৰ শৰ্মা,
গণেশগুৰি, গুৱাহাটী-৬
প্ৰথম প্ৰকাশ—১ম বঃ ১ম সংখ্যা, অক্টোবৰ'৮০।
মূল্য — ৩'০০ টকা

৫। **পূজাৰ সাহিত্য** (ঋতুকালীন আলোচনী)
সম্পাদক— শ্ৰীবঙ্কিমচন্দ্ৰ কাটোৱালী
প্ৰকাশক— সৌমাৰ সাহিত্য সমাজ (ডাওৰী)
মূল্য — অনুল্লেখিত
প্ৰথম প্ৰকাশ—১৯৮০ (আহিন-কাতি ১৯০২ শক)।

৬। **ৰণশিঙা বাজে কিয়** (কবিতাৰ পুথি)
লিখক — বজ্ৰকণ্ঠ
প্ৰকাশক— শ্ৰীবুদ্ধীন্দ্ৰ কুমাৰ বৰুৱা
মূল্য— দুই টকা
প্ৰথম প্ৰকাশ— ১৯৮০

৭। **অচিন কাকলি** (কবিতা-সংকলন)
সংকলয়িতা—শ্ৰীভৈৰৱ বৰদলৈ, শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ বৰুৱা, মঃ আব্দুল ওৱাহেদ
প্ৰকাশক— শ্ৰীবুদ্ধীন্দ্ৰকুমাৰ বৰুৱা
মূল্য — তিনি টকা
প্ৰথম প্ৰকাশ— এপ্ৰিল,১৯৭৯

## সাম্প্ৰতিক গণ-আন্দোলনৰ ঘটনা-পঞ্জী

(আগৰ সংখ্যাৰ পাছৰ পৰা)

ছেপ্তেম্বৰ ৬— সদৌ অসম ছাত্ৰ-সন্থাৰ কাৰ্য-নিৰ্বাহকৰ বৈঠক অনুষ্ঠিত। বৈঠকত শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰী সকলে পুনৰ শ্ৰেণীত উপস্থিত থকাৰ সম্পৰ্কে পৰিস্থিতি পৰ্যালোচনা কৰিবলৈ ৫ জনীয়া কমিটি গঠন।

ছেপ্তেম্বৰ ৭— গুৱাহাটী কমাৰ্চ কলেজত অনুষ্ঠিত জনজাতীয় ৰাইজৰ অভিবৰ্তনে আন্দোলনলৈ পূৰ্ণ সমৰ্থন দি সুস্থ পৰিবেশ সৃষ্টি নোহোৱা পৰ্যন্ত জনজাতি ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীত উপস্থিত নাথাকিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

ছেপ্তেম্বৰ ১৪— পুৰণি গুদাম আঞ্চলিক ছাত্ৰ-সন্থাৰ সদস্য শ্ৰীনৃপেন বৈৰাগীক দুৰ্বৃত্তই নৃশংস ভাৱে হত্যা কৰে।

ছেপ্তেম্বৰ ১৫— পুৰণি গুদাম পূৰ্বাঞ্চলীয় কলংপৰীয়া গণ-সংগ্ৰাম পৰিষদৰ সদস্য শ্ৰীদেৱকান্ত মহন্তক দুৰ্বৃত্তই হত্যা কৰে। স্কুল খোলা সম্পৰ্কত শিৱসাগৰ জিলাৰ নাজিৰা সমষ্টিৰ অন্তৰ্গত মথুৰাপুৰ হাইস্কুলৰ শিক্ষাৰ্থীৰ ওপৰত পুলিচৰ অত্যাচাৰ আৰম্ভ; অসংখ্য ছাত্ৰ-ছাত্ৰী বেয়াকৈ আহত।

ছেপ্তেম্বৰ ১৭, ২৫—বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান বিচাৰি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীজাইল সিঙৰ সৈতে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ ২০ জনীয়া প্ৰতিনিধি বৰ্গৰ মুঠ ৩৫ ঘণ্টা জোৰা বিফল আলোচনা।

ছেপ্তেম্বৰ ২২— হাউলীত পুলিচ আৰু চি, আৰ, পি, ৰ চকুৰ আগতে স্কুলৰ সন্মুখত শান্তিপূৰ্ণ পিকেটিংকাৰীৰ ওপৰত অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত দুৰ্বৃত্তৰ দলে বৰ্বৰ আক্ৰমণ চলায়। বহুতো ছাত্ৰ-ছাত্ৰী আৰু ভালেকেইজন ৰাইজৰা আহত হয়।

অক্টোবৰ ৩— তামুলপুৰত শিক্ষানুষ্ঠান খোলাৰ সংক্ৰান্তত শ্বহীদ উমেশ বড়োৰ মৃত্যু।
শিক্ষানুষ্ঠান সমূহ পুনৰ খোলাৰ বিষয়ে চিন্তা কৰিবলৈ বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন শিক্ষানুষ্ঠান আৰু সদৌ অসম ছাত্ৰ-সন্থাৰ প্ৰতিনিধি বৰ্গ আৰু দেশৰ শিক্ষাবিদ সকলৰ মাজত এক গুৰুত্বপূৰ্ণ আলোচনা হয়।

অক্টোবৰ ১১—সদৌ অসম ছাত্ৰ সন্থাৰ সিদ্ধান্ত অনুযায়ী আজিৰ পৰা অসমৰ সকলো শিক্ষানুষ্ঠানত শিক্ষাৰ্থীয়ে পুনৰ পাঠ-গ্ৰহণ কাম আৰম্ভ কৰে।

অক্টোবৰ ১১-১৬ :- বিদেশী নাগৰিকৰ প্ৰশ্ন লৈ দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীজাইল সিঙৰ সৈতে সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ প্ৰতিনিধি বৰ্গৰ পুনৰ এজানি আলোচনা। আলোচনা ব্যৰ্থ হয়।

অক্টোবৰ ১৪,২২ :— সমগ্ৰ অসমতে 'সমৰ্পন সপ্তাহ' পালন।

অক্টোবৰ ২৫ — ডিব্ৰুগড়ত অনুষ্ঠিত অসম সাহিত্য সভাৰ কাৰ্য-নিৰ্বাহকৰ বৈঠকত অসমৰ বিদেশী

নাগৰিকৰ সমস্যাৰ ওপৰত বিতং আলোচনা, চৰকাৰক কটু সমালোচনা আৰু সমাধানৰ দাবীত প্ৰস্তাৱ গ্ৰহণ।

অক্টোবৰ ২৭ — সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ-সংগ্ৰাম পৰিষদৰ আহ্বান ক্ৰমে পুৱা ৬ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ২৪ ঘন্টীয়া 'অসম বন্ধ' পালন। জাগীৰোডত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্ৰ মঃ আফটাৰ আলীক সমাজ বিৰোধীলোকে হত্যা কৰে।

অক্টোবৰ ২৮ — অসমৰ থলুৱা জনগণ তথা ভাৰতীয় নাগৰিকক প্ৰতাৰণা কৰা বাবে আজিৰ পৰা আন্দোলনৰ অন্য এক কাৰ্যসূচী হিচাবে অসম বিধান সভাৰ বিধায়ক সকলক ঘেৰাও কৰিবলৈ লোৱা হয়।

এদল ছাত্ৰক আটক কৰাকে কেন্দ্ৰকৰি ডিগবৈত অশান্তি সৃষ্টি; সন্ধিয়া ৫-৩০ৰ পৰা সান্ধ্য আইন। উন্মত্ত জনতাক ছত্ৰভঙ্গ দিয়াবলৈ পুলিচৰ গুলীচালনা।

অক্টোবৰ ৩০ — ২৭ অক্টোবৰৰ জাগীৰোডৰ ঘটনাৰ প্ৰতিবাদত আৰু ন্যায়িক তদন্তৰ দাবীত নগাওঁ জিলা ছাত্ৰ-সন্থাৰ আহ্বান ক্ৰমে আজি পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ 'নগাওঁ জিলা বন্ধ' পালন।

হাউলীত পুনৰ অশান্তি সৃষ্টি। মাৰ-পিট চলে। এক বিশেষ ভাষিক শ্ৰেণীৰ দুৰ্বৃত্তৰ ছুৰীৰ আঘাতত হাউলী হাইস্কুলৰ বহুতো ছাত্ৰ আহত আৰু দা-যাঠীৰ আক্ৰমণত ওচৰৰে কালজাৰ গাৱঁৰ নিবাসী তথা ষ্টেটফেডৰ কৰ্মী ৩৫ বছৰীয়া শহীদ মধু বৈশ্য ঘৰতে নিহত, ৭০ টাতকৈ অধিক ঘৰ ভস্মীভূত। পুলিচৰ দ্বাৰা বহুলোক আটক। আবেলিৰ পৰা অনিৰ্দিষ্ট কাললৈ সান্ধ্য আইন জাৰি আৰু মহকুমা চহৰ হাউলী আৰু বৰপেটা ৰোডক



'অশান্ত অঞ্চল' ঘোষণা।

নৱেম্বৰ ১ — বিধায়ক হোষ্টেলত থকা বিধায়কক ঘেৰাও কৰাৰ উদ্দেশ্যে আজি জনগণৰ 'দিছপুৰ যাত্ৰা' অভিযান। চি, আৰ, পি ৰ গুলীত অসম ৰাজ্যিক সচিবালয়ৰ চৌহদত সচিবালয়ৰে কৰ্মচাৰী শ্ৰীদিলীপ চক্ৰৱৰ্তী নিহত হয়। অসমৰ স্বাধীনোত্তৰ কালৰ বুৰঞ্জীত এনে ঘটনা এয়ে প্ৰথম। অসমৰ বিভিন্ন ঠাইত বিধায়ক ঘেৰাও কাৰ্য- সূচীত অংশ গ্ৰহণ কৰা নিৰস্ত্ৰ জনসাধাৰণৰ ওপৰত পুলিচ-চি, আৰ, পিৰ লাঠি চালনা, কন্দুৱাগেছ প্ৰয়োগ আৰু গুলীচালনা। হাউলীত এটা মৃতদেহ উদ্ধাৰ, হিংসাত্মক ঘটনাৰ ফলত দৰঙৰ ঢেকীয়াজুলিত এজন লোকৰ মৃত্যু।

নৱেম্বৰ ২ — দিনৰ ১-১৫ বজাৰ পৰা গণেশ-গুৰিৰ পৰা দিছপুৰলৈ সান্ধ্য আইন জাৰি।

নৱেম্বৰ ২—দিলীপ চক্ৰৱৰ্তীৰ মৃত্যুৰ প্ৰতিবাদ আৰু ন্যায়িক তদন্তৰ দাবীত 'গুৱাহাটী বন্ধ' পালন কৰে।

নৱেম্বৰ—৩, ৪, ৫— কৰ্মচাৰী দিলীপ চক্ৰৱৰ্তীৰ মৃত্যু উপলক্ষে কৰ্মচাৰী পৰিষদৰ সমন্বয়ৰক্ষী সমিতিৰ আহ্বানক্ৰমে অসমৰ সকলো শ্ৰেণীৰ কৰ্মচাৰীয়ে কামৰ পৰা বিৰত থাকি গাত কলা বেজ পৰিধান কৰি 'শোক দিৱস' পালন।

নৱেম্বৰ ৭—১০—অত্যাৱশ্যকীয় সেৱা সমূহৰ বাহিৰে বাকী সকলো কৰ্মচাৰীৰ কামত অসহযোগ — 'কলা দিৱস' পালন।

নৱেম্বৰ ১১— ৰাজহুৱা ভাৱে শহীদ দিলীপ চক্ৰৱৰ্তী আৰু মধু বৈশ্যৰ আদ্য শ্ৰাদ্ধ পালন আৰু কৰ্মচাৰী সকলৰ কৰ্ম-বিৰতি পালন।

নৱেম্বৰ ১৪—অসমৰ শিশুসকলে 'শিশু দিৱস'ৰ চৰকাৰী কাৰ্য সূচী বৰ্জন কৰি নিজস্ব কাৰ্য-সূচীৰে এই দিৱস পালন কৰে। ১৯৫১ চনৰ 'ৰাষ্ট্ৰীয় পঞ্জী' আৰু ১৯৫২ চনৰ 'ভোটাৰ তালিকা'ৰ

# অসম সাহিত্য সভা

## অসমৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সৰ্বাংগীন বিকাশৰ বাবে সংকল্পবদ্ধ

- অসমৰ বৈচিত্ৰ্যপূৰ্ণ ভাষা-সাহিত্য-সংস্কৃতিৰ মুক্ত বিকাশ আমাৰ কাম্য।
- কৃষক-মজদুৰ, জনজাতি-অজনজাতি, হিন্দু-মুছলমান-খ্ৰীষ্টান আদি সকলোৰে সমন্বয়ত গঢ়ি উঠা অসমৰ জাতীয় জীৱনৰ সৰ্বাংগীন উন্নয়ন আমাৰ লক্ষ্য।
- আমাৰ মাজৰ সমস্যা আমি নিজৰ মাজতে সমাধান কৰিবলৈ সক্ষম।
- হিংসা আৰু ঘৃণা নহয়, প্ৰেম আৰু ভাতৃত্বই আমাৰ সম্পত্তি আৰু শক্তি।
- আমাৰ ঐক্যৰ ওপৰত আমাৰ ভৱিষ্যত নিৰ্ভৰশীল।
- বিভেদকামী শক্তিৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰি জাতীয় জীৱনক সবল কৰি তোলা আমাৰ দায়িত্ব আৰু কৰ্তব্য।

# ॥ আমাৰ ঐক্যৰ ওপৰত আমাৰ ভৱিষ্যত নিৰ্ভৰশীল ॥

★ ★ অসমৰ কৃষক-মজদুৰ, জনজাতি-অজনজাতি, হিন্দু-মুছলমান- খ্ৰীষ্টান-বৌদ্ধ-শিখ আদি সকলো লোক মিলি গঢ়ি উঠিছে বৃহত্তৰ অসমীয়া জাতি।

★ এইসকলৰ ভিতৰত অনেকৰ মাতৃ-ভাষা অসমীয়া, অনেকৰ বাবে অসমীয়া হ'ল ধাতৃভাষা। এই সকলোকে একেগোট কৰি ৰাখিছে উমৈহতীয়া অসমীয়া ভাষাৰ সূতাডালে। এই সূতাডালি ছিঙিব নোৱৰাকৈ ৰখাৰ দায়িত্ব আমাৰ সকলোৰে।

★ অসমৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ মাজত বড়ো, মিচিং, কাৰ্বি, ৰাভা, ডিমাছা, তিৱা আদি ভাষা প্ৰচলিত। এই ভাষাসমূহে যাতে নিজৰ নিজৰ ঠাইত বিকাশৰ সুযোগ লাভ কৰে তাৰ বাবে আমি সকলোৱে যত্ন কৰাটো কৰ্তব্য।

★ অসম সাহিত্য সভাই থলুৱা জনজাতীয় ভাষা-শিক্ষা শ্ৰেণী খোলাৰ আঁচনি লৈছে আৰু আমাৰ জনজাতীয় ভাষা-সংস্কৃতি সম্পৰ্কীয় পুথি-পত্ৰ প্ৰকাশ কৰিছে।

★ জনজাতীয় ভাষাসমূহৰ লিপিৰ ক্ষেত্ৰতো অসম সাহিত্য সভাৰ দৃষ্টিভংগী উদাৰ; এই বিষয়ে ভুল বুজাবুজিৰ অৱকাশ নাই।

★ অসম সাহিত্য সভাই জনজাতীয় ভাষাসমূহৰ স্বাৰ্থ ক্ষুণ্ণ কৰিব পৰা কোনো কাম কৰা নাই আৰু নকৰে; বৰং উন্নয়নৰ বাবে যত্ন কৰিছে আৰু জনজাতীয় ভাষাৰ অনুষ্ঠান সমূহৰ লগ হৈ কাম কৰাৰ আঁচনি লৈছে।

★ অসমত থকা অন্যান্য ভাৰতীয় আঞ্চলিক ভাষাৰ মাধ্যমৰ বিদ্যালয় বিলাকতহে অসমীয়া মাধ্যম প্ৰৱৰ্তন কৰিবলৈ সংশ্লিষ্ট ভাষা-ভাষীসকলক সভাই অনুৰোধ কৰিছে; অসমৰ জনজাতীয় ভাষাসমূহৰ ক্ষেত্ৰত তেনে প্ৰস্তাৱ গ্ৰহণ কৰা নাই।

★ জনজাতি-অজনজাতিৰ মাজত বিভাজন আনিব খোজাসকলে আমাক ভাই-ভাই ঠাই-ঠাই কৰিব খোজে।

★ ধৰ্মই জাতিৰ পৰিচয় বহন নকৰে; পৰিচয় বহন কৰে ভাষা আৰু সংস্কৃতিয়ে। অসমীয়া ভাষা অথবা অসমৰ থলুৱা ভাষাক মাতৃভাষা স্বৰূপে যি সকলে গ্ৰহণ কৰিছে অথবা ধাতৃভাষা স্বৰূপে লৈও থলুৱা জনজীৱনৰ লগত যি সকল মিলি গৈছে, তেওঁলোক প্ৰত্যেকেই সমান অসমীয়া।

★ নেপাল আৰু পূৰ্ববংগৰ পৰা যিসকললোক নিৰ্দিষ্ট সময়-সীমাৰ ভিতৰত আহি অসমীয়া সমাজ জীৱনত জাহ গ'ল, তেওঁলোকো অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগত পৰিণত হ'ল। তেওঁলোক এতিয়া আৰু নেপালী বা মৈমনসিঙীয়া হৈ থকা নাই; তেওঁলোক অসমীয়া হৈ উঠিল। অসমীয়া ভাষা-সাহিত্য - সংস্কৃতিলৈ এই সকললোকৰ বৰঙনি সদায় স্মৰণীয় হৈ ৰ'ব। এওঁলোকৰ বাবে অসমেই মাতৃভূমি, অসমীয়া ভাষাই মাতৃভাষা, অসমীয়া সংস্কৃতিয়েই আপোন সংস্কৃতি। এওঁলোক এতিয়া আৰু 'ন-অসমীয়া' হৈ থকা নাই, সম্পূৰ্ণকৈ অসমীয়া হ'ল।

★ যিবোৰ শক্তিয়ে এইসকলৰ মাজত ভুল ধাৰণা সুমাব খোজে, তেওঁলোকে আমাৰ শত্ৰুতা কৰিব খোজে।

★ ★ অসমীয়া সংস্কৃতিৰ বিচিত্ৰতাক অসমৰ প্ৰায় চাৰে সাতশ চাহবাগিচাৰ মজদুৰ আৰু প্ৰাক্তন চাহ-মজদুৰসকলৰ বিচিত্ৰ সাংস্কৃতিক সম্পদে অধিক বিচিত্ৰ কৰি তুলিছে। ঝুমুৰ নাচ, কৰম পূজা আদি নৃত্য-গীত আৰু পৰব এতিয়া অসমীয়া লোক-সংস্কৃতিৰ অংগ হৈ পৰিল।

★ অসম সাহিত্য সভাই বাগিচা আৰু বস্তিৰ সকলো মজদুৰকে 'চাহবাগিচাৰ অসমীয়া' বা কেৱল 'অসমীয়া' বুলি কবলৈ ভাল পায়। চাহমজদুৰ সমাজ আৰু গাওঁ আৰু নগৰত থকা অন্যান্য অসমীয়া সমাজৰ মাজত সামাজিক সম্পৰ্ক দৃঢ়তৰ কৰি তোলাটো আমাৰ সকলোৰে কৰ্তব্য।

★ চাহমজদুৰ সম্প্ৰদায়ৰ সমস্যা আজি সদৌ অসমীয়া জাতিৰ সমস্যা। তেওঁলোকৰ শিক্ষা-দীক্ষাৰ বাবে আৰু সৰ্বতোপ্ৰকাৰ উন্নয়নৰ বাবে কাম কৰা আমাৰ এটা ডাঙৰ দায়িত্ব।

★ 'চাহবাগিচাৰ অসমীয়া' সকলৰ বাবে কোনো বেলেগ দেশ নাই; অসমেই তেওঁলোকৰ মাতৃভূমি, অসমীয়া ভাষা-সংস্কৃতি তেওঁলোকৰ আপোন ভাষা-সংস্কৃতি। এওঁলোকৰ মাজৰ পৰা ওলাই অহা লেখকসকলে অসমীয়া ভাষা-সাহিত্যক নিজৰ লেখাৰে চহকী কৰি তুলিছে।

★ অসম সাহিত্য সভাই এতিয়ালৈকে চাহ-মজদুৰসকলৰ সংস্কৃতি আৰু জীৱন-সম্পৰ্কীয় আঠখনমান গ্ৰন্থ প্ৰকাশ কৰিছে।

★ ★ অসমৰ ধৰ্মীয় উদাৰতা আন ক'তো বিচাৰি পোৱা নাযায়। বিভিন্ন লোক বিশ্বাসৰ উপৰিও, হিন্দু, মুছলমান, খ্ৰীষ্টান, বৌদ্ধ, শিখ আদি ধৰ্মই অসমত সহ অৱস্থান কৰি আহিছে।

★ আমাৰ বাবে কীৰ্তন-কোৰান, গীতা-বাইবেল, গ্ৰন্থচাহেব- ত্ৰিপিটক সমান পৱিত্ৰ আৰু সমান শ্ৰদ্ধেয়।

★ একে মাকৰ সন্তান স্বৰূপ অসমীয়া হিন্দু-মুছলমানৰ মাজত বিভাজন আনিব খোজাসকল আমাৰ সকলোৰে শত্ৰু।

★ ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ পৰা আহি অসমত থিতাপি লৈ অসমৰ জনজীৱনৰ লগত মিলি যোৱা সকল আৰু এই ৰাজ্যখনৰ সৰ্বতোপ্ৰকাৰ উন্নয়নৰ বাবে কাম কৰাসকল আমাৰ আপোন মানুহ।

★ আমি সকলোকে সামৰি ভাৰতৰ বুকুত অসম আৰু বৃহত্তৰ অসমীয়া জাতিৰ বহুবৰ্ণাঢ্যৰূপ জিলিকাই তুলিব খোজোঁ।

আহক, আমি সকলো ভেদাভেদ পাহৰি আমাৰ সাংস্কৃতিক-আৰ্থিক-সামাজিক-শৈক্ষিক উন্নয়ন আৰু বিকাশৰ বাবে কাম কৰোঁ ॥

অসমৰ বিভিন্ন জনগোষ্ঠী, চাহ-মজদুৰ আৰু বিভিন্ন সম্প্ৰদায়ৰ
ভাষা-সংস্কৃতি আৰু জীৱন-সম্পৰ্কীয়

# অসম সাহিত্য সভাৰ প্ৰকাশন

(১) অসমৰ জনজাতি (দুষ্প্ৰাপ্য), (২) জনজাতীয় সাধু (দুষ্প্ৰাপ্য) (৩) ৰাভা জনজাতি —৮.০০, (৪) তিৱা-সম্প্ৰদায় —৫.০০, (৫) মিচিৰ অৰুণাচল —৫.০০, (৬) গাৰো-সংস্কৃতিৰ ৰূপৰেখা—৫.০০, (৭) সোনোৱালৰ সাধু - ৫.০০, (৮) দেউৰী চুতীয়া—৪.০০, (৯) কাৰবি জনগোষ্ঠী—৪.০০, (১০) ডিমাছা—৪.০০, (১১) আউটলুক অন নেফা (দুষ্প্ৰাপ্য), (১২) ৰাভা সাধু - ৪.০০, (১৩) বাড়ো সাধু —৪.০০, (১৪) ৰহিম ৰূপবানৰ সাধু —৩.৫০, (১৫) টাই ভাষা — ৩.০০, (১৬) বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি — ৩.০০ (১৭) কামেং সীমান্তৰ সাধু — ৩.০০, (১৮) দেউৰী সাধু — ৩.০০, (১৯) কিম্বদন্তীৰ সাধু — ৩.০০, (২০) শিখ ধৰ্মীয় সাধু – ৪.০০. (২১) চাহবাগিচাৰ মাজত প্ৰচলিত সাধু –২.৫০, (২২) মিচিং সাধু -২.৫০, (২৩) কাৰবি সাধু - ২.০০, (২৪) বৌদ্ধ জাতকৰ সাধু - ২.০০, (২৭) ম'পিন উছৱ—২.০০, (২৮) চাহবাগিচাৰ বনুৱা (দুষ্প্ৰাপ্য), (২৯) চাহ বাগিচাৰ অসমীয়া (দুষ্প্ৰাপ্য), (৩০) সেউজী পাতৰ মাজে মাজে (দুষ্প্ৰাপ্য), (৩১) নৱমী (নেপালী সাধু) - ৩.০০, (৩২) চাহ বাগিচাৰ কথা (যন্ত্ৰস্থ), (৩৩) চাহবাগিচাৰ পূজা-পৰ্ব্ব (যন্ত্ৰস্থ) (৩৪) কাৰবি-অসমীয়া পাঠ (যন্ত্ৰস্থ), (৩৫) নাগালেণ্ড (নাগামিজত) ১০.০০, (৩৬) আন্টামগাৰী অসমীয়াকো ক্ৰিয়ানি- ২.০০, (৩৮) নবী কাহিনী (যন্ত্ৰস্থ). (৩৯) চুফী আৰু চুফীবাদ (৪০) (প্ৰস্তাৱিত) মিচিং-অসমীয়া পাঠ, (৪১) বাড়ো-অসমীয়া পাঠ, (৪২) দেউৰী শব্দ-সম্ভাৰ, (৪৩) ৰাভা শব্দ-সম্ভাৰ, (৪৪) তিৱা শব্দ-সম্ভাৰ, (৪৫) ডিমাছা-অসমীয়া পাঠ ইত্যাদি ॥

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়াৰ দ্বাৰা চন্দ্ৰকান্ত সন্দিকৈ ভৱন যোৰহাট — ১ ৰ পৰা প্ৰচাৰিত আৰু ডিব্ৰুগড়ৰ পেপাৰ প্ৰিন্টিং প্ৰেছত মুদ্ৰিত।

॥ ২৫ নৱেম্বৰ, ১৯৮০ ॥